# সংগম

সুৰেন দাস মহাবিদ্যালয় আলোচনী

ইং ২০০৯-২০১০, ২০১০-২০১১ বৰ্ষ

# SANGAM

## SUREN DAS COLLEGE MAGAZINE

SESSION - 2009-2010, 2010-2011





মহাবিদ্যালয়ৰ Language Lab.



গ্ৰন্থাগাৰৰ অধ্যয়ন কোঠা



মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ




মহাবিদ্যালয়ৰ কেন্টিন (তলত) আৰু ছাত্ৰ জিৰণী কোঠা (ওপৰত)



মহাবিদ্যালয়ৰ বিজ্ঞান ভৱন




মহাবিদ্যালয়ৰ কলা ভৱন

# সংগম

## সুৰেন দাস মহাবিদ্যালয় আলোচনী

২০০৯-২০১০ আৰু ২০১০-২০১১ বৰ্ষ

# SANGAM

## SUREN DAS COLLEGE MAGAZINE

SESSION : 2009-2010 & 2010-2011

প্ৰতি,

........................................................................

........................................................................

ধন্যবাদেৰে
জিয়াউল হক
পাৰ্থপ্ৰতিম ৰাজবংশী
*আলোচনী সম্পাদক*
সুৰেন দাস মহাবিদ্যালয়

সুৰেন দাস মহাবিদ্যালয় আলোচনী (২০০৯-২০১০ আৰু ২০১০-২০১১ বৰ্ষ)
সুৰেন দাস মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত ও সৰ্বস্বত্ব সংৰক্ষিত
আৰু জিয়াউল হক আৰু পাৰ্থপ্ৰতীম ৰাজবংশীৰ দ্বাৰা সম্পাদিত

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | ড° ৰমেন তালুকদাৰ |
| সম্পাদক | ঃ | জিয়াউল হক (২০০৯-১০ বৰ্ষ)<br>পাৰ্থপ্ৰতিম ৰাজবংশী (২০১০-১১বৰ্ষ) |
| তত্বাৱধায়ক | ঃ | মুনীন্দ্ৰ দাস<br>ৰাজীৱ দাস<br>জয়ন্ত কুমাৰ দাস |
| শিক্ষক সদস্য/সদস্যা | ঃ | ড° জ্যোতিষ চন্দ্ৰ বৰ্মন<br>ড° আলী আকবৰ হুছেইন<br>ড° নিত্যানন্দ কলিতা<br>আৰতী ডেকা<br>ড° বীণাপানী তালুকদাৰ<br>ড° অঞ্জনা শৰ্মা |
| সদস্য | ঃ | হাচিনা বেগম |
| প্ৰকাশক | ঃ | সুৰেন দাস সহাবিদ্যালয় ছাত্ৰ একতা সভা |
| বেটুপাত / ডি.টি.পি. | ঃ | শ্ৰী মিণ্টু দাস |
| মুদ্ৰণ | ঃ | প্ৰগতি গ্ৰাফিক্স<br>পাণ্ডু, গুৱাহাটী - ৭৮১০১২ |



## সূচীপত্ৰ

### প্ৰবন্ধ শিতান ঃ

দুৰ্গেশ্বৰ শৰ্মা ঃ তেওঁৰ কবিতা — ✍ ড০ জ্যোতিষ চন্দ্ৰ বৰ্মন ৭
নৈতিকতা আৰু ধৰ্ম ঃ এক পৰ্যালোচনা — ✍ সবিতা কলিতা ১০
শিশু সমাজৰ ওমলাগীত আৰু নিচুকণি গীত — ✍ শ্ৰী মন্নি কাকতি ১৩
অসমীয়া সাংস্কৃতিক দিশৰ ওপৰত পাশ্চাত্যৰ পয়োভৰ — ✍ শ্ৰীঅংশুমান তালুকদাৰ ১৫
বৰ্তমান সমাজত নাৰীৰ স্থান — ✍ নিজৰা তালুকদাৰ ১৭
সংকটৰ গৰাহত অসম আৰু অসমীয়া — ✍ মঃ ছাদ্দাম হুছেইন ২০
সাফল্যৰ গোপন ৰহস্য — ✍ ইমৰান হুচেইন ২১
ইতিহাস অধ্যয়নৰ প্ৰাসঙ্গিকতা — ✍ চাদ্দাম হুছেইন ২২
অসমৰ শিক্ষাৰ সমস্যা আৰু সামাজিক পৰিৱেশ — ✍ শ্ৰীচুনিতা মালাকাৰ ২৪
ড০ এ পি জে আব্দুল কালাম — ✍ মিছ মুনিমা চুলতানা ২৫
সাহিত্যত প্ৰথমজন নোবেল বিজয়ী- আৰ. এফ. এ. চুলিপ্ৰুধোম — ✍ হিতেশ্বৰ দাস ২৭
কষ্টসহিষ্ণু মঞ্জুবাইৰ জীৱনগাঁথা — ✍ শ্ৰী চুমী তালুকদাৰ ২৯
বিষ্ণুৰাম মেধিক আমি কিয় মনত ৰাখিব লাগে? — ✍ জিয়াউল হক ৩১
পাঁচালি কবি মনকৰৰ সাহিত্যকৃতি — ✍ শ্ৰীদিপীকা বেজবৰুৱা ৩৪
আনুষ্ঠানিক শিক্ষাৰ বিভিন্ন স্তৰত পৰীক্ষা ঃ নকলৰ দৰে কিছুমান অনৈতিক কাম-কাজত উপদ্ৰৱ — ✍ আজিজুৰ ৰহমান ৩৭
ভূপেন হাজৰিকাৰ গীতত অসমীয়া সমাজ জীৱনৰ চিত্ৰ — ✍ বিষ্ণু শৰ্মা ৩৯

### গল্প গুচ্ছ ঃ

মোক সাৱটি ধৰা তুমি ........ — ✍ মিছ ৰিজুমনি পাৰবিন ৪৪
ৰণ্টু — ✍ মিছ গীতামণি ডেকা ৪৭
পৰী — ✍ শ্ৰীনিৰ্মালী হাটখোৱা ৪৮
দোষ কাৰ — ✍ শ্ৰীনিহাৰীকা মালাকাৰ ৫০
মোৰ হৃদয়ৰ পৰী — ✍ শ্ৰীকমল দাস ৫১
বি হেপ্পী — ✍ মঃ ৰাহুল আমিন ৫৩
সপোন — ✍ চিম্পী বৈশ্য ৫৪
বিবাহ — ✍ সদৰ আলী ৫৬
মৰমৰ চিলা — ✍ শ্ৰীশান্তনা মেধী ৫৮
মহাদেৱ আৰু পাৰ্ব্বতীৰ কথা — ✍ শ্ৰীসংগীতা দাস ৫৯

### কবিতা কানন ঃ

"বাহিৰ খবৰ" — ✍ ড° ৰঞ্জু ঠাকুৰীয়া ৬১
স্মৃতি(সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ স্মৃতিত) — ✍ চেমিম আহমেদ চিদ্দীকি ৬৪
বেকাৰ — ✍ মকতাৰ হুছেইন ৬৫
অপ্ৰয়োজনীয় এই জীৱন — ✍ চালমা ছাজিয়া বেগম ৬৬
আশা — ✍ মিৰজিয়াদুৰ ৰহমান ৬৬
প্ৰেম — ✍ শ্ৰীনমিতা দাস ৬৭
সংগীত — ✍ শ্ৰীঅংশুমান তালুদাৰ ৬৭
ক'বানে এবাৰ 'I Love U' বুলি ৬৮
নিষ্ঠুৰ প্ৰেম — ✍ মখলিছৰ ৰহমান ৬৯

সুৰেণ দাস মহাবিদ্যালয়, হাজো — ✍ *লুটফুৰ ৰহমান (পিংকু)* ৬৯

চিঠিবোৰ কেতিয়াবা পঢ়িবা প্ৰিয়তমা — ✍ *ছফিকুৰ ৰহমান আনচাৰী* ৭০

মনৰ দুখ — ✍ *শ্ৰীকুলদ্বীপ তালুকদাৰ* ৭১

ধৰ্ম — ✍ *আজাহাৰউদ্দিন আহমেদ* ৭১

জেৰেঙাৰ সতী — ✍ *শ্ৰীসংগীতা দাস* ৭২

ভালপাঁও তোমাক — ✍ *শ্ৰীঅনামিকা মালাকাৰ* ৭২

স্বাধীনতা — ✍ *শ্ৰীকৃষণ্ণা বাণী ডেকা* ৭৩

স্মৃতি — ✍ *শ্বাহৰুখ আবেদিন খান* ৭৪

কাৰ্য্যালয় — ✍ *মঃ আটিকুল হক* ৭৪

নাৰ্জিৰ অপেক্ষা — ✍ *ৰহমান আলী* ৭৫

শ্বহীদ — ✍ *দিপ্তী তালুকদাৰ* ৭৬

আজিৰ চৰকাৰ — ✍ *শ্বাহনাজৰ ৰহমান* ৭৭

সৰল প্ৰেমৰ কবিতা — ✍ *শ্ৰীমিতুস্মিতা কলিতা* ৭৭

অনুৰোধ — ✍ *মহঃ ইজাজুল হক* ৭৮

অচিনাকি পখিলা — ✍ *মঃ আচিফুৰ ৰহমান* ৭৮

মোৰ মন যায় — ✍ *আচিফুৰ ৰহমান* ৭৯

তুমি — ✍ *শ্ৰীনৱ কলিতা* ৭৯

“তুমি” — ✍ *প্ৰাণজিৎ দাস* ৮০

প্ৰেমৰ জোনাক — ✍ *শ্ৰীহিমাক্ষী সিকদাৰ* ৮১

তুমি কোন — ✍ *শ্ৰীমিতুস্মিতা কলিতা* ৮১


## ভ্ৰমণ কাহিনী ঃ


**REPORT OF THE TOUR TO SIBSAGAR**

**ONCE UPON A TIME** — ✍ *Dr. Nityananda Kalita* 112

শিক্ষামূলক ভ্ৰমণ — ✍ *ডঃ ৰীপিমা বুজৰবৰুৱা* ১১৭


## ENGLISH SECTION :


**NATURAL ENVIRONMENT OF HAJO AREA BRIEF DISCUSSION** — ✍ *Jayanta Kumar Das* 83

**Social Problems in Guwahati City** — ✍ *Prof. Bharati Medhi* 88

**ROLE OF ECOTOURISM IN ENVIRONMENTAL PROTECTION** — ✍ *Dr. (Mrs.) Meena Kumari Devi* 90

**Political Participation of Women in Rural Areas With Reference To The Electoral Politics In Assam** — ✍ *Mukut Ch. Baruah* 92

**Microfinance and Rural Development with special reference to Hajo Revenue Circle** — ✍ *Ajijur Rahman* 94

**Juvenile delinquency - Role of home and school** — ✍ *Dr. Binapani Talukdar* 96

**POSITIVE THINKING** — ✍ *Abul Hussain* 97

**Education for Women Empowerment** — ✍ *Abul Hussain* 100

**Vaishnavism in Assam and Shankar Docrin** — ✍ *Abul Hussain* 104

**The Truthfulness of MAHATMA GANDHI** — ✍ *Gautam Baishya* 109

**True Friendship** *(Poem)* — ✍ *Imran Hussain* 110


## ভিন্ন শিতান ঃ


মহৎ লোকৰ অমৃত বাণী ১২০

বিচিত্ৰ তথ্য ১২২

কৌতুক ১২২




# উৎসৰ্গ

যাৰ;
তেজত
তিৰবিৰাইছিল
তৰালি,
বুকুত,
গুণ গুণাইছিল
মৌ-মাখি
সি নিজানে নিতালে
শুই আছে।
শিতানত তাৰ
তেজে ধোৱা মাটি
...
হীৰেণ ভট্টাচাৰ্য




সম্পাদনা সমিতি
‘সুৰেন দাস মহাবিদ্যালয় আলোচনী’

# শ্ৰদ্ধাঞ্জলি



জন্ম ঃ ১৯২৬ ইং চন
মৃত্যু ঃ ২০১১ ইং চন



জন্ম ঃ ১৯৪০ ইং চন
মৃত্যু ঃ ২০১১ ইং চন



জন্ম ঃ ১৯৩২ ইং চন
মৃত্যু ঃ ২০১১ ইং চন

লুইতৰ দুয়োপাৰ উজলাই তোলা বিশ্ববৰেণ্য শিল্পী অসমৰ সুযোগ্য সন্তান সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰদেৱ, ৰামায়নী সাহিত্যিক তথা জ্ঞানপীঠ বঁটা বিজয়ী ড° মামনি ৰয়চম গোস্বামী বাইদেউৰ লগতে অসমৰ সাহিত্য জগতৰ ধ্ৰুৱতৰা সদৃশ কবি-সাহিত্যিক হীৰেণ ভট্টাচাৰ্য্যদেৱলৈ শ্ৰদ্ধাঞ্জলি নিৱেদন কৰিছোঁ।

সম্পাদনা সমিতি
'সুৰেন দাস মহাবিদ্যালয় আলোচনী'


অধ্যাপক অখিল কুমাৰ মেধি
উপাচাৰ্য
*Prof. O. K. Medhi*
Vice-Chancellor


## গুৱাহাটী বিশ্ববিদ্যালয়
## GAUHATI UNIVERSITY

Estd.: 1948


Ph. No. : +91-361-2570412 (O)
+91-361-2570408 (R)
Fax : +91-361-2675515
email : vc_gu@yahoo.in
Website : www.gauhati.ac.in
Gopinath Bardoloi Nagar
Guwahati-781014, Assam : India
গোপীনাথ বৰদলৈ নগৰ
গুৱাহাটী · ৭৮১ ০১৪, অসম ঃ ভাৰত




**MESSAGE**

It gives me immense pleasure to learn that Suren Das College, Hajo is going to publish its Annual College Magazine for the sessions 2009-2010 and 2010-2011 very shortly.

I hope that the magazine which they are going to publish will reflect the hidden potential and useful articles of the students.

I wish all success in their mission and hope the magazine will be immensely beneficial to all concerned.

Date : 17.04.2013

**( Prof. O.K. Medhi )**

# সম্পাদনাৰ মেজত



ড° ৰমেন তালুকদাৰ
উপদেষ্টা



মুনীন্দ্ৰ দাস
তত্বাৱধায়ক



ৰাজীৱ দাস
তত্বাৱধায়ক



জয়ন্ত কুমাৰ দাস
তত্বাৱধায়ক



ড° জ্যোতিষ চন্দ্ৰ বৰ্মন
সদস্য



ড° আলী আকবৰ হুছেইন
সদস্য



ড° নিত্যানন্দ কলিতা
সদস্য



আৰতী ডেকা
সদস্যা



ড° বীণাপানী তালুকদাৰ
সদস্যা



ড° অঞ্জনা শৰ্মা
সদস্যা



জিয়াউল হক
সম্পাদক (২০০৯-১০ বৰ্ষ)



পাৰ্থপ্ৰতীম ৰাজবংশী
সম্পাদক (২০১০-১১বৰ্ষ)



হাচিনা বেগম
সদস্যা

# অধ্যক্ষৰ মেজৰ পৰা ......




### সুৰেন দাস মহাবিদ্যালয় ঃ এটি সংক্ষিপ্ত বিৱৰণ

বৃহত্তৰ হাজো অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান সুৰেন দাস মহাবিদ্যালয়। স্থাপন হোৱা (২৯ আগষ্ট, ১৯৭৯ চন) দিনৰে পৰা এখিন উচ্চ শিক্ষাৰ অনুষ্ঠানে হাজোবাসীৰ লগতে ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ যুৱক-যুৱতী সকলক উচ্চ শিক্ষা প্ৰদান কৰি আহিছে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে এইখন মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লৈ সমাজত প্ৰতিষ্ঠিত হৈছে, লগতে সামাজিক, নৈতিক আৰু বৌদ্ধিক দিশতো আগবাঢ়ি গৈ সমগ্ৰ হাজো অঞ্চললৈ সুনাম কঢ়িয়াবলৈ সক্ষম হৈছে। প্ৰয়াত সুৰেন দাস দেৱৰ অৱদানেৰে নিৰ্মিত এই উচ্চ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে দাস দেৱৰ লগতে হাজোবাসীৰ সপোন কিছু পৰিমাণে বাস্তৱত ৰূপায়িত কৰিবলৈ সক্ষম হৈছে যদিও সম্পূৰ্ণৰূপে পূৰণ কৰিবলৈ এতিয়াও বাকী আছে। মহাবিদ্যালয়খন উন্নতিৰ জখলাত আৰোহণ কৰি সময়ৰ গতিত অগ্ৰসৰ হৈছে।

বৰ্তমান সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় ১৫০০ জন। উচ্চতৰ মাধ্যমিকৰ কলা শাখা আৰু স্নাতক কলা বিভাগৰ শিক্ষা ইয়াত প্ৰদান কৰা হয়। যোৱা ২০০৯ চনৰ পৰা উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ শ্ৰেণীও প্ৰৱৰ্ত্তন কৰা হৈছে-হাজো ১নং সমবায় সমিতিয়ে দান কৰা বিজ্ঞান ভৱনত। উক্ত সমবায় সমিতিলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ প্ৰদান কৰিলো। হাজো অঞ্চলত বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে অৰ্পিত এই বিজ্ঞান ভৱন। আমি ৰাইজক জনাবলৈ পাই অত্যন্ত সুখী যে, উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ ফলাফল যথেষ্ট উন্নত। দুটি বৰ্ষৰ ফলাফল (২০১১ আৰু ২০১২ চনৰ) ইতিমধ্যে প্ৰকাশ হৈছে আৰু দুয়োটা বৰ্ষতে উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ হোৱাৰ লগতে ২০১২ বৰ্ষত ২১জন পৰীক্ষাৰ্থীৰ মাজৰ পৰা ২জন পৰীক্ষাৰ্থীয়ে ষ্টাৰ নম্বৰ লৈ উত্তীৰ্ণ হৈছে, আৰু আন ১৫জনে প্ৰথম বিভাগত আৰু বাকী ৪জনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। দুখৰ বিষয় যে মকবুল হুছেইন নামৰ ছাত্ৰজনে আটাইকেইটা বিষয়ত লেটাৰ নম্বৰ লাভ কৰিও মাত্ৰ ৮ নম্বৰৰ বাবে এইবাৰৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ ফলাফলত স্থান লাভৰ পৰা বঞ্চিত হয়।

এই বৰ্ষৰ উচ্চতৰ মাধ্যমিক কলা শাখাৰ ফলাফলো আগতকৈ বহুতো উন্নত। এজনী ছাত্ৰীয়ে তিনিটা বিষয়ত লেটাৰসহ ষ্টাৰ নম্বৰলৈ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে আন দুজনে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। স্নাতক চূড়ান্ত পৰীক্ষাত শিক্ষা বিষয়ত মেহজেবিন আমিনে প্ৰথম শ্ৰেণী পাবলৈ সক্ষম হৈছে। চেমেষ্টাৰৰ ফলাফলো বিশ্ববিদ্যালয়ৰ

উত্তীৰ্ণৰ হাৰতকৈ ওপৰত আছে, ইতিমধ্যে মহাবিদ্যালয়ত নতুন নতুন বিষয় সংযোজন কৰা হৈছে। যেনে, PGDCA, Computer Fundamental, Tally, DTP, Travel & Tourism Management, Photography, Human Rights Certificate পাঠ্যক্ৰম। অহা বৰ্ষৰ পৰা BCA পাঠ্যক্ৰমো অন্তৰ্ভুক্ত কৰা হ'ব। উক্ত বিষয় অধ্যয়নৰ বাবে ছাত্ৰ-ছাত্ৰীৰ পৰা যিখিনি সঁহাৰি আশা কৰা হৈছিল সেই হিচাবে পোৱা নাই। ওপৰোক্ত বিষয়ৰ ওপৰিও অইন কিছুমান বিষয় প্ৰৱৰ্ত্তন কৰাৰ যোজা কৰা হৈছে যি বিষয়ৰ জ্ঞানলাভে ছাত্ৰ-ছাত্ৰীসকলৰ স্বাৱলম্বী হোৱা সহায়ক হ'ব। অহা বৰ্ষৰ পৰা তিনিটা বিষয় - ৰাজনীতি বিজ্ঞান, শিক্ষা আৰু অসমীয়া বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী খোলাৰ বাবে মহাবিদ্যালয় পৰিচালনা সমিতিয়ে যোৱা ৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত সমিতিত সিদ্ধান্ত গ্ৰহণ কৰে।

মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নত কৰিবলৈ যত্ন কৰা হৈছে। অসম চৰকাৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৱদানেৰে এই চেষ্টা অব্যাহত আছে। মহাবিদ্যালয়খনত ছাত্ৰী নিবাসৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত য'ত ১০০ গৰাকী ছাত্ৰী থকাৰ সুবিধা হ'ব।

প্ৰায় ১৮০০০ খন কিতাপেৰে পৰিপূৰ্ণ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো এটি প্ৰায় পূৰ্ণাঙ্গ গ্ৰন্থাগাৰ। ছাত্ৰ-ছাত্ৰীৰ বাবে এটি অধ্যয়ন কোঠালি, অধ্যাপক-অধ্যাপিকাৰ বাবে আছুতীয়া অধ্যয়ন কোঠালী, ইণ্টাৰনেট, ফটোষ্টেট আদি সকলো সুবিদা গ্ৰন্থাগাৰত উপলব্ধ। V-Set-অৰ জৰিয়তে উপগ্ৰহৰ বা পোনে পোনে Internet -অৰ সংলগ্ন ব্যৱস্থা থকা অসমৰ ৪/৫খন মহাবিদ্যালয়ৰ ভিতৰত সুৰেন দাস মহাবিদ্যালয়ে অন্যতম। Computer লেবৰেটৰিত ২০টা computer আছে য'ত অহৰহ computer বিষয়ৰ শিক্ষা প্ৰদান কৰা হয়।

Language Lab -অৰ যোগেদি Spoken English, Personality Developmnt পাঠ্যক্ৰমৰ শিক্ষা প্ৰদানৰ ব্যৱস্থাও আছে। অন্যান্য আন্তঃগাঁথনিৰ কথা ক'বলৈ হ'লে মহাবিদ্যালয়ত এখন উন্নত মানৰ কেণ্টিন, ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত Common Room, মহাবিদ্যালয় চৌহদত Internal Road-অৰ ব্যৱস্থা আছে। অধ্যাপক-অধ্যাপিকাৰ বাবে আছুতীয়া জিৰণী কোঠা, Day Care Centre, প্ৰত্যেক বিষয়ৰ নিগাজীকৈ বিভাগীয় জিৰণী কোঠাৰ উপৰিও বিভাগীয় গ্ৰন্থাগাৰৰ ব্যৱস্থা আছে। অধ্যাপক-অধ্যাপিকাসকলক বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিয়মাৱলী আৰু পৰামৰ্শৱলী আখৰে-আখৰে পালন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে লগতে তেখেতসকলক UGC ৰ নিয়ম অনুসৰি সপ্তাহত ৪০ ঘণ্টা অৰ্থাৎ দিনে ৬ ঘণ্টা ৪০ মিনিট সময় বিদ্যালয়ত উপস্থিত থকাটো বাধ্যতামূলক কৰা হৈছে। এইখিনিতে উল্লেখ থাকে মহাবিদ্যালয়ৰ বিজ্ঞান ভৱনৰ ওপৰ মহলাত এটি Multy-Gym নিৰ্মাণ কৰা হৈছে। অসম চৰকাৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আবণ্টিত ধনেৰে এটি ২০০ খন আসনযুক্ত Seminar Hall নিৰ্মাণকাৰ্য সম্পন্ন হৈছে। যোৱা ২৯ আগষ্ট, ২০১২ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ দিনা Seminar Hall টো উচ্চশিক্ষা সঞ্চালক পি জিদুং মহোদয়ৰ দ্বাৰা উদ্বোধন কৰা হৈছে। খেলপথাৰখন মাটিৰে পূৰ্ণ কৰি খেলৰ উপযোগী কৰি তোলা হৈছে।

মুঠৰ ওপৰত উচ্চশিক্ষা অনুষ্ঠান এখনৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ যিখিনি আন্তঃগাঁথনিৰ প্ৰয়োজন, প্ৰায়বোৰে সুৰেন দাস মহাবিদ্যালয় উপলব্ধ বুলি ক'ব পাৰি। লাগে মাথোন ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নপুষ্ট এটি মন, তেওঁলোকৰ নিয়মানুৱৰ্ত্তিতা, নিষ্ঠা, একাগ্ৰতা যাতে তেওঁলোকে ভৱিষ্যতে নিজৰ ভৰিৰ ওপৰত থিয় হৈ এগৰাকী সচেতন সমাজকৰ্মী হিচাবে নিজক গঢ়িব পাৰে। শিক্ষক-শিক্ষয়িত্ৰী সকললৈ অনুৰোধ যেন তেখেতসকলে নিষ্ঠাৰে নিজ নিজ কৰ্তব্যত ব্ৰতী হৈ কৰ্তৃপক্ষৰ লগত সহযোগিতা আগবঢ়াই মহাবিদ্যালয়খনে এটি গতি লাভ কৰাত সহায় কৰে যাৰ ফলস্বৰূপে সুৰেন দাস মহাবিদ্যালয়খন অচিৰে অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাবে পৰিগণিত হ'ব।

এই আশাৰে ....... জয়তু সুৰেন দাস মহাবিদ্যালয়।

**ড° ৰমেন তালুকদাৰ**
*অধ্যক্ষ*
সুৰেন দাস মহাবিদ্যালয়, হাজো



মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীবৃন্দৰ একাংশ

# হাজোৰ কেইটিমান ঐতিহাসিক কীৰ্তিচিহ্ন



শ্ৰী শ্ৰী হয়গ্ৰীৱ মাধৱ মন্দিৰ



শ্ৰী শ্ৰী জয় দুৰ্গা দেৱালয়



শ্ৰী শ্ৰী কমলেশ্বৰ মন্দিৰ



পোৱামক্কা দৰগাহ



বিষ্ণুপুষ্কৰ




ভীমৰ পইতা খোৱা চৰিয়া



শ্ৰী শ্ৰী কেদাৰ মন্দিৰ



শ্ৰী শ্ৰী কামেশ্বৰ মন্দিৰ

# সম্পাদকীয়



জয় জয়তে সুৰেণ দাস মহাবিদ্যালয়ৰ পৰম পূজনীয় শিক্ষাগুৰু সকলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

২০০৯-২০১০ বৰ্ষৰ আলোচনী সম্পাদকৰ দায়িত্ব লৈ মই নিজকে গৌৰৱান্বিত অনুভৱ কৰিছিলোঁ। যদিও দায়িত্ব লোৱাৰ কেইদিনমানৰ পিছতে মই এটা চৰকাৰী বিভাগত নিয়োগ হোৱাৰ কাৰণে মহাবিদ্যালয়ৰ লগত যিদৰে যোগাযোগ ৰাখিব লাগিছিল তেনেকুৱাকৈ যোগাযোগ কৰিব পৰা নাছিলো। আলোচনীখন উচ্চমানদণ্ড আৰু গুণগত কৰাৰ বাবে মোৰ বহুত সপোন আছিল; কিন্তু মোৰ বিভাগৰ ব্যস্ততাৰ কাৰণে আলোচনীখন প্ৰকাশ কৰাৰ কাৰণে সময় দিব নোৱাৰিলোঁ। তাৰ বাবে সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা ক্ষমা বিচাৰিলোঁ।মোৰ বাহিৰে আলোচনীখনৰ কামত বিশেষভাৱে সহায়-সহযোগিতা কৰা আমাৰ সকলোৰে স্বনামধন্য অধ্যক্ষ ড° ৰমেন তালুকদাৰ ছাৰ, ড° ৰমেন মেধি ছাৰ, আহমেদ মুকুট ছাৰ, বিশ্বজিৎ কলিতা ছাৰ, ৰাজীৱ ছাৰ, ড° আলি আকবৰ হুছেইন ছাৰ, ড° ৰীপিমা বাইদেউ, জয়ন্ত ছাৰ, উপাধ্যক্ষা ড° লোপা বাইদেউ, ড° মীনা কুমাৰী বাইদেউ, নন্দিতা চলিহা বাইদেউ, ড° পাৰুল বাইদেউ, ড° বীণাপানী বাইদেউ, ড° জে.চি বৰ্মন ছাৰ, বিষ্ণুকান্ত শৰ্মা ছাৰ, অঞ্জনা বাইদেউ, আৰতি বাইদেউ, ড° গীতা বাইদেউ, ড° ৰঞ্জু বাইদেউ, মুনিন্দ্ৰ ছাৰ, নিত্য ছাৰ, উচ্চবৰ্গ সহায়ক হৰকুমাৰ দাস, নিম্নবৰ্গ সহায়ক ৰমেশ ওজা, ভাৰতী বাইদেউ, গ্ৰন্থাগাৰ ভট্টাচাৰ্য্য ছাৰ, মহন্ত দা, কিশোৰ দা, পাৰবিনা আহমেদ, বৰ্ণালী, জুৰি, নুৰ মহম্মদ, আমিনা, কৰবী, ৰকিবুল হক, ছাদ্দাম, সম্পাদনা সমিতিৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যাৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰত্যেকবাৰে প্ৰকাশ হোৱাত যথেষ্ট সময়ৰ প্ৰয়োজন হয়। কাৰণ আলোচনীখন আগবঢ়াই নিয়াৰ বাবে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহায়-সহযোগিতা অতি দুঃখ লগা ধৰণৰ। এতিয়াৰ পৰা আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন গুণগত, প্ৰতিযোগিতামূলক কৰাৰ বাবে সকলোকে আগবাঢ়ি আহিবলৈ কামনা কৰিলোঁ। কিয়নো আলোচনী হ'ল মহাবিদ্যালয় এখনৰ দাপোন আৰু সংগ্ৰাহালয়। ইয়াৰ জৰিয়তে মহাবিদ্যালয়খনৰ যাৱতীয়া খা-খবৰ, প্ৰকাশ পোৱাৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলক সাহিত্যৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰে। ইয়াৰ পৰা গল্পকাৰ, নাট্যকাৰ, কবিৰ জন্ম পাব। আমি সকলোৰে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ প্ৰতি আকৰ্ষণ আৰু আগ্ৰহ বৃদ্ধি হোৱাৰ কামনা কৰিলোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে আকৌ এবাৰ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী হৈ ৰ'লো। পুনৰবাৰ সুৰেন দাস মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি হোৱাৰ কামনাৰে......

জয়তু সুৰেন দাস মহাবিদ্যালয়

জয় আই অসম

ধন্যবাদেৰে

জিয়াউল হক

আলোচনী সম্পাদক

২০০৯-১০ বৰ্ষ

সুৰেন দাস মহাবিদ্যালয়



# প্ৰবন্ধ শিতান

# দুৰ্গেশ্বৰ শৰ্মা ঃ তেওঁৰ কবিতা

*ড০ জ্যোতিষ চন্দ্ৰ বৰ্মন*
*মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ*

দুৰ্গেশ্বৰ শৰ্মা যোৰহাটৰ পটীয়া গাঁৱত ওপজে ১৮৮৫ চনত। তেওঁৰ পিতাকৰ নাম কমল চন্দ্ৰ শৰ্মা। বি. এ. আৰু ওকালতি পাছ কৰি শৰ্মাদেৱে ১৯১১ চনত চৰকাৰী চাকৰিত সোমায় আৰু নিজৰ তীক্ষ্ম বুদ্ধি আৰু কৰ্তব্যপৰায়ণতাৰ বলত দোপত-দোপে উন্নতি কৰি শেষত গৈ কমিচনাৰ পদৰ পৰা অৱসৰ লয়। দুৰ্গেশ্বৰ শৰ্মা কবি আৰু নাট্যকাৰ হিচাবে আমাৰ সাহিত্যত প্ৰসিদ্ধ। 'অঞ্জলি' আৰু 'নিবেদন' এই দুখন তেওঁৰ প্ৰকাশিত কবিতা-পুথি 'পাৰ্থ-পৰাজয়', 'বালি-বধ' আৰু 'চন্দ্ৰাৱলী' (ছেক্‌ছপিয়েৰৰ As you Like It ৰ মুকলি ভাঙনি) এই তিনিখন নাটক।

দুৰ্গেশ্বৰ শৰ্মাই কবি হিচাপে প্ৰথম আত্মপ্ৰকাশ কৰে গুৱাহাটীৰ পৰা দ্বিতীয়বাৰ ওলোৱা 'জোনাকী'ৰ পাতত। শৰ্মাৰ কবিতাত মিষ্টিক ভাৱৰ প্ৰাধান্য আছে। ভাৰতীয় দৰ্শনৰ প্ৰভাৱে তেওঁৰ কবি-দৃষ্টি বোলাই ৰাখিছে। আত্মাৰ অবিনশ্বৰতা আৰু জন্মান্তৰবাদত বিশ্বাস, ব্ৰহ্মাণ্ডৰ চলিষ্ণু নৈতিক শক্তিৰ অখণ্ড-প্ৰৱাহত নিষ্ঠ, এই জাগতিক সৌন্দৰ্যৰ প্ৰতি মোহ শৰ্মাৰ কবিতাৰ বিশেষত্ব। কবিৰ দাৰ্শনিকতাই দূৰণিৰ পেঁপাৰ মাত, অকলশৰীয়া ৰূপহী দাৱনী, যখিনী আৰু জলকুঁৱৰী আদিৰ সৌন্দৰ্য উপলব্ধিত বাধা জন্মোৱা নাই। ৱাৰ্ডছৱাৰ্থ, শ্বেলী আদিৰ কবিতা অসমীয়ালৈ সহজ আৰু সৰসকৈ ভাঙিছে। ড০ মহেশ্বৰ নেওগৰ মতে ঃ 'সৰলতা, প্ৰত্যক্ষতা, অনতিভাষণ আৰু নিৰলংকাৰতা তেওঁৰ ভাষাৰ সাধাৰণ গুণ; তাৰ মাজত ভাৱ-অনুভূতিৰ সকলো কথাই সূত্ৰৰ দৰে স্পষ্ট উক্তি হৈ ওলাইছে। আনফালে সেই ভাষাৰ কোমলতাৰ মাজেদি তেওঁৰ কোমল অনুভূতি আৰু সৌন্দৰ্যজ্ঞাপকভাৱে কৰিত্বময় প্ৰকাশ পাইছে।

'বিশ্ব-ভাৱনা' দুৰ্গেশ্বৰ শৰ্মাৰ এটা দাৰ্শনিক ভাৱাপন্ন কবিতা। বিশ্ব-ভাৱনাত মানুহ ভাৱৰীয়া। কিবা এটা অজান শক্তিৰ সুৰত ভাৱৰীয়াৰূপী মানুহে 'মাটিৰ পুতলা'ৰ নিচিনা গোটেই জীৱন নাচিছে. গোটেই জীৱন কাৰোবাৰ গান গাইছে, কাৰোবাৰ যেন গুণানুকীৰ্তন কৰিছে, কাৰোবাৰ যেন কাম কৰিছে, আৰু তাৰ বাবে 'অলপো নাই আহৰি''। যি অজান শক্তি মানুহ-ভাৱৰীয়াক হুহ্‌ৱাই নচুৱাই আছে, সেই শক্তিক মানুহে কোনোদিনে দেখা নাই। মানুহে 'ভাও লৈ লৈ বিশ্ব-ভাৱনা' সদায় পাতিছে আৰু হাঁহি-কান্দি-নাচি নিজ ভাও দি উপযুক্ত ভাৱৰীয়াৰ পৰিচয় দিছে।

পৰম শক্তি ভগৱান সকলোৰে নিয়ন্তা। সেই পৰম বস্তুক কোনেও নেদেখে। অথচ তেওঁৰ ইংগিতত মানুহে পুতলাৰ নিচিনা হাঁহিছে, নাচিছে, কান্দিছে, তাত মানুহৰ কোনো স্বাতন্ত্ৰ্য নাই। অতি সহজ-সৰল ভাষাৰে কবিতাটিত কবিয়ে উচ্চ-ভাৱ প্ৰকাশ কৰিব পাৰিছে ছেক্‌ছপিয়েৰেও মেকবেথ নাটকত পৃথিৱীখনক ৰঙ্গমঞ্চ আৰু মানুহক নিজস্ববিহীন ভাৱৰীয়া বুলিছে।

'মৰাৰ পিছত' শৰ্মাৰ আন এটি শ্ৰেষ্ঠ কবিতা। সন্দিগ্ধ হৈ যেন কবিয়ে প্ৰশ্ন কৰিছে, মৰণৰ পাছত বিশ্বজগতৰ সৌন্দৰ্যৰাশি তেওঁ দেখিবলৈ আৰু উপভোগ

কৰিবলৈ পাবনে? উদাহৰণস্বৰূপে কবিতাটিত কবিয়ে কেইটামান এনেকুৱা সৌন্দৰ্য-মাধুৰীৰ চানেকী দাঙি ধৰিছে ঃ 'তৰা আকাশৰ', 'শস্যেৰে শোভিত বসুন্ধৰা', 'বিস্তৃত জগতখনি আকাশে আবৰা', কোমল বনত পৰি থকা কোমল নিয়ৰ', বায়ুৰ মাজত গহীন চলন ডাৱৰৰ', 'প্ৰকৃতিত বজা শান্তিময় মোহিনী সংগীত' আৰু 'জিলীয়ে গোৱা মধুৰ মাতেৰে বিভুৰ যশস্যা'। শেষত কবিয়ে সিদ্ধান্তৰ সুৰত কৈছে ঃ

মৰিলে কাণত যদি                    এ কে া কে
নেবাজে
একো ছঁয়া নপৰে চকুত
হৃদয়ৰ ভাৱ-তাপ                    সিও যদি
যায়
সুখ তেন্তে নাই মৰণত।

কবিৰ জন্মান্তৰবাদৰ বিশ্বাস থাকিলেও এই কবিতাৰ মাজেদি তেওঁৰ জাগতিক সৌন্দৰ্যৰ প্ৰতি আকৰ্ষণ আৰু জীৱনোপভোগৰ ইচ্ছাৰ আভাস লক্ষ্য কৰা যায়। কোমল অথচ অৰ্থ প্ৰকাশক শব্দপ্ৰয়োগ কবিতাটোৰ বিশেষ আকৰ্ষণ।

'ৰঙ্গিলা' শৰ্মাদেৰৰ আন এটা উৎকৃষ্ট কবিতা। মৰিশালিত বাঢ়ি থকা কলৰ পুলিটি দেখি মাকে কান্দিলে। মাকে হঠাতে কন্দা দেখি সৰু ছোৱালী ৰঙ্গিলাই সুধিলে - মাকে কিয় কান্দিলে। তেতিয়া ৰঙ্গিলাৰ মাকে ক'লে - ৰঙ্গিলা যেতিয়া নিচেই কেঁচুৱা আছিল, তাইৰ সাত বছৰীয়া ককায়েক দুদিনৰ জ্বৰতে ঢুকায়। ককায়েকে তাইক অশেষ মৰম কৰিছিল। জ্বৰ হৈ থকা অৱস্থাতো ৰঙ্গিলাৰ কথা সি কত ভাবিছিল ঃ

'জ্বৰ পৰি থাকোতেও তোৰ কথা সোধে
কাষলই নিদিয়ে আনিব
থয় তোক নিলগত, জানো কিবা ৰূপে
সেই জ্বৰ তোৰ গাত হ'ব।
জ্বৰৰ গাৰেই মোক কে'বাবাৰো ক'লে
পুতলা কেইটা থ'বলই
যেতিয়া ডাঙৰ হ'ব ভনীটিক মোৰ
ৰঙ্গ মনে মই দিবলই।'

কিন্তু, তাৰ মনৰ অভিলাষ পূৰ্ণ নহ'ল, সি আঁতৰিল পৃথিৱীৰ পৰা।' তাৰ দেহ সেই মৰিশালিত পুৰি পেলালে। বোধ নলগা ৰঙ্গিলাই তেতিয়া কান্দি কান্দি সেই ঠাই খান্দি ককায়েকক চাব খুজিলে; কিন্তু মাকৰ পৰা সেইটো বৃথা আশা বুলি বুজিলে।

'ৰঙ্গিলাই কথা শুনি দুগুণে কান্দিলে
চকু-লোৰে পৃথিৱী তিয়াই
মাতৃৰ হিয়াৰ তাপ দুগুণে জ্বলালে
ভাতৃ-স্নেহ কেনে দেখুৱাই।"

কবিয়ে কবিতাটো অসমীয়া ৰূপত সজাইছে। অপত্য স্নেহ, ভাতৃ স্নেহ আৰু ভগ্নী স্নেহ কবিতাটোৰ মাজেদি সুন্দৰকৈ প্ৰকাশ কৰা হৈছে।

'কিবা যেন নাই নাই' কবি শৰ্মাৰ এটা আধ্যাত্মিক ভাৱাপন্ন কবিতা। কবি মনে ৰচা প্ৰাকৃতিক সৌন্দৰ্য বিমণ্ডিত এখন ঠাই। ইয়াৰ সন্ধিয়াৰ চাকি শাৰী, পুখুৰী পানীত পৰি নাচিছে, আৰু তৰাবোৰৰে সৈতে ভোটা তৰা জিলিকিছে, দীঘল দলটি ক্ৰমে সৰু হৈ আকাশলৈ গৈছে আৰু শোক-তাপ হৰণ কৰা' জুৰ বায়ু বলিছে। এনেহেন মনোৰম পৰিৱেশৰ মাজত কবিয়ে যেন কিবা এটা সুন্দৰ বস্তু পোৱা



যেন পায়, অথচ লগ নাপায় ঃ

'ইয়াতে সদায় দেখা
দেখিলে মনত থকা
আহিলেই লগ পায়
মনে মনে ভাল পোৱা
ভাবিলে কেনিবা যোৱা
কিবা যেন নাই নাই।'

এনে সুন্দৰ পৰিস্থিতিৰ মাজত কোনো বিশেষ মুহূৰ্তত কবিয়ে পৰম-সত্তাৰ উপলব্ধি কৰিছে। দুৰ্গেশ্বৰ শৰ্মাৰ 'নিবেদন' নামৰ কবিতা পুথিখনৰ দুই-এঠাইত ৰহস্যবাদী ভাৱ প্ৰকাশ পাইছে যদিও তাত ভাৱৰ ক্ৰমবিকাশ নাই। কবিয়ে পাতনিত লিখিছে ঃ আটাই কবিতাবিলাক ভাৱৰ একেগছি জৰীৰে গুঠিবলৈ গ'লে ধৰা পৰিব লাগিব।' কবিৰ ওপৰত ভাৰতীয় দৰ্শনৰ প্ৰভাৱ স্পষ্ট। কবিয়ে বিশ্বজগতত কাৰবাৰ সুৰ শুনিছে, কিন্তু স্বৰূপ নিৰ্ণয় কৰিব পৰা নাই ঃ বতাহত শুনো অলপ, ৰজাৰ সভাৰ ৰোল, ক'ৰ পৰা আহে নোৱাৰো বুজিব, নুবুজো বিশ্বৰ ৰোল' (ৰাজসভা) কেতিয়াবা সেই সুৰক শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰ বুলি ধাৰণা জন্মে। অকল বাঁহীৰ সুৰেই নহয়, সেই সুৰ পৰম শক্তিৰ প্ৰতীক আৰু জগতখন বৃন্দাবনৰ প্ৰতীক ঃ

সেইটি বাঁহীকে শুনি জগতে নাচিছে
সূৰ্য, চন্দ্ৰই দুয়ো পোহৰ ঢালিছে
এইখনি বৃন্দাবন সুৰম্য কানন
আন নাই তাত মাথোঁ আছে গোপীগণ।' (বৃন্দাবন)

❖❖❖❖❖

## জানিবলগীয়া কথা

খ্ৰীষ্টাব্দ ঃ ১৮৫৯ ঃ ড্ৰেকে খনিজ তেল নিষ্কাশন কৰিলে।

খ্ৰীষ্টাব্দ ঃ ১৮৬৩ ঃ বাইণ্ড নামৰ বিজ্ঞানীয়ে বৈদ্যুতিক জেনেৰেটৰ সাজে।

খ্ৰীষ্টাব্দ ঃ ১৮৫৯ ঃ ছুৱেজ খাল খন্দা হয়।

খ্ৰীষ্টাব্দ ঃ ১৯৬৩ ঃ মানৱ দেহত কৃত্ৰিম হৃদপিণ্ড স্থাপনৰ যোগেদি শল্য চিকিৎসা উন্নত কৰা হয়।

খ্ৰীষ্টাব্দ ঃ ১৯৩৫ ঃ ব্ৰিটিছ বিজ্ঞানী ৰবাৰ্ট ৱাটছন বাটৰ নেতৃত্বত ৰাডাৰ প্ৰদৰ্শন কৰা হ'ল।

# নৈতিকতা আৰু ধৰ্ম ঃ এক পৰ্যালোচনা

*সবিতা কলিতা*
*সহকাৰী অধ্যাপিকা, দৰ্শন বিভাগ*

নৈতিকতা আৰু ধৰ্ম দুয়োটাই নীতিশাস্ত্ৰৰ বিচাৰ্য বিষয়। এই দুয়োটা বিষয়েই আমাৰ সকলোৰে বাবে প্ৰয়োজনীয় আৰু অপৰিহাৰ্য অংগ। একোটা কাম আমাৰ এই ক্ষন্তেকীয়া জীৱনকালত সম্পূৰ্ণ কৰা সম্ভৱ নহয়। নৈতিক আদৰ্শত যিহেতু অসীম বুলি কোৱা হয় সেয়েহে সীমাবদ্ধ জীৱনত ইয়াক আয়ত্ত কৰাটো কঠিন হয়। গতিকে বৰ্তমানৰ জীৱন কাল হ'ল অসীম জীৱন লাভ কৰাৰ এক পৰীক্ষা কাল মাত্ৰহে। এই জীৱনতে পূৰ্ণতা লাভ সম্ভৱ নহয়। আমাৰ বিভিন্ন জীৱনত নৈতিক আদৰ্শক ক্ৰমাৎ বাস্তবায়িত কৰি গৈ থাকো। আমাৰ মাজত এই নৈতিক সম্ভাৱনা বিৰাজমান। কাৰণ আমাৰ মাজত আত্মা নামৰ এক চিৰস্থায়ী সত্তা আছে। ঈশ্বৰক নৈতিক পূৰ্ণতা বুলি কোৱা হয়। ঈশ্বৰে পৰম প্ৰমূল্য সমূহক প্ৰতিপালন আৰু সংৰক্ষণ কৰে আৰু এই প্ৰমূল্যখিনিক লাভ কৰিবলৈ আমি অহৰহ চেষ্টা চলাওঁ। যিখিনি চাৰিসীমাৰ ভিতৰত এই চেষ্টা চলোৱা হয় তাৰেই নাম ধৰ্ম। গতিকে নৈতিকতা আৰু ধৰ্মৰ মাজত নিশ্চয় এটা সম্বন্ধ আছে। ঈশ্বৰৰ অস্তিত্ব আৰু আত্মাৰ অমৰত্ব এই দুটা হ'ল ধৰ্মবিশ্বাসৰ মূল চৰ্ত। যিবোৰ ধৰ্মই এই দুটা কথাত বিশ্বাস নকৰে সেইবোৰৰ মূল কথা হ'ল আন্তৰিক পৱিত্ৰতা আৰু নৈতিকতা এই দুই ধৰণৰ বিশ্বাসতে সংৰক্ষিত হয়।

কিন্তু ধৰ্ম আগত নে নৈতিকতা আগত নাইবা ধৰ্মৰ কথা নভবাকৈয়ো নৈতিকতাৰ কথা ভাবিব পাৰিনে এই লৈ দাৰ্শনিকসকলৰ মাজত মতভেদ দেখা যায়। কিছুমানে কয় যে নৈতিকতাতকৈ ধৰ্ম আগত। তেওঁলোকৰ মতে ঈশ্বৰে যি আদেশ দিয়ে সিয়েই সত্য নাইবা শুদ্ধ। গতিকে দৈৱিক নিয়মেই নৈতিক মানদণ্ড। তেওঁ যিটো শুদ্ধ তাৰ বিধান দিয়ে, আৰু যিটো অশুদ্ধ তাক নিষেধ কৰে। শুদ্ধতাই ঈশ্বৰ গতিকে অশুদ্ধতা তেওঁৰ স্বৰূপৰ বাহিৰত। ইয়াৰ উপৰিও এটা কথা ক'ব পাৰি যে আমি কেতিয়াও নৈতিক বাধ্য বাধকতাৰ উৎস হ'ব নোৱাৰো। আমি ইচ্ছামতে এই বাধ্য বাধকতাবোৰ ত্যাগ কৰিব পাৰিলোহেঁতেন। আকৌ সমাজ বা ৰাষ্ট্ৰ নৈতিক বাধ্যবাধকতাৰ উৎস হ'ব নোৱাৰে কাৰণ ই আমাৰ সকলোৰে কামৰ প্ৰতি মনোযোগ দিব নোৱাৰে নাইবা আমাৰ উদ্দেশ্য আৰু অভিপ্ৰায়ৰ উমান পাব নোৱাৰে। সেইকাৰণে ঈশ্বৰ নৈতিক বাধ্যবাধকতাৰ উৎস হবই লাগিব, কিয়নো তেওঁহে আমাৰ ভিতৰুৱা কামনা আৰু কৰ্মবোৰৰ কথা জানিব পাৰে। সেয়েহে নৈতিকতাই ঈশ্বৰৰ অৰ্থাৎ ধৰ্মৰ সহায় বিচাৰে। গতিকে এই ক্ষেত্ৰত ধৰ্ম নৈতিকতাতকৈ আগবঢ়া। যদিও ধৰ্মক নৈতিকতাতকৈ আগবঢ়া বুলি কোৱা হয় কিন্তু উভয়ে উভয়ৰ ওপৰত নিৰ্ভৰশীল। ধৰ্ম হ'ল নৈতিকতাৰ আদৰ্শগত ভিত্তি আৰু নৈতিকতা হ'ল ধৰ্মৰ বাহ্য প্ৰকাশ। যি ক্ষেত্ৰত নৈতিকতাই সমাজৰ লগত ব্যক্তিৰ সম্বন্ধক গুৰুত্ব দিয়ে তেতিয়া ধৰ্মই গুৰুত্ব দিয়ে ঈশ্বৰৰ লগত ব্যক্তিৰ সম্বন্ধক। ই বিশেষকৈ মানুহৰ আনুভূতিক ভাবাবেগৰ লগত জড়িত। আকৌ নীতিশাস্ত্ৰ জড়িত ইচ্ছাক্ৰিয়াৰ লগত। অৱশ্যে মানুহৰ অনুভূতি আৰু ইচ্ছাৰ মাজত এটা যোগসূত্ৰ আছে। গতিকে নীতিশাস্ত্ৰ আৰু ধৰ্ম দৰ্শনৰ মাজতো যোগসূত্ৰ থাকিব লাগিব। সমাজ বিবৰ্তনৰ লগে লগে দেখা যায় যে নৈতিকতা আৰু ধৰ্ম দুয়োটাই এটা মুদ্ৰাৰ দুপিঠিৰ দৰে সেইকাৰণে বহু সময়ত ধৰ্ম আৰু নৈতিকতা বেলেগ কৰিবলৈ অসুবিধা হয়। এই দুয়োটাই মানৱ জীৱনৰ প্ৰমূল্য আৰু আধ্যাত্মিক সত্তাৰ লগত জড়িত। বহুতে অৱশ্যে মত প্ৰকাশ কৰে যে আদিম ধৰ্মৰ নৈতিকতাৰ লগত কোনো সম্পৰ্ক নাই। তেওঁলোকৰ মতে নৈতিকতা হ'ল শুদ্ধ আৰু অশুদ্ধতাৰ জ্ঞান। মানুহৰ বুদ্ধিৰ সম্পূৰ্ণ বিকাশৰ সময়তহে





ই সম্ভৱ হয়। আদিম ধৰ্ম যিহেতু আনুষ্ঠানিকতাতহে বৰ্তি আছিল সেয়েহে তাত নৈতিকতাৰ প্ৰশ্ন উত্থাপিত হোৱা নাছিল। উদাহৰণ স্বৰূপে, আফ্ৰিকাত এতিয়াও বহুতো জনজাতি আছে যিবোৰৰ ধৰ্ম বিশ্বাসত ঈশ্বৰৰ কোনো স্থান নাই নাইবা নৈতিকতাৰো কোনো জ্ঞান নাই। তেওঁলোকৰ ধৰ্মীয় অনুষ্ঠান সম্পূৰ্ণৰূপে যান্ত্ৰিক। ধৰ্মৰ নামত যিবোৰ কু-সংস্কাৰমূলক কামকাজ আৰু বিশ্বাস চলি থাকে সেইবোৰ অভ্যাসগতভাবে বৰ বেয়া কামৰ সংগী হৈ পৰা দেখা যায়।

কোনো এখন সভ্য সমাজত উচ্চখাপৰ নৈতিক ভাব বিৰাজ কৰিলেও ই ধৰ্মৰ ওপৰত নিৰ্ভৰশীল নহ'বও পাৰে। নৈতিক আদৰ্শ যদি স্বয়ং সম্পূৰ্ণ হয় তেনেহ'লে ধৰ্মৰ নিচিনা এটা কথা ইয়াৰ বাবে প্ৰয়োজন নহ'বও পাৰে। যদি নৈতিকতাক স্বয়ং সম্পূৰ্ণ নহয় বুলি ভাব হয় তেন্তে নামৰ এটা চাৰিসীমাৰ কথা ভাবিব পাৰি য'ত ই সম্পূৰ্ণতা লাভ কৰিব পাৰে। কিন্তু কেনেকুৱা ধৰ্মই নৈতিকতাৰ চাহিদা পূৰণ কৰিব পাৰিব সেইটো বিচাৰ্য বিষয়। নৈতিকতাৰ ভিত্তিত ৰচিত ধৰ্মই হয়তো নৈতিকতাৰ চাহিদা পূৰণ কৰিব পাৰে, কিন্তু অন্ধবিশ্বাসৰ ভিত্তিত প্ৰতিষ্ঠিত ধৰ্মই কেতিয়াও নৈতিক আদৰ্শৰ পূৰ্ণতা আনিব নোৱাৰে। নৈতিকতাৰ উদ্দেশ্য কেতিয়াও এক ধৰ্মীয় জীৱন-যাপন নহয়, এক ভাল জীৱন-যাপনহে। ধৰ্ম নোহোৱাকৈও যাতে মানুহ ভাল হ'ব পাৰে প্ৰকৃত নৈতিকতাই সেইটোহে বিচাৰে। ধৰ্মই মানুহৰ নৈতিক চাহিদা পূৰণ কৰিব পৰাহেঁতেন নীতিশাস্ত্ৰক বেলেগকৈ অধ্যয়ন কৰাৰ প্ৰয়োজন নহ'লহেঁতেন। আকৌ এইটোও বিচাৰ্য বিষয় যে যিসকল নাস্তিক, যি সকলে ঈশ্বৰক বিশ্বাস নকৰে তেওঁলোক বাৰু নৈতিক নহয় নেকি? আমি বহুত সময়তো দেখা পাওঁ যে ঈশ্বৰ বা ধৰ্ম নমনা কিছুমান ব্যক্তি নৈতিক ভাৱাপন্ন। বহুতো ব্যক্তি আছে যিয়ে দিনে নিশাই ঈশ্বৰ আৰাধনাত ব্যস্ত হৈ থাকে। কিন্তু আনৰ মংগল কামনা নকৰে আৰু সমাজত বেয়া কাম কৰে। গতিকে ইয়াৰ পৰা বুজিব পাৰি যে তেওঁলোকে আন্তৰিকতাৰে নৈতিকতাক গ্ৰহণ কৰিব পৰা নাই নাইবা বুজা নাই। দৰাচলতে এজন ব্যক্তি যেতিয়া নৈতিকভাবে ভাল হ'ব তেওঁকহে আমি ধাৰ্মিক বুলি ক'ব পাৰিম। কোনো এজন ব্যক্তি ধাৰ্মিক হোৱা মানে তেওঁক হিন্দু, মুছলমান, শিখ নাইবা খ্ৰীষ্টান হোৱা নুবুজায়, সৎ পথত চলাতোহে বুজায়। সমাজে নিৰ্দ্ধাৰণ কৰা সৎ পথেদি চলিলে নৈতিকভাবে ভাল হোৱাটো বুজায় আৰু ধাৰ্মিকো হোৱা দেখা যায়। এখন সমাজৰ ভৱিষ্যৎ নাগৰিকসকলে তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ পৰা বহুতো নীতিগত শিক্ষা পাব পাৰে আৰু আন্তৰিক অনুশীলনৰদ্বাৰা সেইবোৰৰ বিকাশ সাধন কৰিব পাৰে। এখন বিকাশমান সমাজত নৈতিকতাও প্ৰায়েই ওপৰৰ ফালে গৈ থকা দেখা

> মেকেচ্ছিয়ে কৈছে,
>
> "***Even if we knew that the whole human race would perish utterly within a few years, if would still seem to the right to try to promote their good in the mean time.***"

যায়। সমাজ কোনো এটা সময়ত সম্পূৰ্ণ ধ্বংস হৈ যোৱাৰ ভয় থাকিলেও নৈতিকতা একেবাৰে অৰ্থহীন হৈ নাযায়। এই সন্দৰ্ভত মেকেছিয়ে কৈছে যে, "Even if we knew that the whole human race would perish utterly within a few years, if would still seem to the right to try to promote their good in the mean time."

প্ৰকৃততে ধৰ্মমতে চলামানে নিজৰ স্বৰূপমতে চলাটোৱে বুজায়। পানীৰ ধৰ্ম যিদৰে বৈ যোৱা, জুইৰ ধৰ্ম যিদৰে পোৰা, ঠিক সেইদৰে মানুহৰো নিজৰ কৰণীয় আছে। সত্য কথা কোৱাটো মানুহৰ ধৰ্ম। চুৰ নকৰা, দয়া, মৰম, ভালপোৱা, আনক সহায় কৰা, লোকৰ দুখত দুখী হোৱা এইবোৰ মানৱ ধৰ্ম। এই ধৰ্মবোৰ পালন কৰা মানে নৈতিকভাৱে চলা। গতিকে এজন মানুহ নৈতিকভাৱে ভাল নহ'লে ধাৰ্মিক হ'ব নোৱাৰে। কিন্তু ধৰ্ম নোহোৱাকৈ নৈতিকতা সম্ভৱ। ঈশ্বৰৰ অস্তিত্ব নাইবা আল্লাৰ অমৰত্ব ধৰ্মীয় বিশ্বাস হ'লেও দাৰ্শনিক যুক্তিৰ দ্বাৰাও এই দুটা কথা প্ৰমাণ কৰিব পাৰি। গতিকে দেখা যায় আল্লা আৰু ঈশ্বৰৰ অস্তিত্ব নৈতিকতাৰ দুটা আৱশ্যকীয় পূৰ্বধাৰণা বুলি ধৰি ল'লে ধৰ্মৰ আৱশ্যক নাই। সকলো কৰ্মৰে ফল আপোনা-আপুনি ফলে। যিহেতু প্ৰত্যেক ক্ৰিয়াৰে প্ৰতিক্ৰিয়া আছে সেয়েহে কৰ্মৰো ফল আছে। আমি কৰা ভাল কামবোৰে সমাজক সমৃদ্ধ কৰিব আৰু আমি নিজেও উপকৃত হম। আনহাতে আমাৰ বেয়া কামে সমাজৰ উন্নতিত বাধা প্ৰদান কৰিব আৰু তেতিয়া আমিও শুভফল লাভ কৰিব নোৱাৰিম। ইয়াৰ পৰা এইটো নিশ্চিত হৈ পৰে যে ধৰ্মৰ কথা নভবাকৈও নৈতিকতাৰ কথা ভাবিব পাৰি।

❖❖❖❖❖

## কুইজ

ক) কোনখন দেশৰ ডাকটিকটত দেশখনৰ নাম উল্লেখ নাথাকে?

উ ঃ ইংলেণ্ড

খ) কোনখন দেশত সাগৰৰ তলেৰে ৰে'ল চলে?

উ ঃ জাপানত

গ) মানুহৰ শৰীৰ ডাঙৰ অংগৰ নাম কি?

উ ঃ যকৃত

ঘ) মানুহৰ আটাইতকৈ ডাঙৰ হাড়ডালৰ নাম কি?

উ ঃ হিউ মেৰাছ

ঙ) ক'লা ৰাজহাঁহ ক'ত পোৱা যায়?

উ ঃ পশ্চিম অষ্ট্ৰেলিয়াত

চ) কোন সাগৰৰ পানী সেউজীয়া?

উ ঃ উত্তৰ সাগৰৰ

ছ) কোন ঠাইত ভূমিকম্প বেছিকৈ হয়?

উ ঃ জাপানত, বছৰি গড়ে ৩৬৫ টা

জ) মাজৰাতি সূৰ্য উঠা দেশ কোনখন?

উ ঃ নৰৱে

*সংগ্ৰাহক ঃ মহঃ আচিফুৰ ৰহমান*
*একাদশ শ্ৰেণী*



# শিশু সমাজৰ ওমলাগীত আৰু নিচুকণি গীত

*শ্ৰী মনমি কাকতি*
*সহকাৰী অধ্যাপিকা, লোক-সংস্কৃতি বিভাগ*

লোক-সাহিত্যৰ ইতিহাসত লোকগীতে এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। অকল আনন্দদানৰ বাবেই, কৃষিজীৱী, গঞালোকৰ কৰ্মমুখী জীৱনৰ প্ৰতিফলক স্বৰূপেও ইয়াৰ মূল্য অপৰিসীম। বিষয়বস্তুৰ প্ৰতি লক্ষ্য কৰি পণ্ডিতসকলে লোকগীতক বিভিন্ন শ্ৰেণীত ভাগ কৰিছে। তেনে এটা শ্ৰেণী হ'ল ওমলা গীত আৰু নিচুকণি গীত।

অসমীয়া ভাষাত ৰচিত ওমলা গীত বুলি কলে সাধাৰণতে শিশুসকলক লৈ ৰচনা কৰা অৰ্থাৎ শিশু ওমলাবৰ বাবে ৰচা গীতসমূহকে বুজা যায়। এনে ধৰণে ৰচনা কৰা গীত অসমীয়া সাহিত্যত যথেষ্ঠ পৰিমাণে পোৱা যায়। এই গীতসমূহে অসমীয়া লোক-সাহিত্যৰ ভড়াল চহকী কৰিছে। ওমলা গীতে শিশুসকলক কেৱল আনন্দ প্ৰদান কৰাই নহয়, এই গীত সমূহে তেওঁলোকক বাস্তৱ জগতৰ বিভিন্ন বস্তুৰ লগত পৰিচয় কৰাই দিয়ে।

*"জোন বাই এ তৰা এটি দিয়া*
*এটি তৰা নালাগে দুটি তৰা দিয়া*
*পাত নাই চোত নাই কিহত কৈ দিম*
*হালধীয়া চৰায়ে বাওধান খায়*
*সাউদৰ পুতেকে নাও মেলি যায়*
*নাৰে বোলে টুলুং ভুটুং*
*বঠাই বোলে বাও*
*গধূলিতে গধূলিতে ডবা কোবাও।*

উপৰোক্ত ওমলা গীতটোয়ে জোনবাই, পথাৰত থকা ধান আৰু ধান খাবলৈ অহা চৰাই, নাও আৰু গধূলি সময়ত নামঘৰত বজোৱা ডবাৰ লগত কণমানি শিশুটিক পৰিচয় কৰাই দিয়ে।

ঠিক সেইদৰে ইংৰাজী ভাষাৰ এটা ওমলা গীত হ'ল-

*Twinkle Twinkle little star*
*How I wonder what you are*
*Up above the world so high*
*Like a Diamond in the sky.*

ইংৰাজী 'নাৰ্ছাৰী ৰাইম' (nursery rhyme) অক অসমীয়া ওমলা-গীত বা পদ বোলা হয়। 'নাৰ্ছাৰী ৰাইম' অভিধাটোৱে স্পষ্টভাৱে সূচনা কৰে যে এই গীতবোৰ শিশুৰ বাবেই ৰচিত।

সৰ্বকালৰ, সৰ্বদেশৰ শিশুৰ জগতখন একেই। শিশুৰ লগত সততে জড়িত হৈ থকা, শিশু মনৰ ভয়, বিস্ময় বুজি পোৱা মাক, ধাইমাক, আইতাক সকলে সকলো দেশতে শিশুক সুৰেৰে নিচুকায়। অসমৰ শিশুকো বিভিন্ন প্ৰহৰত ওমলাবৰ কাৰণে নিচুকাবৰ কাৰণে, টোপনি আনিবৰ কাৰণে মাক, ধাইমাক বা তেনেস্থানীয় লোক বা আইতাক সকলে মুখে মুখেই যিবোৰ শিশুৰ কাৰণে গীত গাই আহিছে সেইবোৰ অসমীয়া লোক কবিতাৰ এক উল্লেখযোগ্য নিদৰ্শন।

অসমীয়া ভাষাত ৰচিত নিচুকণি গীতো শিশুক শুৱাবলৈ, নিচুকাবলৈ বা টোপনি নিয়াবলৈ ব্যৱহাৰ কৰা আন এবিধ তেনে ধৰণৰ অকণিৰ গীত কিছুমান সমাজত শিশুৰ কাণৰ কাষত কোমল জুনুকাৰ দৰে শব্দ কৰা এবিধ ঘন্টা বজাই এইবোৰ গীত গোৱা হয়। এনেবোৰ গীত যেতিয়া গোৱা বা আবৃত্তি কৰা হয় তেতিয়া ইয়াৰ ছন্দোময় শব্দৰ গতি আৰু লয়ে শিশুক আনন্দ দিয়ে। ইয়াত অৰ্থৰ দিশটো একেবাৰে গৌণ সাঙ্গীতিক লয়ৰ এই শব্দৰ খেলা অতিশয় মধুৰ আৰু ই শিশুৰ কল্পনা শক্তিক সহজে আলোড়িত কৰে। নিচুকণি গীত এটাৰ সুৰ আৰু

ৰুনজুন ঘন্টা ধ্বনিয়ে শিশুৰ কাণ আৰু মনত যেন প্ৰশান্তিৰ সৃষ্টি কৰে। এটা অতি জনপ্ৰিয় নিচুকণি গীত হৈছে -

*“আমাৰে মইনা শুৱয়ে*
*বাৰীতে বগৰী ৰুবয়ে,*
*বাৰীৰে বগৰী পকি সৰি গলে*
*আমাৰে মইনাই বুটলি খাব।”*

অসমৰ জনজাতীয় সমাজতো নিচুকণি গীতৰ প্ৰচলন আছে। ডিমাছা সকলৰ এটি জনপ্ৰিয় নিচুকণি গীত হৈছে-

*জ্ব বাবাই মাজাংদাও,*
*সুমুখে খাসিনিক খাবাইবা ?*
*সুমুখে মুঠিলিক মুগংবা ?*
*ঠৈহিনি মুদিৰি লাইলাড়ি,*
*জ্ব বাবই গাজাওডাও।*

(অৰ্থঃ ‘বোপাই সোণমণি, কেলেইনো ফেকুৰি কান্দিছা? কেলেইনো চকুলো টুকিছা? শুই শুই টোপনি যোৱা সোণ।)

ডিমাছা সমাজত নিচুকণি গীতক ‘নানা ঠিলিকবা’ বুলি কোৱা হয়। এইখন সমাজত নিচুকণি গীতৰ সংখ্যা অলেখ। ইয়াত কেঁচুৱা লৰাৰ বাবে নিচুকণি গীত বেলেগ আকৌ ছোৱালীৰ বাবেও বেলেগ। আনকি প্ৰথম সন্তানটোৰ বাবে যি গীত গোৱা হয় দ্বিতীয় আৰু তৃতীয় সন্তানৰ বাবে সেই গীত বেলেগ হৈ পৰে।

আকৌ মিচিং সমাজত নিচুকণি গীতক ‘ক-নি:নাম’ বুলি কোৱা হয়। মিচিং সমাজত এই গীতসমূহ অতি জনপ্ৰিয়। মিচিং তিৰোতাই খেতি পথাৰলৈ যাওতে, মাছ মাৰিবলৈ যাওঁতে, খৰি লুৰিবলৈ যাওঁতে, কেঁচুৱা ৰাখিবলৈ “নৌবৃৎ ” - অৰ্থাৎ ধাই স্বৰূপা এগৰাকী চেমনীয়া ছোৱালী লগত নিয়ে। কেঁচুৱাই কান্দিলে এই ছোৱালীজনীয়ে ‘ক: নি: নাম’ গাই কেঁচুৱা নিচুকায়। তেনে এটি নিচুকনি গীত হ’ল -

*“অয়েউৰা কাপ্‌পয পীক্‌কউঔ দৌ: মা: দা*
*দী:দৃ দৃনং পৃ:য়েমনা কাব্‌লাংকা*
*ঙক্‌কীনা আয়উমী চে: কনা তীম্‌তনী*
*দীম্‌নৌ দীম্ দীম্‌য়ে কুনীনা।”*

(অৰ্থঃ “মোৰে মইনা নাকান্দিবা। কপৌ চৰাই উৰা নাই। উৰিলে কান্দিবা দেই। মোৰে মইনাক কোনেনো মাৰিলে।)

বৰ্তমান সময়ত ওমলা গীত আৰু নিচুকণি গীতৰ প্ৰচলন কমি আহিছে। বিশেষকৈ নিচুকনি গীতসমূহৰ প্ৰচলন প্ৰায় নোহোৱাই হৈছে। গাঁও অঞ্চলত দুই এক মাতৃ অথবা আইতাকৰ মুখত শুনিবলৈ পালেও চহৰ অঞ্চলত ইয়াৰ ব্যৱহাৰ প্ৰায় নায়েই। ওমলা গীতসমূহ কেৱল প্ৰাক্-প্ৰাথমিক বিদ্যালয় সমূহতে সীমাবদ্ধ। ইয়াৰ বাহিৰে এই গীতসমূহ আমি ঘৰুৱা জীৱনত শুনিবলৈ নাপাও। ঠিক তেনেদৰে নিচুকণি গীতসমূহো আমি আজিৰ মাতৃসকলৰমুখত শুনিবলৈ নাপাও। তেওঁলোকে তেনে গীতসমূহ ব্যৱহাৰ কৰি শিশুক শুৱাবলৈ নিবিচাৰে। ইয়াৰ প্ৰধান কাৰণ হৈছে অতিপাত যান্ত্ৰিকতাপূৰ্ণ জীৱন। বিশ্বায়নৰ প্ৰভাৱত আমাৰ পৃথিৱীখন এখন গাৱত পৰিণত হৈছে আৰু এই পৰিবৰ্তনৰ প্ৰভাৱ আমাৰ লোকসংস্কৃতিৰ ওপৰতো বাৰুকৈয়ে পৰিছে। সেয়ে সময়ৰ লগে লগে আমাৰ লোকগীতৰ অংগ ওমলা গীত আৰু নিচুকণি গীত সমূহ লুপ্ত হবলৈ ধৰিছে। যদি আমি সকলোৱে কিছু সচেতন হও তেনেহলে এই গীত সমূহ জীয়াই ৰাখিব পাৰিম। ইলেকট্ৰনিক মাধ্যমৰ জৰিয়তে হওক বা এই গীতসমূহ ব্যৱহাৰৰ দ্বাৰাই হওক আমি সংৰক্ষণ কৰাৰ সময় আহি পৰিছে।

***সহায়ক গ্ৰন্থঃ***


*১। বৰুৱা ড° প্ৰহ্লাদ কুমাৰ - অসমীয়া লোকসাহিত্য।*
*২। ভৃগুমুনি- মিচিং সংস্কৃতিৰ আলেখ্য।*
*৩। দাস ড° নাৰায়ন- অসমৰ সংস্কৃতিৰ কণিকা।*
*৪। গগৈ ড° লীলা - অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা।*
*৫। ভট্টাচাৰ্য্য ড° বসন্ত কুমাৰ - অসমীয়া লোকগীত সমীক্ষা*
*৬। বৰদলৈ ড° নিৰ্মল প্ৰভা - অসমৰ লোক কবিতা*
*৭। বৰুৱা নগেন্দ্ৰনাথ - ডিমাচা সকলৰ গীত-মাত।*


◆◆◆◆◆



# অসমীয়া সাংস্কৃতিক দিশৰ ওপৰত পাশ্চাত্যৰ পয়োভৰ

*শ্ৰীঅংশুমান তালুকদাৰ*
*স্নাতক দ্বিতীয় বৰ্ষ*

সংস্কৃতিৰ কথা ক’বলৈ গ’লে পোন প্ৰথমতে সংগীতৰ কথা ক’বই লাগিব। সংগীতৰ জগতখনৰ পৰিসৰ অতি বিশাল। এই বিশাল ক্ষেত্ৰখনত ধাৰাবাহিকভাৱে শ্ৰোতাৰ প্ৰিয়ভাজন হৈ থকাটো অতি কঠিন কাম। বৰ্তমান সংগীতৰ জগতখনৰ শিল্পীসকলৰ দিক্‌নিৰ্ণয়কাৰী হ’ল আমাৰ যুৱ প্ৰজন্ম। শেহতীয়াভাৱে (ভাৰতৰ) অসমৰ সংগীত জগতত নবীন শিল্পীৰ আত্মপ্ৰকাশৰ জোঁৱাৰ উঠিছে। তাৰ ভিতৰত এগৰাকী অন্যতম শিল্পী হ’ল অসমৰ সু-সন্তান তথা অসম গৌৰৱ জুবিন গাৰ্গ।

গান লেখিলেই গান নহয়। সকলো সময়ত ভাল মাতেৰেই গায়ক নহয়।

“সংগীত, বি (সং উপসৰ্গ + গীত, গান) গীত গান” সমম্বা সং মানে লগত, আৰু গীত অৰ্থে গান। (হেমকোষ) ই ইয়াকে সূচাইছে যে, গানৰ লগত নৃত্য আৰু বাদন লৈয়েই সংগীত। শঙ্কৰদেৱে কৈছে, “গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সংগীত মুচ্যতে”। (সংগীত ৰত্নাকৰ) অৰ্থাৎ, গীত, বাদ্য আৰু নৃত্য এই তিনিওটি কলাৰ সমাবেশেই হৈছে সংগীত।

পণ্ডিত বিষুওনাৰায়ণ ভাতখাণ্ডে মহোদয়ে কৈছে— “ভাৰতবাসীৰ মনত কণ্ঠ-সংগীত, বাদ্য-সংগীত আৰু নৃত্য— এই তিনিওটি বিষয় পৰস্পৰ এনে ওতঃপ্ৰোতভাৱে যুক্ত যে, প্ৰাচীন গ্ৰন্থকাৰ সকলে এই তিনিওটি বিষয়ক অৱগত কৰিবলৈ কেৱল মাত্ৰ ‘সংগীত’ শব্দকেই ব্যৱহাৰ কৰিছিল।

“সাহিত্যঞ্চ সংগীতঞ্চ সৰস্বত্যাঃ কুচযুগলং”— সাহিত্য আৰু সংগীত কেৱল বিদ্যা দেৱীৰ স্তনযুগল মাত্ৰ। সাহিত্যই এই দ্বিতীয় আৰ্ট সংগীতৰ নামমাত্ৰ সহায় হৈ ভাৱৰ বিকাশ প্ৰাৰ্থনাৰ সমিধান দিয়ে।

অসমীয়া সংস্কৃতি বুলিলে ঠেক অৰ্থত প্ৰকাশ কৰাটো অতিকে কঠিন। অসমখন নানা ধৰণৰ জাতি-জনগোষ্ঠীৰ লগতে বিভিন্ন ধৰণৰ ধৰ্ম-বৰ্ণ-সম্প্ৰদায়ৰ লোকৰ সহৱস্থানত পৰিণত হৈছে। লগে লগে এই জাতিগোষ্ঠীৰ মাজত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানে পোহাৰ মেলিছে। তাৰ ভিতৰত অতিকে আপোন, অতিকে মৰমৰ অতিকে সাদৰৰ অসমীয়াৰ প্ৰিয় উৎসৱ বিহু। বিহু বুলি ক’লে, উজনি অসমৰ কথা ক’বই লাগিব। বিহু উৎসৱ প্ৰধানকৈ নামনি অসমতকৈ উজনি অসমত বেছি প্ৰচলিত বুলি ক’লেও ভুল কোৱা নহয়। বিহু উৎসৱ প্ৰধানকৈ তিনিটা। ব’হাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু আৰু মাঘ বিহু বা ভোগালী বিহু। এই তিনিওটা বিহুৰে ন ন বৈশিষ্ট্য আছে যেনে— ব’হাগ বিহুত গো-সেৱা, কাতি বিহুত তুলসী-সেৱা আৰু মাঘ বিহুত অগ্নি সেৱা।

এই বিহু উৎসৱবোৰত পাশ্চাত্য বা পশ্চিমীয়া সভ্যতাৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছে। বিহুৰ ভিতৰত বহাগ বিহুক আগত ৰাখিব পাৰো। বহাগ বিহুক ৰঙালী বিহু আখ্যা দিয়া হৈছে। কাৰণ অইন দুটি বিহুৰ লগত বহাগ বিহুৰ পালন কৰা কাৰ্যক্ৰমণিকাবোৰ অলপ বেলেগ বেলেগ যেন দেখিবলৈ পোৱা যায়।

বিহু উদ্‌যাপনৰ নামত প্ৰতি বছৰে লাখ লাখ টকা ব্যয় কৰা দেখা যায়। এই কথা শাৰীত অসমীয়া ফকৰা যোজনা এটি দিব পাৰি “বাহিৰে ৰংচং ভিতৰি কোৱা ভাতুৰী”। এতিয়াও সমাজত এনেকুৱা মানুহ দেখা যায় যিবিলাকে এসাজ খাই আন এসাজৰ কাৰণে চিন্তা কৰিবলগীয়া হয়। ইয়াত ক’ব লাগিব যে বিহু উদযাপন কৰা, উদযাপন নকৰিবলৈ কোৱা নাই, সামৰ্থ

> “ গান লেখিলেই গান নহয়।
> সকলো সময়ত ভাল মাতেৰেই গায়ক নহয়। ”

অনুযায়ীহে।

ইয়াত আন এটি কথা উনুকিয়াব খুজিছো যে, বিহুৰ সাংস্কৃতিক অনুষ্ঠান উদ্‌যাপন কৰি বিহু মঞ্চৰ কাৰণে বহুতে আমন্ত্ৰিত শিল্পী নাইবা কলা, কৌশলী বাহিৰা ৰাজ্যৰ পৰা অনা দেখা যায়। এই অনুষ্ঠানবোৰ ৰাতি যিমানে দুপৰলৈ গৈ থাকে, ইয়াৰ মাদকতাও সিমানে বৃদ্ধি হৈ গৈয়ে থাকে। এই অনুষ্ঠানবোৰত বেছিকৈ প্ৰচলিত গীত, বাদ্যৰ কথাই ক'ব লাগিব। শব্দ প্ৰযুক্তিৰ বাবে ডাঙৰ ডাঙৰ শব্দৰ আহিলা যেনে— মাইক্ৰ'ফোন অত্যাধুনিক স্পীকাৰ বক্স আদিৰ কথা ক'ব লাগিব। যিবোৰ আহিলাৰ প্ৰতিক্ৰিয়া শ শ কিল'মিটাৰ দূৰলৈ বিয়পি পৰে। এই শব্দবোৰে শব্দ প্ৰদূষণৰ দৰে কিছুমান প্ৰদূষণ কৰি আহিছে।

এই অনুষ্ঠানবোৰত ব্যৱহাৰ হোৱা নানা ধৰণৰ বাদ্যযন্ত্ৰবোৰ শিল্পীসকলে দৰ্শকক আমোদ দিয়াৰ বাবে ব্যৱহাৰ কৰা দেখা যায়। সেই বাদ্যযন্ত্ৰবোৰৰ ভিতৰত বৈদ্যুতিক গীটাৰ, বৈদ্যুতিক পেড, বৈদ্যুতিক কেচিঅ' আৰু বৈদ্যুতিক ড্ৰামছেট আদিৰ কথা ক'ব লাগিব। এইবোৰৰ ব্যৱহাৰে দৰ্শকৰ মনত আনন্দ দিয়া দেখা যায়।

ওপৰৰ উদাহৰণ দুটিৰ পৰা প্ৰধানকৈ ক'ব পৰা যায় যে, এইবোৰ সকলো পাশ্চাত্য সভ্যতাৰ একো একোটি অৱদান।

আমাৰ অসমীয়া জাতিৰ সাংস্কৃতিক দিশটো বাৰু ইমান পিছপৰা নে? কিয়নো সেই মহাপুৰুষসকলে ৰচনা কৰা বৰগীতৰ কথা ক'বলৈ গৈছো। পাশ্চাত্য জীৱনশৈলী পৰিহাৰ কৰি সকলোৱে মিলিজুলি গীতবোৰ বাণীবদ্ধ কৰাৰ লগতে যিবোৰ অসমীয়া জাতিৰ হাড়ে হিমজুৰে লাগি থকা গীত যেনে— কামৰূপী লোকগীত, গোৱালপৰীয়া লোকগীত, চাহ বাগানীয়া গীত ইত্যাদিৰ লগতে বিভিন্ন ভাষা বড়ো কছাৰী, গাৰো, কাৰ্বি, মিৰি, মিচিং আদি লোকৰো কিছুমান গীতমাত সুপ্ত অৱস্থাত আছে। যিবোৰৰ কথা শিল্পীৰ লগতে শ্ৰোতা অথবা দৰ্শক কোনোৱেই মনেই নেমেলে।

এইবোৰ অসমীয়া সংস্কৃতিৰ কিছুমান অৱদান বুলি ক'লেও ভুল নহ'ব। ওপৰত উল্লেখ কৰা গীত মাতবোৰৰ লগত সঙ্গত কৰিব পৰা আৰু আমাৰ অসমত সৃষ্টি কৰিব পৰা কিছুমান বাদ্যযন্ত্ৰৰ ভিতৰত যেনে— ঢোকাৰী, দোতৰা, বাঁহী, শিঙা, কালি, হাৰমোনিয়াম, তবলা, পেঁপা, গগণা, ঢোল, খোল, নানা বিধ তাল আদি উল্লেখযোগ্য। আমাৰ এইবোৰ বাদ্যযন্ত্ৰ গীত মাতবোৰৰ লগত সহজতে সংগত কৰিব পৰা যাব আৰু এইবোৰৰ পৰা কোনো প্ৰদূষণো নহয় বা হ'লেও ৰোধ কৰিব পৰা যাব। অসমীয়া জাতি, জন-জাতিবোৰে পাশ্চাত্য সাংস্কৃতিক বাদ্যযন্ত্ৰৰ পৰা শিল্পীলৈকে কোনো বস্তুৰ কাৰণে হাত পাতিব লগা নহয়।

সাংস্কৃতিক অনুষ্ঠান বুলি ক'লে আজিকালি মাদকদ্ৰব্যৰ কথা ক'বই লাগিব। সৰু সৰু বা ডাঙৰ অনুষ্ঠানেই হওঁক মাদকদ্ৰব্যৰ কথা সৰ্বজনবিদিত। সাংস্কৃতিক অনুষ্ঠান বুলি ক'লে অনুষ্ঠান পৰিচালনা কমিটিবোৰে সামৰিক বাহিনীৰ সহায় ল'বই লাগিব, নহ'লেই নহয়। এই অনুষ্ঠানবোৰৰ কথা ক'বলৈ গ'লে হাই-কাজিয়াবোৰক আগস্থান দিব লাগিব। যুৱ প্ৰজন্মৰ ক্ষেত্ৰত এইবোৰ সঘনে দেখিবলৈ পোৱা যায়।

এইটোও এটা পাশ্চাত্য (পশ্চিমীয়া) দিশৰ কু-প্ৰভাৱ বুলি ক'লে ভুল কোৱা নহয়।

সেয়েহে অসমীয়া জাতিৰ প্ৰতিগৰাকী ব্যক্তিয়েই যিমান দূৰ সম্ভৱ পাশ্চাত্য দিশৰ পৰা আঁতৰি থকাটোৱেই শ্ৰেয়।

❖❖❖❖❖



# বৰ্তমান সমাজত নাৰীৰ স্থান

*নিজৰা তালুকদাৰ*
*স্নাতক তৃতীয় বৰ্ষ*



পৃথিৱীৰ প্ৰতিটো কাম নিয়াৰিকৈ কৰিব পৰা ক্ষমতা থকা এটাই শ্ৰেণী আছে, সেইয়া হ'ল অদৃশ্য শক্তিৰ অপূৰ্ব সৃষ্টি নাৰী। নাৰীৰ একাকীত্ব খোজেৰে উদ্ভাসিত হয় পৃথিৱী। নাৰী এখন বন্ধ কিতাপ। ইয়াৰ ৰহস্যৰ প্ৰতিটো পৃষ্ঠাৰ প্ৰতি শাৰীৰ আঁৰতে লুকাই থাকে সৃষ্টিৰ আৱেশত বন্দী প্ৰতিজন সুহৃদ পাঠক। নাৰীৰ প্ৰতি উশাহতে থাকে আকুল এটি লয়লাস। নাৰীয়ে অকপটে নিজ জীৱন বিপন্ন কৰিও যুদ্ধৰ আটাইতকৈ তেজী ঘোঁৰাটোত আৰোহণ কৰিবও জানে। নাৰী এক স্ব-সুন্দৰ প্ৰপাতৰ জীৱন বীণৰ সুৰ। নাৰী এক বিনন্দীয়া সৃষ্টি ভগৱানৰ।

আচৰিত হ'ব লগা একো নাই। নাৰীয়েই কৃষিৰ উদ্ভাৱন কৰিছিল আৰু পশুপালন পদ্ধতিও নাৰীয়েই আৱিস্কাৰ কৰিছিল। প্ৰাচীন সমাজে নাৰীক শ্ৰদ্ধাৰে সন্মানৰ আসনত বহুৱাইছিল। কিন্তু সমাজত ব্যক্তিগত সম্পত্তিৰ উত্তৰণৰ লগে লগে শ্ৰম বিভাজন হ'ল আৰু ইয়াৰ পিছৰে পৰা নাৰীৰ স্থান অৱনমিত হ'বলৈ ধৰিলে। ফলত সেই নাৰীগৰকীয়েই হৈ পৰিল শোৱনি কোঠাৰ বন্দী। নাৰীয়ে হেৰুৱালে তেওঁৰ নিজস্ব স্বাধীনতা আৰু অধিকাৰ। তেতিয়াৰে পৰা আজিলৈকে বহু হেজাৰ বছৰৰ পিছতো সমাজত শতকৰা আশীভাগ নাৰী আজিও পাকঘৰ আৰু শোৱনি কোঠাৰ চাবিবেৰ ভাঙি ওলাই আহিব পৰা নাই। সেৱাৰ নামত ভাৰতীয় বা অসমীয়া সমাজ ব্যৱস্থাত নাৰী একো একোগৰাকী দাসীলৈ ৰূপান্তৰিত হৈছে। সেয়ে আমাৰ পুৰুষ প্ৰধান সমাজব্যৱস্থাত নাৰীৰ অন্য একনাম হ'ল সেৱিকা, গৃহিণী ইত্যাদি। পুৱা শুই উঠি ঢাৰি-পাটি এৰাৰ পৰা ঘৰসৰা, ভাতৰন্ধা আদি ঘৰুৱা কাম কৰাৰ পৰা আৰম্ভ কৰি সন্তান গৰ্ভত ধাৰণ কৰি জন্ম দি পালন-পোষণ কৰালৈকে, শাহু-শহুৰৰ সেৱা শুশ্ৰূষা কৰাৰ পৰা আদি কৰি স্বামীৰ ভৰিৰ তলত স্বৰ্গ এই কথা মনত ৰাখি স্বামীৰ সকলোধৰণৰ শাৰীৰিক আৰু মানসিক অত্যাচাৰ নাৰীয়ে নীৰৱে সহ্য কৰি আহিছে।

আজিৰ পৰা তিনি দশক আগলৈকে নাৰীক অবলা, আনৰ সম্পদ, পাতৰ তলৰ লাও আদি উপমাৰে জনা গৈছিল। কিন্তু আধুনিক নাৰী তাৰ ব্যতিক্ৰম। আধুনিক নাৰীয়ে নিজৰ সৌন্দৰ্য্য আৰু মস্তিস্ক ব্যৱহাৰ কৰি পুৰুষ প্ৰধান সমাজত নিজৰ সবল উপস্থিতি ঘোষণা কৰিছে। আজি লিখা-পঢ়াৰ পৰা আৰম্ভ কৰি খেলা-ধুলা, আকাশ মাৰ্গত বিমান চলোৱা, পৰ্বত আৰোহণ কৰা আদি সকলো কামতে পুৰুষৰ সমানে খোজ মিলাইছে নাৰীয়ে।

নাৰীৰ উন্নতি বা অৱনতিৰ ওপৰতেই ৰাষ্ট্ৰৰ উন্নতি বা অৱনতি নিৰ্ভৰ কৰে। আজিৰ নাৰীয়ে প্ৰত্যেক ক্ষেত্ৰতেই

নিজৰ সাফল্যৰ ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে। পূৰ্বতে অকল পুৰুষৰ দুৰ্গ আছিল ৰাজনীতিৰ ক্ষেত্ৰ। কিন্তু আজি নাৰীয়ে পুৰুষক এই ক্ষেত্ৰখনতো প্ৰত্যহ্বান জনাব পৰা হৈছে। আনকি আমাৰ দেশৰ কেইবাখনো ৰাজ্যত সফলভাৱে চৰকাৰ পৰিচালনা কৰাৰ উপৰিও বৰ্তমানৰ ৰাষ্ট্ৰপতিগৰাকীও হ'ল মহিলা। সৰোজিনী নাইডু, সুচেতা কৃপালিনী, কনকলতা, পুষ্পলতা দাস আদিৰ দৰে বিশাল ব্যক্তিত্বৰ মহিলাই স্বাধীনতাৰ যুঁজৰ সময়তেই ৰাজনীতিৰ পথাৰত ভৰি দি এই ক্ষেত্ৰখনত নিজৰ সাফল্যৰ ধ্বজা উৰুৱাইছিল। দেশৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধীয়েও নিজৰ বুদ্ধিমত্তাৰ বলতেই সফলভাৱে দেশ শাসন কৰিব পাৰিছিল। বৰ্তমানৰ ভাৰতীয় জাতীয় কংগ্ৰেছ (ই) দলৰ অধ্যক্ষা ছোনিয়া গান্ধীয়ে প্ৰধান মন্ত্ৰীৰ পদবী গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰি যি সাহসী পদক্ষেপ ল'লে সেয়াও তেওঁৰ বুদ্ধিমত্তাৰে পৰিচায়ক। জয়া ললিতা, শ্বাবানা আজমী, সুমিত্ৰা মহাজনে, ডাঃ অনিতা আৰ্য্য, অম্বিকা ছোনি, বসুন্ধৰা ৰাজে সিন্ধিয়া, মেনকা গান্ধী, বৃন্দা কাৰাট আদি মহিলাসকলে আজি ৰাষ্ট্ৰীয় ৰাজনীতিত বিশেষ স্থান দখল কৰিছে। অসমৰ ৰাজনীতিটো সম্প্ৰতি প্ৰণতি ফুকন, অজন্তা নেওগ, ড° মলয়া বৰ্মন, জয়শ্ৰী গোস্বামী মহন্ত আদি নেত্ৰীৰ প্ৰাধান্য মন কৰিবলগীয়া। ভাৰতীয় তথা অসমীয়া নাৰীয়ে আজি ৰাজনীতিত আলোড়নৰ সৃষ্টি কৰিছে।

> **আজিৰ পৰা তিনি দশক আগলৈকে নাৰীক অবলা, আনৰ সম্পদ, পাতৰ তলৰ লাও আদি উপমাৰে জনা গৈছিল। কিন্তু আধুনিক নাৰী তাৰ ব্যতিক্ৰম। আধুনিক নাৰীয়ে নিজৰ সৌন্দৰ্য্য আৰু মস্তিস্ক ব্যৱহাৰ কৰি পুৰুষ প্ৰধান সমাজত নিজৰ সবল উপস্থিতি ঘোষণা কৰিছে। আজি লিখা-পঢ়াৰ পৰা আৰম্ভ কৰি খেলা-ধুলা, আকাশ মাৰ্গত বিমান চলোৱা, বৰ্বত আৰোহণ কৰা আদি সকলো কামতে পুৰুষৰ সমানে খোজ মিলাইছে নাৰীয়ে।**

ভাৰতীয় নাৰী আজি মহাকাশ ভ্ৰমণতো পাকৈত। মহাকাশ ভ্ৰমণ সামৰি ভূ-পৃষ্ঠলৈ উভতি আহোঁতে শূন্যতে 'কলম্বিয়া' নামৰ যানখন বিস্ফোৰিত হৈ ভাৰত কন্যা কল্পনা চাওলাৰ ২০০৩ চনৰ ১ ফেব্ৰুৱাৰীত মৃত্যু ঘটিছিল। সেই কল্পনাৰ পথেৰেই খোজ দি অলপতে মহাকাশৰ পৰা উভতি আহিল অন্য এগৰাকী ভাৰতীয় নাৰী সুনিতা লিণ উইলিয়ামছ।

সাহিত্য ক্ষেত্ৰখনতো এসময়ত পুৰুষৰহে আধিপত্য আছিল। কিন্তু সেয়া আজি অতীত। মহাদেৱা বাৰ্মা, মহাশ্বেতা দেৱী, অমৃতা প্ৰীতম, অৰুন্ধতী ৰায়, শোভা ডে, ইন্দু জৈন, চিত্ৰা মুদগল, মৈত্ৰেয়ী গাৰ্গ আদি নাৰীয়ে ইতিমধ্যে প্ৰমাণ কৰি দিছে যে নাৰীয়েও সুন্দৰ সাহিত্যৰ সৃষ্টি কৰিব পাৰে। বুদ্ধিমত্তাৰ সুন্দৰ নিদৰ্শন অৰুন্ধতী ৰায়ে তেওঁৰ প্ৰথম উপন্যাস 'The God of small thing'ৰ বাবে ১৯৯৭ চনত সন্মানীয় বুকাৰ বঁটা লাভ কৰে। আনহাতে ২০০৬ চনত একে বঁটাকে অৰ্জন কৰিছে লেখিকা কিৰণ দেশায়ে তেওঁৰ 'দি হেৰিটেজ অৱ লছ' নামৰ উপন্যাসৰ বাবে। ঠিক তেনেদৰে অসমীয়া সাহিত্যতো মহিলা লেখিকা মামনি ৰয়ছম গোস্বামী, অনুৰাধা শৰ্মা





পূজাৰী, ৰীতা চৌধুৰী আদিয়ে তেওঁলোকৰ লিখনিৰ দ্বাৰা সৃষ্টি কৰা আলোড়ন মন কৰিবলগীয়া। মামনি ৰয়চম গোস্বামীয়ে উপন্যাস ৰচনাৰে অসমৰ তথা সমগ্ৰ ভাৰতবৰ্ষৰে পাঠক সমাজক আকৰ্ষিত কৰিছে আৰু অসমীয়া সাহিত্যলৈ দ্বিতীয়টো জ্ঞানপীঠ বঁটা কঢ়িয়াই অনাৰ গৌৰৱ কঢ়িয়াই আনিছে।

সকলো কথা আৰু কামৰ যেনেকৈ যোগাত্মক আৰু বিয়োগাত্মক দিশ দুটা থাকে, ঠিক তেনেদৰে পুৰুষ-নাৰী উভয়ৰে দুয়োটা দিশ বিচাৰ কৰি চোৱাটো উচিত। কিন্তু তাকে নকৰি যেতিয়া এজনী নাৰীক অবলা বা ডাইনী সাজিবলৈ উঠি পৰি লগা হয়, তেতিয়াই কোনো এটা ঘটনাৰ সূত্ৰপাত ঘটে। এজনী বিবাহিত মহিলাই শহুৰ-শাহু, ননদ, দেওৰ আনকি স্বামীৰ পৰাও কেতিয়াবা অপমানিত হয়। কাৰণ হ'ল যৌতুক। যৌতুক প্ৰথা বহুদিন আগতেই নিষিদ্ধ কৰা হৈছে যদিও প্ৰতিদিনে ভাৰতত আনকি অসমতো যৌতুকৰ বাবে বহুতো বোৱাৰী হত্যা কৰা হয়। বহুতো কন্যাদায়গ্ৰস্ত পিতৃ-মাতৃয়ে অৱস্থাৰ তাড়নাত পৰি উপযুক্ত কন্যাৰ বিবাহ সম্পন্ন কৰিব নোৱাৰে। দৰাপক্ষৰ মূল্যৱান সম্পত্তি বা বস্তু দাবী কৰাৰ ফলত আমাৰ দেশৰ কোনো কোনো ঠাইত বহুতো দুখীয়া পৰিয়াল সৰ্বশ্ৰান্ত হোৱাও দেখা যায়। কেতিয়াবা নিৰপৰাধী কম বয়সীয়া ছোৱালীয়ে যৌতুকৰ নামত লাঞ্ছিতা হৈ মৃত্যু পৰ্যন্ত বৰণ কৰিবলগীয়া হয়। ইয়াৰে কিছুমান ঘটনা পোহৰলৈ আহে, আদালতলৈ যায় যদিও বেছি সংখ্যক ঘটনাই দুৰ্ঘটনা হিচাপে আইনৰ গণ্ডীৰ বাহিৰত ৰৈ যায়। কেতিয়াবা নাৰীগৰাকীৰ পৰিয়ালবৰ্গ দৰিদ্ৰ হোৱাৰ বাবে ক্ষমতাশালী অপৰাধীক সামাজিক অপবাদৰ ভয়ত বহুতে প্ৰতিবাদ কৰিবলৈ সাহস নকৰে। ফলত নাৰীৰ বিৰুদ্ধে সংঘটিত হোৱা বিভিন্ন অপৰাধৰ সংখ্যা দিনে দিনে বাঢ়ি গৈ আছে। নাৰী ধৰ্ষণ, বলাৎকাৰ, ডাইনী হত্যা, অপহৰণ, যৌতুকৰ বাবে হত্যা, গণিকা বৃত্তিত নিযুক্তি আৰু নাৰীৰ বিৰুদ্ধে অলিয়ে-গলিয়ে অশ্লীল অংগী-ভংগী কৰা ইত্যাদি এশ এবুৰি অপৰাধ আমাৰ সমাজত দিনে নিশাই ঘটিব ধৰিছে। এতিয়া প্ৰশ্ন হ'ল নাৰীৰ অস্তিত্ব সদায় এনেকৈয়ে থাকিবনে? নাৰীয়ে সদায় কান্দিব লাগিব নেকি? হয়তো এনে এশ এবুৰি প্ৰশ্ন আমাৰ জিভাৰ আগতে থাকি যায় যাক প্ৰকাশ কৰিবলৈ কুণ্ঠাবোধ কৰো। কিন্তু কিয়? এয়া কেৱল নাৰীৰ ক্ষেত্ৰতে কিয়? এজনী ছোৱালী ঘৰৰ বাহিৰত থাকিলে কি কৰিছে, ক'ত আছে তাক নজনাকৈ বেয়া চকুৰে চাবলৈ আৰম্ভ কৰে। কিন্তু এজন পুৰুষৰ ক্ষেত্ৰত এইবোৰ দেখা নাযায়। কাৰণ এজন পুৰুষৰ ফুৰা-চকা কৰা জন্মগত অধিকাৰ আৰু নাৰীৰ...? আজিৰ পৰিৱৰ্তনশীল সমাজত সকলো সলনি হৈছে কিন্তু মানুহৰ ভাৱ-ধাৰণা আজিও একে আছে কেৱল নাৰীৰ ক্ষেত্ৰত। সমাজৰ বাধাবোৰ নেওচি আগবঢ়া নাৰীৰ সংখ্যা আঙুলিৰ মুৰত গণিব পৰা। এজনী নাৰী তেতিয়াহে সফল হ'ব যেতিয়া সমাজত নাৰীৰ প্ৰতি থকা চিন্তাধাৰা সলনি হ'ব। আমাৰ ৰাষ্ট্ৰপতিগৰাকী মহিলা হ'ল বুলিয়ে যে আমাৰ নাৰীসকলৰ স্থান উন্নত হৈছে তেনে নহয়। আমি তেতিয়াহে এখন ৰাষ্ট্ৰৰ নাৰীৰ মান উন্নত হোৱা বুলি ক'ব পাৰিম যেতিয়া নাৰীসকল সৱলীকৰণ হোৱাৰে পৰা আৰম্ভ কৰি নিজৰ নিজৰ স্বাধীনতা আৰু অধিকাৰবোৰ ভোগ কৰিব পাৰিব। এতিয়া মহিলা সকলে সংকল্পবদ্ধ হৈ প্ৰতিবাদ কৰাৰ ক্ষণ উপস্থিত হৈছে। লগতে আইনে প্ৰদান কৰা বিভিন্ন সুৰক্ষাৰ বিষয়েও মহিলাসকলে জানি লোৱাটো প্ৰয়োজনীয় হৈ পৰিছে। ইয়াৰ বাবে দেশৰ প্ৰতিগৰাকী নাৰীয়ে সমাজৰ প্ৰতি সচেতন, আত্মসচেতন আৰু শিক্ষিত হোৱাটো অতি প্ৰয়োজন।

❖❖❖❖❖

# সংকটৰ গৰাহত অসম আৰু অসমীয়া

মঃ ছাদ্দাম হুছেইন
স্নাতক প্ৰথম বাৰ্ষিক

আজি আমাৰ সপোনৰ সোণৰ অসম বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত। ভূতৰ ওপৰত দানহ পৰা দি এটা সমস্যাৰ সমাধান নৌহওঁতেই আন বহুকেইটা সমস্যাৰ সৃষ্টি হয়। এফালে বাংলাদেশীৰ অসম দখলৰ লক্ষ্যৰে নীৰৱ ঘাতক ভূমিকাৰে তীব্ৰ অগ্ৰসৰ, আনফালে সন্ত্ৰাসবাদীৰ আক্ৰমণ। ইয়াৰ বিপৰীতে এচামে মেলে-মিটিঙে ডাঙৰ ডাঙৰ ভাষণ, বাতৰি কাকত তথা ইলেকট্ৰনিক মিডিয়াত নিজকে শিৰোনামাত অংকন কৰিবলৈ বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ, ৰাজনীতি ভোটবেংকৰ অংকত ব্যস্ত। যি 'আই'ৰ গৰ্ভত জন্মলৈ এদিন সেই 'কোলাতে চকু মুদিব লাগিব' অথচ এই আইৰ অধিকৰ্তা হ'বলৈ বিদেশীয়ে অহৰহ চেষ্টা চলাই আছে, কিন্তু আইক উদ্ধাৰৰ বাবে বলিষ্ঠ বাস্তৱমুখী পদক্ষেপ লোৱাৰ বিপৰীতে আমি সকলো ব্যস্ত নিজৰ স্বাৰ্থকলৈ। এই অৱস্থা অপৰিৱৰ্তিত হৈ থাকিলে এদিন আমি বিদেশীৰ ওচৰত আঠু লবলগীয়া পৰিস্থিতিৰ সৃষ্টি হ'ব। চৰকাৰী মাটি, ৰিজাৰ্ভ ফৰেষ্ট, গ্ৰেজিং ফৰেষ্ট আদিবোৰ মুকলি কৰি দিয়াৰ পাছতো এফালৰ পৰা অসমীয়াৰ খেতি মাটি, গাঁওবোৰ দখল কৰি ভূমিপুত্ৰসকলক খেদি দি সাৰুৱা উৰ্বৰ সমতল ভূমিবোৰ দখল কৰি লৈছিল। আজিলৈ বৰ্তি থকা এই প্ৰব্ৰজন বাংলাদেশৰ এক পৰিকল্পিত আক্ৰমণ নীৰৱ ভূমিকাৰে ইয়াৰ এক স্পষ্ট প্ৰমাণ শ্বেখ মুজিবুৰ ৰহমানৰ গ্ৰন্থত পোৱা যায়। "Eastern Pakistan : Its Population and Economics"ত লিখিছে— Because Eastern Pakistan must have sufficient land for its expansion and because Assam has abundant forests and mineral resource, coal, petroleum etc. Eastern Pakistan must include Assam to be financially and economically strong.

গোষ্ঠীগত সমস্যা তথা পৃথকবাদী মনোভাৱৰ একমাত্ৰ কাৰণো অবাধ বাংলাদেশী প্ৰব্ৰজন। আজি প্ৰতিটো জনগোষ্ঠীৰ মনত ভয় হৈছে অসমত থাকিলে স্বভূমিতে সংখ্যালঘুহৈ বহিৰাগতৰ গোলাম হ'ব লাগিব। কিন্তু অসমৰ পৰা আঁতৰি ত্ৰিপুৰাবাসীয়ে জানো নিজক ৰক্ষা কৰিব পাৰিলে, নাগালেণ্ডৰ ডিমাপুৰতো বাংলাদেশীয়ে চুমিএগ্ৰা, চাংগামিএগ্ৰা নামলৈ অধিকাৰ বিচাৰিছে। বি.টি.চি গঠনৰ পাছতো বৌতা-ওদালগুৰিত বাংলাদেশীৰ আক্ৰমণত ভূমিপুত্ৰসকল বিতত হৈ থাকিব লগা হৈছে। এতিয়া সময় সকলো এক হৈ স্বদেশ-স্বজাতিৰ ৰক্ষাৰ বাবে আন এক শৰাইঘাট ৰণ কৰাৰ। কিন্তু বিদেশীৰ বিৰুদ্ধে এই প্ৰত্যাক্ৰমণ হ'ব লাগিব পৰিকল্পিত। আনহাতে সমাধান নকৰি নিজৰ মাজতে খকা-খুন্দা লাগি থাকিলে কেঞ্চাৰ ৰোগৰ দৰে কেতিয়া কেনেকৈ অসমখন বিদেশীয়ে দখল কৰিব তলকিবই নোৱাৰিম। যেতিয়া চকুমেল খাব তেতিয়া কোনো উপায় নাথাকিব। আমাৰ হেৰুৱা মিলাপ্ৰীতি উদ্ধাৰৰ বাবে আন এক বাস্তৱ পদক্ষেপ হিচাপে ভেদভাৱ ত্যাগ কৰি আন্তঃজনগোষ্ঠী বিবাহক গুৰুত্ব দিব লাগিব।

আমাৰ স্বভূমি বুলিবলৈ একমাত্ৰ অসমখনেই, বিহাৰীক খেদিলে বিহাৰলৈ যাব, বঙালীক খেদিলে পশ্চিমবংগ-ত্ৰিপুৰা-বাংলাদেশলৈ যাব কিন্তু অসমীয়াক বাংলাদেশীয়ে অসমৰ পৰা খেদিলে ক'লৈ যাব? বৰ্তমান ভাৰতৰ প্ৰতিটো অঞ্চলতে জাতীয়তাবাদৰ উত্থান হৈছে। নিজ ভূমি অধিকাৰকলৈ সকলো সজাগ অসমতো জাতিৰ স্বাৰ্থত জাতীয়তাবাদৰ উত্থান হ'বই লাগিব।

❖❖❖❖❖



# সাফল্যৰ গোপন ৰহস্য

ইমৰান হুচেইন
স্নাতক তৃতীয় বৰ্ষ

"Success is the constancy of purpose" অৰ্থাৎ সাফল্য হৈছে উদ্দেশ্য বা অভিপ্ৰায়ৰ দৃঢ়তা। আমি কোনো কাম সফল কৰিবলৈ হ'লে নিজকে দৃঢ় কৰি তুলিব লাগিব। এই দৃঢ়তাই আমাক আমাৰ লক্ষ্যৰ পিনে আগুৱাই নিয়াত সহায়ক হ'ব।

নেৰা-নেপেৰাকৈ লাগি নাথাকি উদ্যম হেৰুৱাই পেলোৱা মানেই হ'ল পৰাজয় স্বীকাৰ কৰা। পৰাজয় স্বীকাৰ কৰা মানেই হ'ল আমাৰ ব্যক্তিত্বৰো পৰাজয়। এইদৰে এবাৰ বা দুবাৰ পৰাজয় স্বীকাৰ কৰাৰ পিছত যদি পুনৰ চেষ্টা কৰা নাযায় তেন্তে আমাৰ পৰাজয় স্বীকাৰ কৰাৰ মানসিকতা ক্ৰমে গঢ় লৈ উঠিব।

এটা নিবন্ধত পাইছিলোঁ, লেখকে ইংৰাজী 'NO' শব্দটোৰ ওপৰত বিশেষভাৱে জোৰ দি কৈছিল যে "NO" শব্দটোৰ অৰ্থ হ'ল সন্মুখৰ দুৱাৰ বন্ধ হৈ যোৱা। ইয়াৰ অৰ্থ হ'ল ব্যৰ্থতা অৰ্থাৎ পৰাজয় স্বীকাৰ কৰা। কিন্তু শব্দটো ওলোটাই বানান কৰিলে গম পাওঁ ON যাৰ অৰ্থ আগুৱাই যোৱা। অৰ্থাৎ যেনেকৈ NO ৰ আঁৰত ON লুকাই থাকে তেনেকৈ পৰাজয়ৰ আঁৰতো সাফল্য লুকাই থাকে। ইয়াৰ পৰা গম পোৱা যায় যে আমাৰ উদ্দেশ্য সিদ্ধি নোহোৱালৈকে, আমাৰ মনৰ কামনা পূৰ্ণ নোহোৱালৈকে আমি উদ্যমশীলতাৰে সন্মুখৰ সকলোবোৰ বাধা-বিঘিনি নেওচি আগুৱাই যাব লাগিব।

পৃথিৱীত যিমানবোৰ মহৎ লোক, চিন্তাশীল মনীষী আছে তাৰ সৰহভাগেই নিজৰ একাগ্ৰতা, ধৈৰ্য আৰু নেৰানেপেৰা চেষ্টাৰ ফলত মহত্ব অৰ্জন কৰিব পাৰিছে। আব্ৰাহাম লিংকন, মেক্সিম গোৰ্কী, বুদ্ধদেৱ আদি প্ৰখ্যাত মনীষীবোৰৰ জীৱন বৃত্তান্তলৈ চালে গম পোৱা যায় যে তেওঁলোকে অশেষ ধৈৰ্য্য আৰু কষ্ট স্বীকাৰ কৰি মহত্ব অৰ্জন কৰিব পাৰিছে।

সেইকাৰণে বহু চিন্তাশীল মনীষীয়ে যুগে যুগে একাগ্ৰতা আৰু ধৈৰ্য্যক জীৱন বাটৰ সাৰথি কৰি লবলৈ মানুহক উপদেশ দি আহিছে। মহাকবি শ্বেক্সপীয়েৰে কৈছিল যে নিৰৱচ্ছিন্ন বৃষ্টিপাতৰ ফলতো শিল ক্ষয় হয়। অৰ্থাৎ একে লেথাৰিকৈ পৰি থকা পানীৰ টোপালে শিলৰ দৰে কঠিন পদাৰ্থকো ক্ষয় নিয়াব পাৰে। সেইদৰে নিৰৱচ্ছিন্ন প্ৰচেষ্টাৰে যিকোনো জটিল কাম সমাধা কৰিব পাৰি।

জীৱনত সাফল্য অৰ্জন কৰিবলৈ হ'লে লক্ষ্য স্থিৰ কৰি ল'ব লাগিব। লক্ষ্যহীন জীৱন গুৰিয়াল বিহীন নাওৰ দৰে হয়। সাফল্য অৰ্জন কৰিবলৈ মনৰ পৰা ভয় ভাব আতৰাব লাগিব। ভয়েই জীৱন বাটত আটাইতকৈ ডাঙৰ কাঁইট আৰু ভয়েই আটাইতকৈ ডাঙৰ কুসংস্কাৰ। ভয়ে জীৱনৰ ওপৰত ডাঙৰ প্ৰভাৱ পেলায়। মনৰ পৰা ভয় ভাব আঁতৰাব পাৰিলেহে সাফল্য অৰ্জন কৰিব পাৰি। সাফল্য অৰ্জন কৰিবলৈ প্ৰেৰণাও অতি আৱশ্যক। প্ৰেৰণাই আমাৰ অন্তৰত জুই জ্বলাব পাৰে যি জুয়ে অন্তৰৰ শক্তিক উজ্জীৱিত কৰিব পাৰে। প্ৰেৰণাই আমাৰ প্ৰতিভা বিকাশত সহায় কৰে।

আত্মবিশ্বাসেই হ'ল সাফল্যৰ গোপন ৰহস্য। সেয়েহে নিজৰ ওপৰত কেতিয়াও বিশ্বাস হেৰুৱাব নালাগে। আত্মবিশ্বাসেই হ'ল মনৰ শক্তি আৰু ই সম্ভৱ হ'লে অসামান্য শক্তিৰ যোগান ধৰিব পাৰে। আমি আমাৰ মনৰ পৰা 'অসম্ভৱ' শব্দটো আঁতৰাব লাগিব। তেতিয়াহে আমি সাফল্য অৰ্জন কৰিব পাৰিম।

❖❖❖❖❖

# ইতিহাস অধ্যয়নৰ প্ৰাসঙ্গিকতা

*চান্দাম হুছেইন*
*স্নাতক ৪ৰ্থ ষাণ্মাষিক*

বৰ্ত্তমান সময়ত কেৱল ইতিহাস বিষয়ে যে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অপ্ৰিয় হৈ পৰিছে তেনেকুৱা কথা ভবাৰ যুক্তি বিশেষ দেখিবলৈ পোৱা নাযায়। আচলতে সকলোবিলাক বিষয়ে অধ্যয়নৰ বেলিকা ছাত্ৰ-ছাত্ৰী সকলে কিছু পৰিমানে হ'লেও অনীহা প্ৰকাশ কৰে। সাধাৰণতে দেখা যায় কোনো এটা বিষয়কে স্বয়ং একক বিষয় হিচাবে ল'লে অধ্যয়ণ কৰাৰ বেলিকা বিষয়টো বিশেষ ধৰণে কঠিন অনুভৱ কৰা হয়। কোনো এটা বিষয়ে এটাৰ পৰা আনটো পৃথক বিষয় নহয়। প্ৰত্যেকটো বিষয়কে এটা আন্ত-সম্পৰ্ক যুক্ত (inter-disciplinary) বিষয় হিচাবে গ্ৰহণ কৰা উচিত। চাবলৈ গ'লে আমাৰ প্ৰত্যেকটো বিষয়ে যেনে ঃ শিক্ষা বিষয়, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান ইত্যাদি প্ৰত্যেকটোৱে ইতিহাস বিষয়ৰ অন্তৰ্গত বিষয়। ইতিহাস আলোচনা নকৰাকৈ কোনো এটা বিষয়ে ছাত্ৰ-ছাত্ৰীৰ সন্মুখত ডাঙি ধৰা সম্ভৱ নহয়। কোনো এটা বিষয়ৰ ঐতিহাসিক পটভূমি ৰচনা হয় সেই বিষয়ৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি অৱস্থাৰ সময় সাপেক্ষে আলোচনা-বিলোচনা ইত্যাদিৰ দ্বাৰা। এনে ধৰণৰ দৃষ্টিভংগী ছাত্ৰ-ছাত্ৰী সকলে অনুভৱ কৰিব পৰাকৈ শিক্ষকসকলে বুজাই দিয়া উচিত। ছাত্ৰ-ছাত্ৰী সকলে অনুভৱ কৰিব পাৰিব লাগে যে ইতিহাস বিষয়টো কেতিয়াও আন বিষয় অধ্যয়নৰ প্ৰসংঙ্গৰ দ্বাৰা এৰাই ফুৰিব পৰা বিধৰ বিষয় নহয়।

এই প্ৰসংঙ্গত শিক্ষক সকলৰ শিকন প্ৰক্ৰিয়া (teaching method) গতানুগতিক পাঠদান প্ৰক্ৰিয়াৰ নিচিনা হোৱাটো উচিত নহয়। নতুন শিকণ প্ৰক্ৰিয়াই ছাত্ৰ-ছাত্ৰী সকলক অভিৰুচিত Motivate কৰাৰ উপৰিও কিছু পৰিমাণে নতুনত্ব দিব পৰে। কাৰণ আমি ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণীকোঠাৰ বাধ্যবাধকতাতকৈ ইয়াৰ বাহিৰৰ কোনো অভিজ্ঞতাৰ দ্বাৰা শিক্ষা অভিজ্ঞতা বেছি ফলপ্ৰসূ ভাৱে গ্ৰহণ কৰিব পাৰো। এই ক্ষেত্ৰত শিক্ষক সকলে তলৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলক সাধু কোৱা, কিংবদন্তী আদিৰ বিষয়ে বহলাই কোৱা আদি পদ্ধতি অৱলম্বন কৰিব পাৰে। তাৰোপৰি শিক্ষক সকলে নিজৰ ঠাইখনৰ নদ-নদী, পাহাৰ-পৰ্বত, পুৰণি গছ-গছনি, বৃহৎ শিলাখণ্ড ইত্যাদিৰ লগত জড়িত হৈ থকা বিভিন্ন ঐতিহাসিক কথাৰ বিষয়ে বক্তৃতা দিয়াৰ প্ৰসংগতে উল্লেখ কৰি পাঠ্যবিষয়ৰ প্ৰতি আগ্ৰহ বঢ়াব লাগে। মাজে সময়ে ছাত্ৰ-ছাত্ৰী সকলক ইতিহাসৰ লগত জড়িত সম্পদ বিলাক দেখুৱাবলৈ লৈ যাব লাগে আৰু সেইবিলাকৰ লগত জড়িত বিষয় সমূহ খৰচিমাৰি ছাত্ৰ-ছাত্ৰী সকলৰ সন্মুখত ডাঙি ধৰিব লাগে। তেতিয়া ছাত্ৰ-ছাত্ৰী সকলৰ অতীতৰ ঘটনাবিলাকৰ বিষয়ে জনাৰ কৌতুহল সৃষ্টি হয়।

আমাৰ গতানুগতিক শ্ৰেণীকক্ষত দেখা যায় যে সমগ্ৰ বিষয়টোকে বক্তৃতা পদ্ধতিৰে সম্পূৰ্ণ বিষয়কেন্দ্ৰিক ভাৱে আলোচনা কৰা হয়। এই ক্ষেত্ৰত শিক্ষক সকলে শিক্ষা দিওতে কিছুমান শিকন সামগ্ৰী (teaching aids)





ব্যৱহাৰ কৰি শিক্ষা দিলে শিক্ষা কাৰ্য বেছি মনোগ্ৰাহী আৰু আনন্দদায়ক হৈ উঠা দেখা যায়। এই শিকন সামগ্ৰীসমূহ শিক্ষক সকলে কম খৰছতে হাততে পোৱা ধৰণে ব্যৱহাৰ কৰিব পাৰে। উদাহৰণ স্বৰূপে চিত্ৰ, মানচিত্ৰ, বিভিন্ন মাটি বা প্লাষ্টিকেৰে তৈয়াৰী চানেকী (Model), সাধুকথাৰ পুথি, প্ৰবন্ধ-পাতি ইত্যাদি ব্যৱহাৰ কৰিবলৈ সুবিধাজনক হয়।

ছাত্ৰ-ছাত্ৰীৰ মনত কৌতুহল (inquistiveness) প্ৰবৃত্তি জগাই তুলিবৰ বাবে অঞ্চলবিশেষে প্ৰচলিত হৈ থকা বিভিন্ন কিংবদন্তী ইত্যাদিৰ বিষয়ে শিক্ষকে বহলাই আলোচনা কৰিব পাৰে। উদাহৰণ স্বৰূপে, হাজো অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক হয়গ্ৰীৱ মাধৱ মন্দিৰৰ বিষয়ে অতীতৰ বিভিন্ন লোক কথা বা সত্য ঘটনাৰ আলমলৈ সৃষ্টি হোৱা বিভিন্ন ঘটনাৰ বিষয়ে খৰচি মাৰি ক'ব পাৰি।

বৰ্ত্তমান আধুনিক যুগটো বিজ্ঞানৰ যুগ। বিজ্ঞানৰ নতুন নতুন আৱিষ্কৃত সামগ্ৰীসমূহক বৰ্ত্তমান সময়ত শিক্ষা কাৰ্যৰ লগত জড়িত কৰি শিক্ষা কাৰ্য বেছি মনোগ্ৰাহী, দীৰ্ঘস্থায়ী আৰু ফলপ্ৰসূ কৰিব বিচৰা হৈছে। গতিকে, প্ৰয়োজন সাপেক্ষে শিক্ষক সকলে নিজৰ বিষয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বঢ়াবলৈ এই নতুন বৈজ্ঞানিক সামগ্ৰীসমূহ নিজাববীয়াকৈ হ'লেও ব্যৱহাৰ কৰা উচিত। সেই সামগ্ৰীসমূহ হ'ব পাৰে ৰেডিঅ', টেপৰেকৰ্ডাৰ, LCD প্ৰজেক্টৰ, পাৱাৰ পইন্ট কম্পিউটাৰ ইত্যাদি।

তাৰোপৰি, ইতিহাস বিষটোৰ লগত সাঙুৰি লৈ মাজে মাজে শিক্ষানুষ্ঠানবোৰত আলোচনা চক্ৰ, তৰ্ক-প্ৰতিযোগিতা, সাহিত্য বিষয়ক বিভিন্ন আলোচনা ইত্যাদি অনুষ্ঠিত কৰিব পাৰি।

শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে ইতিহাস বিষয়টো অধ্যয়ন কৰি কেনেকুৱা ধৰণৰ নিয়োগৰ সুবিধা পোৱা যায় আদিৰ ক্ষেত্ৰত জ্ঞান দিয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ উপকাৰত অহা ধৰণৰ কিছু পৰিমাণৰ উপকৰা কথা শ্ৰেণীত আলোচনা কৰা উচিত।

অভিভাৱক সকলৰো ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ ক্ষেত্ৰত অভিৰোচন সৃষ্টি কৰাৰ বাবে বহুতো কৰণীয় আছে। অভিভাৱক সকলে নিজৰ কোনো ডিগ্ৰী, ডিপ্ল'মা নাইবা স্বাক্ষৰিক চাৰ্টিফিকেট নথকা হেতুকে নিজৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ দিশটোত মনোযোগ দিব নোৱাৰাৰ কথাটো কেতিয়াও ভাবিব নালাগে। তেওঁলোকে নিজৰ সন্তানসকলক তেওঁলোকৰ নিজৰ জীৱনৰ বিভিন্ন অভিজ্ঞতাসমূহ জনোৱাৰ উপৰিও সদৰ্থক (positive) উপদেশ, সুস্থ অধ্যয়নৰ পৰিৱেশ দিবলৈ যত্ন কৰা উচিত। পৰিয়ালৰ সুস্থ পৰিৱেশ, শৃংখলাবদ্ধ জীৱন-যাপন, খাদ্য ব্যৱস্থাৰ সু-প্ৰয়োগ ইত্যাদিয়ে ল'ৰা-ছোৱালীৰ যিকোনো বিষয় অধ্যয়নৰ ক্ষেত্ৰতে মনোযোগৰ সৃষ্টি কৰা দেখা যায়।

মহিলাসকলৰ শিক্ষাৰ ক্ষেত্ৰত স্কুল কৰ্তৃপক্ষ, সমাজ আৰু পৰিয়াল সকলোৱে সমানে গুৰুত্ব দিয়া উচিত। মহিলাসকল হ'ল সমাজৰ অংশ বিশেষ। গতিকে, মহিলাসকলৰ উন্নতি পুৰুষৰ সমানে সমানে নহ'লে এখন সুস্থ, সুন্দৰ প্ৰগতিশীল সমাজৰ সৃষ্টি হ'ব নোৱাৰে।

◆◆◆◆◆

# অসমৰ শিক্ষাৰ সমস্যা আৰু সামাজিক পৰিৱেশ

শ্ৰীচুনিতা মালাকাৰ
দ্বাদশ শ্ৰেণী

**"নকল মাৰ্কশ্বিট, নকল চাৰ্টিফিকেট লৈ চৰকাৰী চাকৰি কৰিবলৈ লৈছে। পৰীক্ষাত উত্তীৰ্ণ নহ'লেও কোনো কথা নোহোৱা হৈছে। কাৰণ নকল চাৰ্টিফিকেট বনাব পৰা হৈছে। ই যে অতি লজ্জাজনক শিক্ষাৰ সমস্যাৰ কাৰণ হৈ পৰিছে।"**

শিক্ষা হৈছে আমাৰ মৌলিক অধিকাৰ। এই শিক্ষাগ্ৰহণ কৰিবলৈ প্ৰতিটো মানুহৰে সমান অধিকাৰ আছে।
কিন্তু আমাৰ দেশত শিক্ষাৰ বিষয়টো বহুতো সমস্যাযুক্ত হৈ পৰিছে। ছাত্ৰ-ছাত্ৰীবোৰৰ স্কুললৈ আহিবৰ বাবে
যাতায়াতৰ সুবিধা নাই। কিছুমান গাঁৱত এতিয়াও এনেকুৱা পৰিৱেশ যে তাত দলং, ৰাস্তাৰ সুবিধা একেবাৰে বেয়া।
তেনেকুৱা অৱস্থাত ল'ৰা-ছোৱালী নাৱেৰে, সাকোঁৰে পাৰ হৈ স্কুললৈ আহিব লগা হৈ আছে। কণ কণ ল'ৰা-
ছোৱালীবোৰে এনে পৰিৱেশত আহিব নোৱাৰাত স্কুলৰ কাম-কাজ বন্ধ হৈ যায়। ফলত এনে স্কুলৰ প্ৰতি ল'ৰা-
ছোৱালীৰ কোনো আকৰ্ষণ নাথাকে আৰু সামান্য অজুহাততে স্কুল এৰি গুচি যোৱা দেখা গৈছে।

অসমত থকা প্ৰায়বোৰ স্কুলতে প্ৰয়োজনীয় সা-সুবিধা নতুবা শিক্ষণ সঁজুলিৰ অভাৱ পৰিলক্ষিত হৈছে। উপযুক্ত
প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ অভাৱৰ হেতুকে শিক্ষা ব্যৱস্থাই এক সমস্যাৰ ৰূপ ধাৰণ কৰিছে।

উচ্চ শিক্ষাৰ জ্ঞান ল'বলৈ যাওঁতে নাম ভৰ্তিৰ মূল্যবৃদ্ধিৰ পৰা Pass Certificate অনা কিতাপৰ মূল্যবৃদ্ধিলৈ
ছাত্ৰ-ছাত্ৰীয়ে যি খৰচ বহন কৰিব লগা হৈছে সি যে দুখীয়া দৰিদ্ৰলোকৰ ল'ৰা-ছোৱালীৰ বাবে বৰ পৰিতাপৰ
কথা।

সিদিনাখন নিউজ চেনেলযোগে শিক্ষাখণ্ডৰ কাৰ্য্যৰ কেলেংকাৰী দেখিবলৈ পালো যে নকল মাৰ্কশ্বিট, নকল
চাৰ্টিফিকেট লৈ চৰকাৰী চাকৰি কৰিবলৈ লৈছে। পৰীক্ষাত উত্তীৰ্ণ নহ'লেও কোনো কথা নোহোৱা হৈছে। কাৰণ
নকল চাৰ্টিফিকেট বনাব পৰা হৈছে। ই যে অতি লজ্জাজনক শিক্ষাৰ সমস্যাৰ কাৰণ হৈ পৰিছে।

শিক্ষাৰ সমস্যা আৰু সামাজিক সমস্যা গভীৰভাৱে জড়িত হৈ আছে। আমাৰ সমাজত লিখা-পঢ়া নকৰা
নিৰক্ষৰ লোকসকলৰ মাজত বহুতো সমস্যাৰ সৃষ্টি হোৱা দেখা যায়। শিক্ষাৰ প্ৰসাৰ নঘটা বাবে অন্ধবিশ্বাস, কু-
সংস্কাৰ আদিয়ে এতিয়াও মানুহক আৱৰি ধৰি ৰাখিছে। আমাৰ সমাজত যথেষ্ট প্ৰকাৰৰ অপকাৰ হৈ আছে। মদ
খোৱা অভ্যাসৰ ফলত মানুহৰ পাৰিবাৰিক সামাজিক পৰিৱেশ বিনষ্ট হৈছে। সামান্য কথাতে গালি-গালাজ আৰম্ভ
হয় আনকি হত্যা আদি নিদাৰুণ কাম কৰিবলৈকো কুণ্ঠাবোধ নকৰা হয়। তেনে সমাজত অধ্যয়ন আৰু গঠনমূলক
কাম-কাজৰ পৰিৱেশ একেবাৰে নোহোৱা হৈ যায়। এই মাদক দ্ৰব্য সেৱনৰ অভ্যাসে মানুহৰ উন্নতিত যথেষ্ট
পৰিমাণে বাধাৰ সৃষ্টি কৰি অহা দেখা গৈছে।

❖❖❖❖❖



# ড° এ পি জে আব্দুল কালাম

মিছ মুনিমা চুলতানা
স্নাতক প্ৰথম বৰ্ষ



কণমাণি লৰাটোৱে ঘন্টাৰ পিছত ঘন্টা বহি কটাইছিল সাগৰৰ পাৰত। বিশাল সাগৰৰ বুকুৰ নীলাভ, পাৰত খুন্দা খাই মাৰি যোৱা ঢৌবোৰ চাই খুব আমোদ পাইছিল আব্দুল কালামে। লগতে আব্দুল কালামে ভাল পাইছিল বিশাল সাগৰ। আব্দুল কালামৰ দেউতাক আছিল সাগৰত চলা নাৱৰ নাৱৰীয়া। দিনটো নাও চলাই যি সামান্য টকা পাইছিল তাৰেই কোনোমতে পোহপাল দিছিল পৰিয়ালটোক।ডাঙৰ হৈ নাৱৰীয়াজনৰ সাগৰ চাই ভাল পোৱা সেই কণমানি লৰাটোৱে হৈ পৰিছিল ভাৰতৰ ৰাষ্ট্ৰপতি তথা বিশ্ববিখ্যাত এজন বিজ্ঞানী। এওঁৰ সম্পূৰ্ণ নাম আব্দুল পাকিৰ জয়নুলাৱেদিন আব্দুল কালাম। আব্দুল কালামৰ জন্ম হৈছিল ১৯৩১ চনৰ ১৫ আক্টোবৰত তামিলনাডুৰ ৰামেশ্বৰমৰ ধনুছকোড়িত।

আব্দুল কালাম সৰু কালৰে পৰা আছিল নম্ৰ প্ৰকৃতিৰ। সকলো কথাৰে আঁতিগুৰি মাৰি জানিবলৈ বিচৰাটো তেওঁৰ আছিল স্বভাৱ। শিশুকালটো তেওঁ অতিবাহিত কৰে দক্ষিণ ভাৰতৰ ৰামেশ্বৰমতে। সৰুকালৰে পৰা কালামৰ হাবিয়াস আছিল আকাশত উৰাৰ। আকাশেৰে উৰি যোৱা উৰা জাহাজৰ শব্দ শুনিলেই তেওঁ ঘৰৰ বাহিৰলৈ দৌৰিছিল। উৰাজাহাজখন উৰি যোৱাৰ পিনে বহু সময়লৈকে একেথৰে চাই আছিল।

কালামৰ পিতৃৰ নাম আছিল জয়নুল আৱেদিন আৰু মাতৃৰ নাম আছিল আছিয়াম্মা। তেওঁৰ পৰিয়ালটো আছিল নিৰামিষাহাৰী। লগতে আছিল অতি ধৰ্মভীৰু। পৰিয়ালৰ প্ৰভাৱ, বিশেষকৈ পিতৃ জয়নুলাৱেদিনৰ প্ৰভাৱ কালামৰ গাত বাৰুকৈয়ে প্ৰস্ফুটিত হৈছিল। ঘৰখনৰ ৰক্ষণশীলতাৰ বাবেই সেই ল'ৰাজন আজিৰ ভাৰতৰ ৰাষ্ট্ৰপতি এ.পি.জে আব্দুল কালাম হ'ব পৰিছে। ঘৰখনৰ পৰাই তেওঁ ভগৱানৰ প্ৰতি অগাধ বিশ্বাসী হ'বলৈ বাধ্য হৈছিল। সৰুকালতে তেওঁ কোৰান আৰু গীতা অধ্যয়ন কৰিছিল।

কালামে শিক্ষা জীৱন আৰম্ভ কৰে ৰামেশ্বৰমৰ প্ৰাইমেৰী স্কুলত। পিছত তেওঁ ৰামনাথপুৰৰ মিছনেৰী স্কুলত নামভৰ্ত্তি হয়। দেউতাকে পোৱা সামান্য টকাৰে কোনোমতেহে পৰিয়ালটো পোহপাল দি ৰাখিছিল। কিন্তু কালামৰ সৰুৰে পৰা আছিল অধ্যয়ন পিপাসু মন এটা।কিন্তু কেতিয়াবা স্কুলৰ ফীজ দিব নোৱাৰাৰ বাবে কালামে শিক্ষকৰ গালি খাবলগীয়া হৈছিল। কালাম কিন্তু ভাগি পৰা নাছিল। কালামে কেনেকৈ স্কুলৰ খৰছ উলিয়াব পাৰি তাৰেই চিন্তা কৰাত লাগিল। অৱশেষত তেওঁ সিদ্ধান্ত ল'লে বাতৰি কাকত বিলোৱা হ'কাৰ কাম কৰাৰ। বাতৰি কাকত বিলাই যি ধন পাইছিল সেই ধনেৰেই তেওঁ পঢ়াৰ খৰছ উলিয়াইছিল।

কালাম আছিল অতি মেধাৱী ছাত্ৰ। শিক্ষক সকলেও কালামে পঢ়াৰ বাবে কষ্ট কৰাৰ কথা গম পালে।সেইবাবে তেওঁলোকে কালামৰ অধ্যয়নত সহায় কৰাৰ বাবে আগবাঢ়ি আহিল। তেওঁলোকে কালামক আগবাঢ়ি যোৱাত সহায় কৰিবলৈ আৰম্ভ কৰিলে। ১৯৫০ চনত কালামে ছেন্ট যোছেফ কলেজত নামভৰ্ত্তি কৰে।

সৰুৰে পৰা কালামৰ মন আছিল এজন পাইলট হোৱাৰ। সেয়ে তেওঁ পিছত মাদ্ৰাজৰ ইনষ্টিটিউট অৱ টেক্‌ন'লজীৰ পৰা তেওঁ ট্ৰেইনী হিচাপে হিন্দুস্তান এৰ'ন'টিক্‌ছ লিমিটেডত ভৰ্ত্তি হয়। বাংগালোৰৰ এই প্ৰতিষ্ঠানত প্ৰশিক্ষণ গ্ৰহণৰ পিছত তেওঁৰ সন্মুখত নিযুক্তিৰ বাবে দুটা পথ খোল খালে - এটা হ'ল : ডাইৰেক্টৰেট অৱ টেক্‌নিকেল ডেভেলপ্‌মেন্ট এণ্ড প্ৰডাকশ্যণত আৰু আনটো হ'ল সেনা বা বায়ু সেনাবাহিনীত। কিন্তু কালামে অৱশেষত প্ৰথমটোত নিযুক্তি হোৱাটো বিচাৰিলে আৰু তাত ছিনিয়ৰ ছাইন্টিফিক এছিছটেন্ট হিচাপে মাহে ২৫০ টকা দৰমহাত নিযুক্তি লাভ কৰিলে। তেওঁৰ শিশুকালৰ সপোন বাস্তৱত পৰিণত কৰাৰ পথ তেওঁ বিচাৰি পালে। তাৰ পিছত তেওঁ মহাকাশ গৱেষণা সমিতিত যোগ দিয়ে। সমিতিত যোগ দি তেওঁ বিভিন্ন ক্ষেত্ৰত আৰম্ভ কৰিলে গৱেষণাৰ কাম। তেওঁৰ গৱেষণাৰ মুল বিষয় হ'ল মিচাইল টেক্‌ন'লজী, আৰু ৰকেট সম্পৰ্কীয়। তেওঁ আৱিস্কাৰ কৰিলে অগ্নি আৰু পৃথিৱী ক্ষেপনাস্ত্ৰ। অকল এয়াই নহয়, শুকান পথাৰ সেউজীয়া কৰাৰ টেকনলজীও আৱিস্কাৰ কৰিলে তেওঁ। অৰ্থাৎ তেওঁ তৃতীয় বিশ্বৰ দেশখনক উন্নত দেশৰ শাৰীলৈ নিয়াৰ সপোন বাস্তৱ হ'ল।কালামে বিশ্বাস কৰিছিল যে ২০২০ চনৰ ভিতৰত ভাৰতবৰ্ষ এখন সৰ্বদিশত উন্নত দেশত পৰিণত হ'ব। কিন্তু তাৰ বাবে ভাৰতবাসীক কোনেও সহায় নকৰে। ভাৰতবাসীয়ে নিজেই আগুৱাই যাব লাগিব উন্নতিৰ পথত।



এইগৰাকী মহান ব্যক্তিক দেশৰ ৰাষ্ট্ৰপতি পদ যাঁচি যোগ্য সন্মান দিয়ে দেশবাসীয়ে। ৰাষ্ট্ৰপতি হৈ থকা কালছোৱাত ভাৰতৰ ৰাষ্ট্ৰপতি পদটো বহু ওপৰলৈ তুলি লৈ যায়।

১৯৯৭ চনত বিজ্ঞানী ড০ কালামক ভাৰতৰ আটাইতকৈ উচ্চ সন্মান 'ভাৰত ৰত্ন'ৰে সন্মানিত কৰে। ইয়াৰ আগতে কালামক ১৯৮১ চনত পদ্মভূষণ আৰু ১৯৯০ চনত পদ্ম বিভুষণেৰে সন্মানিত কৰা হয়। ১৯৯০ চনত যাদৱপুৰ বিশ্ববিদ্যালয়ে কালামক পি.এইছ.ডি. উপাধি প্ৰদান কৰে।

এইগৰাকী হ'ল ড০ আব্দুল কালাম, যিগৰাকী ব্যক্তিয়ে নানা সংঘাতৰ মাজেৰে ৰাষ্ট্ৰপতিৰ দৰে সন্মানীয় পদত অধিষ্ঠিত হৈ আহিছে, যদিও তেওঁ এগৰাকী বিশ্ববিখ্যাত বিজ্ঞানী, তেওঁৰ মনত তাকে লৈ নাই কোনো অহংকাৰ। তেওঁ সৰু ল'ৰা-ছোৱালীক যথেষ্ট মৰম কৰে। শিশুৰ লগত তেৱোঁ হৈ পৰে এজন শিশু। হয়তো সেই গুণৰ বাবেই কালাম শিশু সকলৰ মাজত যথেষ্ট প্ৰিয় ব্যক্তি।

এইগৰাকী ব্যক্তিয়ে বিবাহপাশত আৱদ্ধ হোৱাটো প্ৰয়োজনবোধ নকৰিলে। দেশবাসীৰ উন্নতিৰ বাবেই উচৰ্গা কৰিলে জীৱনটো। আনহাতে, এতিয়াও তেওঁ প্ৰতিদিনে কোৰাণ আৰু গীতা পঢ়ে। আটাইতকৈ আচৰিত কথা যে অধ্যয়নৰ বাবে তেওঁ কেতিয়াও দেশৰ বাহিৰলৈ যোৱা নাছিল।তেওঁ প্ৰমাণ কৰিলে যে জন্মভুমিত অধ্যয়ণ কৰিও লাভ কৰিব পাৰি বিশ্বখ্যাতি। হব পাৰি এজন বিখ্যাত বিজ্ঞানী। তেওঁ মাথো এবাৰহে (১৯৫৩-৫৪) আমেৰিকালৈ নাছাত অধ্যয়ণৰ বাবে গৈছিল।দেশবাসীলৈ তেওঁ নিজৰ কৃতিত্বৰ ভাগ সদায়ে আগবঢ়াই আহিছে।

❖❖❖❖



# সাহিত্যত প্ৰথমজন নোবেল বিজয়ী

## আৰ. এফ. এ. চুলিপ্ৰুধোম

*হিতেশ্বৰ দাস*
*স্নাতক তৃতীয় বৰ্ষ*



আলফ্ৰেড নোবেলৰ উইল অনুসৰি ১৯০১ চনৰ পৰা অন্যান্য বিষয়ৰ লগতে সাহিত্যত ন'বেল বঁটা দিয়াৰ ব্যৱস্থা কৰা হয়। ১৯০১ চনত প্ৰথমজন নোবেল বিজয়ী লেখক হ'ল ৱনসৰ কবি সাহিত্যিক ফ্ৰাংকোইজ আৰমান চুলিপ্ৰুধোম। চুলিপ্ৰুধোমৰ পৰিচয় আছিল দাৰ্শনিক কবি হিচাপে, কিন্তু জীৱনীকাৰ সকলৰ মতে দাৰ্শনিক কবি হিচাপে নহয় অন্য ক্ষেত্ৰতহে তেওঁ সফল কবি আছিল।

১৮৩৯ চনত পেৰিচত চুলিপ্ৰুধোমৰ জন্ম। দুবছৰ বয়সত তেওঁ দেউতাকক হেৰুৱায় আৰু মাক আৰু ককাকৰ তত্বাৱধানত ডাঙৰ-দীঘল হয়। ছাত্ৰ হিচাপে চুলি বেছ মেধাৱী আছিল। অংক আছিল তেওঁৰ প্ৰিয় বিষয়। বিশ্ববিদ্যালয়ৰ পিছত তেওঁ ইঞ্জিনিয়াৰিং পঢ়িবলৈ যায়। হঠাৎ ৰোগগ্ৰস্ত হৈ পৰাত পঢ়া-শুনা বাদ দিব লগা হয়। গতিকে ইঞ্জিনিয়াৰিংৰ চুড়ান্ত ডিগ্ৰী ল'ব নোৱাৰিলে। ইয়াৰ পিছতে তেওঁ জীৱিকাৰ অন্বেষণ কৰে আৰু নোটাৰী অফিচত এটি চাকৰি পায়। স্কুল-কলেজত পঢ়া দিনৰে পৰা চুলিৰ কবিতা লিখাৰ চখ আছিল। অফিচত গোটেই দিন কাম কৰিব লগা হয় কাৰণে কবিতা লিখাৰ সময় নাপায়। গতিকে ৰাতি জিৰণীৰ পৰিৱৰ্তে তেওঁ উজাগৰে থাকি কবিতা লিখে। ৰাতি লিখা কবিতাবোৰ বিভিন্ন আলোচনী পত্ৰিকালৈ পঠায়।

এই সময়তে চুলিপ্ৰুধোম ধৰ্মতত্ত্বৰ প্ৰতি হঠাৎ আসক্ত হয়। বিভিন্ন ধৰ্মগ্ৰন্থ তেওঁ অধ্যয়ন কৰে। কিন্তু কোনো ধৰ্ম বা দৰ্শন তত্বই তেওঁৰ মনে মিলাকৈ ঈশ্বৰ সম্বন্ধে ব্যাখ্যা দিব নোৱাৰিলে। এই সময়তে তেওঁ প্ৰেমতো বেয়াকৈ ব্যৰ্থ হয়। জীৱনত প্ৰথম ভাল পোৱা গাভৰু গৰাকীয়ে তেওঁৰ প্ৰেম প্ৰত্যাখান কৰে। এই বেদনা কিছু শাম কাটিছিল এগৰাকী দূৰ সম্পৰ্কীয় ভগ্নীৰ সাহায্য পায়। এই দ্বিতীয় গৰাকী গাভৰুকে বিয়া কৰাই মনৰ দুখ পাতলাব বুলি ভাবিছিল। কিন্তু কিছুদিন পিছতে এই দ্বিতীয় গৰাকীয়েও একো নুবুজাৰ ভাও জুৰি আন এজনৰ লগত বিয়া হৈ গ'ল। দুবাৰকৈ প্ৰেমত প্ৰত্যাখিত হোৱাত চুলিয়ে বৰ আঘাত পালে আৰু জীৱনত বিয়া নকৰাব বুলি প্ৰতিজ্ঞা কৰিলে। ফলত চুলিপ্ৰুধোম

অবিবাহিত হৈ ৰ'ল। বিয়া নকৰালেও জীৱনৰ প্ৰথম প্ৰেমৰ কথা তেওঁ পাহৰিব নোৱাৰিলে। এই বেদনাই তেওঁৰ ভালেমান কবিতাত প্ৰকট হৈ প্ৰকাশ পাইছে। হৃদয়মনৰ মাজত যি বিষাদৰ দন্দ তেওঁ গোটেই জীৱন অনুভৱ কৰিছিল তাৰ প্ৰতিক্ৰিয়াই তেওঁৰ প্ৰেমৰ কবিতা। তেওঁ বহুতো প্ৰেমৰ কবিতা লিখিছিল। যিবোৰ বিশ্ব সাহিত্যৰ অমূল্য সম্পদ। জীৱনৰ পৰা বাস্তৱ ঘটনা লৈ জীৱন দৰ্শনৰ সূক্ষ্ম বিষয়ৰ অচিন সংমিশ্ৰণ ঘটাই তেওঁ ৰচনা কৰিছিল প্ৰেমৰ কবিতা, য'ত স্থান পাইছিল চিনাকী বাস্তৱ আৰু অচিনাকী অনুভৱ। তেওঁৰ কবিতাসমূহ উকা প্ৰেমৰ কবিতা নহয়। ১৮৬৫ চনত চুলিপ্ৰুধোমৰ প্ৰথম কবিতা পুথি "Stanzas and Poems" প্ৰকাশিত হয়।

ইয়াৰ আটাইবোৰ কবিতা প্ৰেম আৰু দৰ্শন সম্পৰ্কীয়। গ্ৰন্থখনে পাঠকৰ পৰা প্ৰচুৰ সমাদৰ লাভ কৰে। এনেকৈয়ে সাহিত্য জগতত চুলিপ্ৰুধোমৰ জয়যাত্ৰা আৰম্ভ। বিয়াৰ পিছত প্ৰকাশ হয় "I shall never see her again" নামৰ কবিতা সংকলন। ইয়াৰো অধিকাংশই প্ৰেমৰ কবিতা। এইখন গ্ৰন্থইও পাঠকৰ পৰা বিপুল সহঁাৰি লাভ কৰে। সেই সময়তে এদল নতুন কবিয়ে পাঠকৰ মনৰ খোৰাক যোগাবলৈ নতুন ধৰণৰ কবিতা লিখাত হাত দিয়ে। ৰোমাণ্টিক ভাৱ বিলাসৰ পৰিৱৰ্তে তেওঁলোকৰ কবিতাত পোৱা গ'ল কল্পনা বাস্তৱ আৰু মানৱীয় অনুভূতিৰ সংমিশ্ৰণ। এইদল কবিৰ ভিতৰত চুলিপ্ৰুধোম আছিল প্ৰথম শাৰীত। প্ৰেমত ব্যৰ্থ হোৱাৰ বেদনা চুলিয়ে ক্ৰমে ক্ৰমে চম্ভালী ল'লেও তেওঁৰ জীৱনলৈ আহিল হেৰুৱাৰ বেদনা। অগাপিচাকৈ তেওঁৰ ককাক, মাক আৰু ডাঙৰ বাইদেউয়েকৰ মৃত্যু হয়। মনৰ দুখত চাকৰি বাদ দি সেনাবাহিনীত যোগদান কৰে। ১৮৭০ চনত ফ্লাংকো প্ৰচিয়ান যুদ্ধত তেওঁ যোগদান কৰে। এই যুদ্ধৰ অভিজ্ঞতাৰ ভিত্তিত লিখি উলিয়াই বিখ্যাত কাব্য গ্ৰন্থ "Impressions of War" ইয়াত ভালেখিনি উৎকৃষ্ট কবিতাৰ সমাবেশ ঘটিছিল। ১৮৮৮ চনত তেওঁ ৰচনা কৰে বিখ্যাত মহাকাব্য "হেপিনেচ"। সমালোচক জা আলৰ্বাট বেদে কৈছিল যে চুলিপ্ৰুধোমৰ কবিতাই চূড়ান্তভাৱে হতাশাগ্ৰস্ত মানুহকো সুখ কাক কয় সেই কথা শিকাব পাৰে। ইয়াৰ পিছত তেওঁৰ জীৱনলৈ নামি আহিল আঘাত তথা বিপৰ্যয়। চুলি অসুস্থ হৈ পৰিছিল আৰু ভুল চিকিৎসাৰ ফলত তেওঁ গোটেই জীৱনৰ কাৰণে পঙ্গু হৈ পৰিছিল। তেওঁ ফুৰা-চকা কৰিব নোৱাৰা হৈ পৰে। গতিকে সম্পূৰ্ণৰূপে কবিতা লিখাত আত্মনিয়োগ কৰে। চুলিপ্ৰুধোমৰ শেষ ৰচনা "The psychology of free will" প্ৰকাশ হয়।

১৯০১ চনত প্ৰথমটো নোবেল বঁটা কোনে পাব ইয়াকে লৈ গোটেই বিশ্বজুৰি প্ৰচুৰ জল্পনা-কল্পনা চলিছিল। টলষ্টয়, ইবচেন, মমচেন, এমিলজোলা আদি বিখ্যাত লেখকৰ নাম উঠিছিল। যদিও শেষত চুলিপ্ৰুধোমে নোবেল বঁটাৰ বাবে নিৰ্বাচিত কৰা হয়। তেওঁ নোবেল বঁটাৰ টকাখিনি নতুন লেখকক উৎসাহ দিবৰ বাবে এটা অনুদানমূলক পুৰস্কাৰৰ ব্যৱস্থা কৰে। যি ব্যৱস্থা এতিয়াও ফ্ৰান্সত চলি আছে।

১৯০৭ চনৰ ৭ ছেপ্তেম্বৰত চুলিপ্ৰুধোমে ইহলীয়া সম্বৰণ কৰে।

বিভিন্ন গ্ৰন্থৰ পৰা সহায় লোৱা হৈছে।



# কষ্টসহিষ্ণু মঞ্জুবাইৰ জীৱনগাঁথা

*শ্ৰী চুমী তালুকদাৰ*
*প্ৰাক্তন ছাত্ৰী ও সহঃ শিক্ষয়িত্ৰী*
*ড০ বাণী কাকতি এম. ই. স্কুল, বৰপেটা*

স্বপ্নালী এজনী চঞ্চলা গাভৰু। দেখাত বিশেষ ধুনীয়া নহ'লেও বেয়াও নহয়। সকলোকে আকৰ্ষণ কৰিব পৰা এক শক্তি তাইৰ গাত আছে। এই চঞ্চলা গাভৰুজনীৰ ঘৰ 'কুমাৰ নগৰ' নামৰ এখন গাঁৱত। কুমাৰ নগৰৰ কি যে মনোৰম দৃশ্য, এফালে পাহাৰ, আনফালে এক প্ৰকাণ্ড বিল। এই পাহাৰ-বিল আদিৰ সৌন্দৰ্য্যৰ মাজতেই তাই লৰি-ঢাপলি ডাঙৰ-দীঘল হৈছে। সৰুৰে পৰাই দেখিছে তাইৰ এই মৰমৰ পাহাৰ আৰু বিলখনিয়ে কিদৰে কুমাৰ নগৰৰ আশে-পাশে বাস কৰা দুটা জাতিক জীয়াই থাকিবৰ বাবে জীৱিকা দি আহিছে। ইয়াত বাস কৰা কৈৱৰ্ত্তসকলে কুমাৰ নগৰৰ পাহাৰত খৰি কাটি আৰু নমঃশূদ্ৰসকলে কুমাৰ নগৰৰ গাতে লাগি থকা বিলটোত মাছ ধৰি জীৱিকাৰ সমল গোটায়।

এই মনোৰম দৃশ্যৰ মাজত থকা গাঁওখনৰ অৰ্থনৈতিক অৱস্থা কিন্তু অতি পুতৌজনক। ইয়াৰ দুই-চাৰিঘৰ মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ বাহিৰে বাকী সকলোবোৰ দুখীয়া। কোনোমতে পেটে-ভাতে খাই জীয়াই আছে। মানুহবিলাকৰ মাজত মিলা-প্ৰীতিৰো অভাৱ। স্বপ্নালীৰ ভালকৈয়ে মনত আছে, এবাৰ ওচৰৰ গাঁওখনৰ কাৰোবাৰ বিয়াত সিহঁতৰ ওচৰৰ বাৰী বিধবা মঞ্জুবাইৰ ছোৱালী মীনাক্ষীৰ লগত গৈছিল। সেইসময়ত স্বপ্নালীৰ দেউতাক অফিচলৈ গৈছিল। অফিচৰ পৰা আহি যেতিয়া মাকৰ মুখত স্বপ্নালীয়ে ওচৰৰ মীনাক্ষীৰ লগত বিয়াত গৈছে বুলি গম পালে তেতিয়াই তাইক কাণত ধৰি উঠা-বহা কৰিবলৈ কৈছিল। কিয় দেউতাকে তেনে কৰিবলৈ কৈছিল তাই কিন্তু তেতিয়া বুজিব পৰাকৈ ডাঙৰ হোৱা নাছিল।

কিন্তু আজি স্বপ্নালীয়ে সকলো বুজি পায়। আজি তাই বুজি উঠিছে জীৱনৰ প্ৰকৃত অথচ নিষ্ঠুৰ সত্যৰ কথা। হয়তো স্বপ্নালীয়ে তেনেদৰে বিয়াত যোৱাৰ বাবে দেউতাকৰ সন্মানত আঘাত লাগিছিল; হয়তো তেখেতে মীনাক্ষীহঁতৰ লগ হ'লে নিজৰ মৰমৰ ছোৱালীজনীৰ পঢ়া-শুনা নষ্ট হ'ব বুলি ভাবিছিল; হয়তো তাই তেনেদৰে দেউতাকক নোসোধাকৈ যোৱাৰ বাবে তাই দেউতাকক অৱজ্ঞা কৰা বুলি ভাবিছিল। বাৰু যিয়েই নহওক সিহঁতৰ সমাজখনত যে এক ব্যৱধান আছিল তাই বুজিব পাৰিছিল।

মঞ্জুবাই স্বপ্নালীহঁতৰ গাঁৱৰ এটা অতি পৰিচিত নাম। মঞ্জুবাইৰ গিৰিয়েকে হেনো পাঁচবাৰ বিয়া কৰাইছিল। মঞ্জুবাই তাৰে কনিষ্ঠগৰাকী। স্বামীৰ নিৰ্মম অত্যাচাৰত বাকী কেইগৰাকী গুচি যোৱাৰ দৰে মঞ্জুবাই কিন্তু গুচি নগ'ল। তিনিগৰাকীকৈ কন্যাসন্তান বুকুত বান্ধি স্বামীৰ নিৰ্যাতনকো নেওচি তাই কুমাৰ নগৰতেই থাকিল। স্বপ্নালীৰ মনত পৰে, কেনেদৰে মঞ্জুবাইৰ স্বামীয়ে সদায় ৰাতিপুৱা এখন ভগা চাইকেলত নিজৰ ব্যৱসায়ৰ বাবে এলুমিনিয়ামৰ বাচনবোৰ বোজা কৰি লৈ যায়। চাইকেলখনৰ অৱস্থাও তথৈৱচ। দুইটা চকাৰ ভিতৰত আঠ-দহডালমান স্পোক নায়েই। চিটটোও

কটকটীয়া টান, তাকো তলফাললৈ হালি যোৱা আৰু মানুহজন নমাৰ লগে লগে খুলি পৰা বিধৰ। বাৰু যি কি নহওক, ৰাতিপুৱা এনেদৰে ওলাই গৈ সন্ধিয়া ঘূৰি অহাৰ খবৰ কিন্তু ওচৰৰ মানুহখিনিয়ে নোপোৱাকৈ নাথাকে। কিয়নো দিনটোৰ ব্যৱসায়ৰ অন্তত যিখিনি পইচা পায়, সেই গোটেইখিনি লাভে-মূলে টেঁটুলৈকে গিলি আহে আৰু আহিয়েই আৰম্ভ কৰে ঘৈণীয়েকৰ ওপৰত নিৰ্মম অত্যাচাৰ। ঘৈণীয়েক আৰু কণ কণ ছোৱালী তিনিজনীয়ে কি খাইছে, কি কৰিছে এইবোৰ জনাৰ তেওঁৰ অৱকাশ নাই। কিন্তু মঞ্জুবাই কি কৰা নাই; পেটৰ তাড়নাত পাহাৰত খৰি কাটে, আনৰ ঘৰত কাম কৰে, পথাৰত ভূই ৰুৱে। হে পুৰুষ; ধিক তোমাক আজি স্বপ্নালীয়ে উপলব্ধি কৰে, তাই পাতমুগী গল্পত পোৱা পুৰুষ জাতিৰ নিষ্ঠুৰতাৰ কথা। তাইৰ মনত পৰে, মঞ্জুবাইৰ গিৰিয়েকৰ মৃত্যুৰ বীভৎস ৰূপৰ কথা। কিদৰে শেষত তেওঁ ঘৈণীয়েকৰ ওচৰত সেও মানিছিল আৰু ক্ষমা ভিক্ষা মাগিছিল। সেই কষ্টসহিষ্ণু মঞ্জুবাইয়ো এদিন গিৰিয়েকৰ মৃতদেহৰ ওপৰত পৰি হাওৰাওকৈ কান্দিছিল। হয়তো সেই কাৰণেই ডাঙৰ-ডাঙৰ পণ্ডিতৰ মুখৰ পৰা ওলাইছিল, 'নাৰী সহিষ্ণুতাৰ প্ৰতীক, ত্যাগৰ প্ৰতীক।'

গিৰিয়েকৰ মৃত্যুৰ পিছত মঞ্জুবাই তিনিওজনী ছোৱালী বুকুত বান্ধি জীয়াই থকাৰ অদম্য হেঁপাহ লৈ ভগা জুপুৰীটোৰ পৰা অকলশৰে জীৱন সংগ্ৰামত নামি পৰিছিল। যেতিয়া বৰদৈচিলা মাকৰ ঘৰলৈ আহে, তেতিয়া মঞ্জুবাইয়ে নিজৰ ভগা জুপুৰীটোৰ এচুকত তিনিজনী ছোৱালী সাৱতি থিয় হয়। সেইটো চুকৰ বাহিৰে এটা চুকো যে বৰদৈচিলাৰ পৰা সাৰি নাযায়। বৰদৈচিলা যোৱাৰ পিছত যদি সূৰ্য্য দেৱতাই দয়া নকৰে তেতিয়াহ'লে মঞ্জুবাইয়ে হয়তো ভালকৈ শুৱলৈও নাপায়।

মঞ্জুবাইৰ দুৰৱস্থা দেখি এদিন স্বপ্নালীয়ে অতি আৱেগেৰে তেওঁ কিয় ঘৰ পোৱা নাই সেই কথাটো সুধিছিল। মঞ্জুবাইয়েও অতি ক্ষোভেৰে একে উশাহতে কৈছিল, "মোৰ ঘৰত যে টাঙোন লোৱা মতা মানুহ নাই; মই যে মোৰ শৰীৰৰ কেঁচা মঙহৰ গোন্ধ দালালহঁতক নিদিও সেয়ে আইজনী (স্বপ্নালী) মই ঘৰ পোৱা নাই। কথাষাৰ শুনি স্বপ্নালীৰ অন্তৰ দুখেৰে ভাগি পৰিছিল। মঞ্জুবাইৰে ডাঙৰজনী ছোৱালী মীনাক্ষী। মীনাক্ষীয়ে শ্ৰেণীত দুবাৰমান পৰীক্ষা বেয়া কৰি সপ্তম শ্ৰেণীত স্বপ্নালীক লগ পাইছিল। এদিন হঠাৎ মীনাক্ষীয়ে দুখেৰে কৈছিল, "স্বপ্নালী মই আৰু নপঢ়োঁ। পঢ়া-শুনা আমাৰ দৰে মানুহৰ বাবে নহয়। এইবোৰ ধনী মানুহৰ বাবে, যিয়ে অন্তত দুবেলা দুসাজৰ কথা চিন্তা কৰিব নালাগে।"

এনেদৰেই এদিন মীনাক্ষীয়ে পঢ়াশালি ত্যাগ কৰিছিল আৰু কিছুদিনৰ পিছত তাইৰ বিয়া হৈ গৈছিল। মাজু ছোৱালী অনিতাইও ওচৰৰে এজনৰ লগত সংসাৰ পাতিছিল। ইমানবোৰ ঘাত-প্ৰতিঘাতৰ পিছতো মঞ্জুবাই কিন্তু জীৱনযুঁজত আগবাঢ়ি গৈ থাকিল।

শেষত ভগৱানৰ সু-দৃষ্টিত মঞ্জুবাইৰ অৱস্থাও যেনিবা অলপ ভাললৈ আহিল। বহু প্ৰতীক্ষাৰ অন্তত, চৰকাৰৰ ইন্দিৰা আৱাস যোজনাৰ অধীনত এটা ঘৰ পালে, যিটোত ৰ'দ-বৰষুণৰ সময়ত মূৰটো গুজিব পাৰে। স্বপ্নালীয়ে ভাবিলে, শেষত যেনিবা কষ্টসহিষ্ণু মঞ্জুবাইলৈ ভগৱানে মূৰ তুলি চালে।

❖ ❖ ❖ ❖



# বিষ্ণুৰাম মেধিক আমি কিয় মনত ৰাখিব লাগে?

*জিয়াউল হক*
*স্নাতক তৃতীয় বৰ্ষ*

**আৰম্ভণি ঃ**

মানুহ অমৰ হয় মানুহৰ কৰ্মাৱলীৰ জৰিয়তে। তেনেকুৱা এটা উদাহৰণ বিষ্ণুৰাম মেধি ডাঙৰীয়া। মেধি ডাঙৰীয়াই যি ব্যক্তিত্ব আৰু প্ৰতিভা দেখুৱাইছে সেয়া সকলোৰে স্মৰণীয়। মেধি ডাঙৰীয়াক কিয় মনত ৰাখিব লাগে তাৰ ব্যাখ্যা ইমান কম শব্দৰে প্ৰকাশ কৰিবলৈ টান। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ অন্যতম সেনানী আৰু স্বাধীনতা লাভৰ পিছৰ দেশৰ আত্মপ্ৰতিষ্ঠাৰ যুগত নেতৃত্ব দিয়া বৰেণ্য নেতাসকলৰ অন্যতম আছিল বিষ্ণুৰাম মেধি। অসমৰ পুৰাণ প্ৰসিদ্ধ পূণ্যভূমি হাজোত ইং ১৮৮৮ চনৰ ২৪ এপ্ৰিল তাৰিখত জন্ম হৈছিল। আজিৰ পৰা প্ৰায় ৬০ বছৰ আগতে অসমৰ ৰাজধানী শ্বিলঙত থকা সময়ত মেধি ডাঙৰীয়াই অসমৰ দ্বিতীয়জন মুখ্যমন্ত্ৰীৰ আসন অলংকৃত কৰিছিল। ইয়াৰ উপৰিও হাজো অঞ্চলৰ লগতে অসমৰ ৰাইজৰ গৌৰৱৰ বিষয় এই যে, মেধি ডাঙৰীয়া হ'ল প্ৰথম অসমীয়া ৰাজ্যপাল। আমাৰ বংশ, পৰিয়াল, সংস্কৃতি, ঐতিহ্য আৰু কলা-কৃষ্টি যিদৰে মনত ৰাখিব লাগে, ঠিক সেইদৰে মেধি ডাঙৰীয়াকো আমাৰ সংস্কৃতি, ঐতিহ্যৰ লগত তুলনা কৰি প্ৰতিজন অসমীয়াই মনত ৰাখিব লাগে। তেওঁৰ পৰা প্ৰতিজন অসমীয়া বিশেষকৈ হাজো অঞ্চলৰ লোকসকলে যি আদৰ্শ আৰু প্ৰেৰণা লাভ কৰিব পাৰিছে সেয়া মাইলৰ খুটি হৈ থাকিব। আমাৰ প্ৰত্যেকৰে আদৰ্শ, প্ৰেৰণা মেধি ডাঙৰীয়াক কিয় মনত ৰাখিব লাগে তাক আমি তেওঁৰ জীৱন আৰু কৰ্মাৱলীৰ বিভিন্ন দিশসমূহ আলোচনা কৰিলে তাৰ পৰা প্ৰতিজন অসমীয়াই ভালকৈ বুজি পাব।

**(ক) বাল্যকাল ঃ**

লৌহ মানৱ বিষ্ণুৰাম মেধিৰ বাল্যকালৰ বিষয়ে স্পষ্ট অধ্যয়ন কৰিলে দেখা যায় তেওঁ এজন নম্ৰ, ধাৰ্মিক আৰু অমায়িক মেধা ছাত্ৰ আছিল। তেওঁৰ বাল্যকালৰ মেধা-চৰিত্ৰক প্ৰতিজন অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে প্ৰেৰণা হিচাপে লৈ মনত ৰাখিব লাগিব।

**(খ) উকিল হিচাপে কৰ্মজীৱন ঃ**

মেধি ডাঙৰীয়া যেতিয়া উকিল পাছ কৰিছিল তেতিয়া গুৱাহাটী উচ্চ ন্যায়ালয় নাছিল। তেওঁ সেই সময়ত কলিকতা উচ্চ ন্যায়ালয়ত অধিবক্তা হিচাবে নাম ভৰ্তি কৰি অতি কম দিনৰ ভিতৰতে ফৌজদাৰী আইনজ্ঞ হিচাবে প্ৰতিষ্ঠিত হৈছিল। উকিল হিচাবে মেধিয়ে সদায় আচামীৰ পক্ষই লৈছিল। যদি কেতিয়াবা কোনো মোকৰ্দমা মিছা বুলি প্ৰমাণ পায় তেনেহ'লে কেতিয়াও সেই মোকৰ্দমা নলৈছিল। নিজ অঞ্চলৰ যেনে হাজো, ৰামদিয়া, বামুন্দি, শুৱাল্কুছি আদি অঞ্চলৰ মানুহে কেতিয়াবা মোকৰ্দমা সংক্ৰান্তত তেখেতৰ ওচৰ চাপিলে পৰাপক্ষত আদালতত গোচৰ নিদি মিটমাট কৰিবলৈ পৰামৰ্শ দিছিল আৰু নিজে সম্ভৱ সকলোখিনি কৰি দিছিল।

**(গ) সমাজ কৰ্মী হিচাবে বিষ্ণুৰাম মেধি ঃ**

আজিৰ পৰা প্ৰায় ১০০ বছৰ আগতে মেধি ডাঙৰীয়াই সামাজিক কৰ্মী হিচাবে যি অৱদান আগবঢ়াই গৈছে তাক প্ৰতিজন হাজো অঞ্চলৰ ৰাইজে কেতিয়াও পাহৰিব নোৱাৰে। নানা ঘাত-প্ৰতিঘাতৰ মাজত তেওঁ সমাজৰ কাম-কাজ কৰিবলৈ আগবাঢ়ি আহিছিল। এনে কাম-কাজৰ কাৰণে তেওঁ বহু সমালোচনাৰ সন্মুখীন হৈছিল, তথাপিও তেওঁ সমাজৰ কাম-কাজৰ পৰা আঁতৰি যোৱা নাছিল। হাজোত এসময়ত ভয়ংকৰ বানপানী আৰু প্ৰাকৃতিক দুৰ্যোগে দেখা দিছিল। এই দুৰ্যোগত মেধি ডাঙৰীয়াই অশেষ কষ্ট কৰিছিল। এদিন বাগ্‌টা বান পীড়িত লোকক সহায় কৰিবলৈ যাওঁতে বাট হেৰাই গোটেই ৰাতি বিলত মেটেকাৰ লগত কটাইছিল। এনে কষ্টৰ কাৰণে আমি সকলোৱে তেওঁক মনত ৰাখিব লাগিব।

**(ঘ) কংগ্ৰেছ কৰ্মী মেধি ঃ**

স্বাধীন ভাৰতৰ আগৰে পৰা মেধি ডাঙৰীয়া এজন সক্ৰিয় কংগ্ৰেছ কৰ্মী আছিল। তেওঁ কংগ্ৰেছত যোগদান কৰি কংগ্ৰেছৰ বিভিন্ন মহা-অধিবেশনত অংশগ্ৰহণ কৰিছিল। ১৯২১ চনৰ আগষ্টত মহাত্মা গান্ধী, মৌলানা মহম্মদ আলী আৰু মৌলানা ছওকত আলী প্ৰমুখ্যে নেতা-সকল অসমলৈ আহিছিল। লৌহ মানৱ বিষ্ণুৰাম মেধিয়ে এই মহান ব্যক্তিসকলৰ স্পৰ্শলৈ আহিছিল। এই সময়ত মেধি ডাঙৰীয়াই ৯ (ন) মাহ কাৰাদণ্ড হৈ শিলচৰ জেলত থাকিছিল। ১৯২২ চনৰ ছেপ্টেম্বৰ মাহত তেওঁ জেলৰ পৰা মুক্তি পাইছিল। মেধিৰ গ্ৰেপ্তাৰে জন্মস্থান হাজোত বিশেষ প্ৰভাৱ পেলাইছিল। হাজোৰ কেইবাগৰাকী ব্যক্তিও এই আন্দোলনত যোগ দি কাৰাবৰণ কৰিছিল। তেওঁলোক হ'ল কেশৱ চন্দ্ৰ বৰুৱা, ৰুদ্ৰকান্ত শৰ্মা, সতীশ চন্দ্ৰ বৰুৱা আৰু হৰকান্ত দাস। ১৯২৬ চনৰ অখিল ভাৰত কংগ্ৰেছ মহাসভাৰ ৪১তম অধিবেশন গুৱাহাটীৰ পাণ্ডুত বহিছিল। মেধি ডাঙৰীয়া এই মহা অধিবেশনৰ কোষাধ্যক্ষ আছিল। কংগ্ৰেছ কৰ্মী হিচাবে মেধি ডাঙৰীয়াই যি সফলতা দেখুৱাইছিল সেয়া সকলোৰে প্ৰেৰণা আৰু শক্তি বুলি ক'লেও ভুল কোৱা নহ'ব।

**(ঙ) মুখ্যমন্ত্ৰী মেধি ঃ**

১৯৫০ চনৰ ৫ আগষ্ট তাৰিখে মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ আকস্মিকভাৱে মৃত্যু হোৱাত মেধি ডাঙৰীয়াই অপ্ৰতিদ্বন্দ্বীভাৱে মুখ্যমন্ত্ৰী নিৰ্বাচিত হৈছিল। সেই সময়ত প্ৰাকৃতিক বিপৰ্যয়ৰ বাহিৰেও যুদ্ধ আৰু দৈনন্দিন প্ৰয়োজনীয় বস্তুৰ অভাৱ, কলা বজাৰৰ প্ৰভাৱ, পৰিবহন ব্যৱস্থাৰ শোচনীয় অৱস্থা, পূৱ বংগৰ পৰা ভগনীয়াৰ সোঁত আদি সমস্যাই অসমক আগুৰি ধৰিছিল। মেধি ডাঙৰীয়াই মুখ্যমন্ত্ৰীৰ দায়িত্ব লৈ এই সকলোবোৰ সমস্যাৰ সমাধান কৰিবলৈ অশেষ যত্ন লৈছিল। মুখ্যমন্ত্ৰী মেধিয়ে অসমত উদ্যোগ স্থাপন কৰাত গুৰুত্ব দি কৈছিল যে ডাঙৰ আৰু সৰু উদ্যোগ স্থাপনে অকল নিবনুৱা সমস্যাই সমাধান কৰিব এনে নহয়, অসমৰ জনসাধাৰণৰ হাতলৈ পইচাও আহিব। তাৰ উপৰিও দেশক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব। তেওঁ অনুপ্ৰৱেশ ৰোধ কৰিবলৈ অশেষ কষ্ট কৰিছিল। মেধিয়ে অসম চৰকাৰৰ খৰচতে সীমান্ত বাহিনী নামকৰণ কৰি অৰ্দ্ধ সামৰিক প্ৰশিক্ষণপ্ৰাপ্ত এটা বেটেলিয়ন ১৯৫৩-৫৪ চনত সৃষ্টি কৰিছিল। স্বাধীনতাৰ পিছত নাহৰকটীয়া, মৰাণ, হুগ্ৰীজান, লাকুৱা আৰু ৰুদ্ৰসাগৰত নতুনকৈ তেল আৱিস্কাৰ হোৱাৰ পিছত মুখ্যমন্ত্ৰী মেধিৰ উদ্যোগত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে কেন্দ্ৰীয় চৰকাৰক বৰ্তমান ডিগবৈ শোধনাগাৰটোৰ শোধন ক্ষমতা বৃদ্ধি কৰিছিল আৰু তৈলক্ষেত্ৰৰ ওচৰত এটা নতুন শোধনাগাৰ প্ৰতিষ্ঠাৰ প্ৰস্তাৱ দিছিল।

মেধিৰ মুখ্যমন্ত্ৰিত্বৰ কালত প্ৰথম বাৰ্ষিক পৰিকল্পনা সম্পন্ন হয়। এই কালছোৱাত অসমৰ উদ্যোগ, কৃষি, পৰিবহন আদি ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি হয়। তেওঁৰ মুখ্যমন্ত্ৰিত্বৰ কালছোৱাত ইঞ্জিনিয়াৰিং কলেজ, ভেটেৰেনাৰী কলেজ, শৰাইঘাট দলং, উমৰু জলবিদ্যুৎ কেন্দ্ৰ, গুৱাহাটী শোধনাগাৰ, স্পান চিল্ক কাৰখানা, ডেৰগাঁও চেনি কল আদি স্থাপিত হয়। কৃষি খণ্ডত জাপানী পদ্ধতিৰ প্ৰৱৰ্তন তেওঁৰ সময়তে হয়।

তেওঁৰ সমষ্টিত কৰা উল্লেখযোগ্য কাম কেইটা আছিল এনে ধৰণৰ - বৰপেটা দৌলাশাল, হাজো-গুৱাহাটী ৰাস্তা, হাজো-নলবাৰী ৰাস্তা, হয়গ্ৰীৱ মাধৱ-পুখুৰী উদ্ধাৰ, পোৱামক্কা আৰু কেদাৰ মন্দিৰলৈ জীপ যাব পৰা ৰাস্তা নিৰ্মাণ ইত্যাদি।

**(চ) প্ৰশাসক মেধি ঃ**

মেধি এগৰাকী সুদক্ষ প্ৰশাসক আছিল। ফাইলত হুকুম লিখাৰ আগতে প্ৰত্যেকটো প্ৰস্তাৱ আৰু আনুসঙ্গিক কাগজপত্ৰবোৰ নিজে পৰীক্ষা কৰি চাইছিল। ফাইলবোৰ পুঙ্খানুপুঙ্খকৈ অধ্যয়ন কৰিছিল। প্ৰশাসনৰ কামকাজত চাকৰিয়াল সকলে বা সতীৰ্থ মন্ত্ৰীসকলে কোনেও তেওঁক ফাঁকি দিব নোৱাৰিছিল। মেধি ভূমি ৰাজস্ব আৰু মুখ্যমন্ত্ৰী হৈ থকা কালছোৱাত অসম বিধানসভাত বিভিন্ন জনহিতকৰ আইন পাছ হৈছিল। তাৰ ভিতৰত ১৯৪৭ চনত নিৰ্ভেজাল খাদ্য আইন, প্ৰতিষ্ঠান পঞ্জীয়ন আইন, নিস্কৰ হিচাপে দিয়া চৰকাৰী পতিত মাটিত ৰাজস্ব নিৰ্ধাৰণ কৰা আইন, গৰু-ম'হৰ বেমাৰ নিবাৰণৰ বাবে আইন, গাঁৱলীয়া পঞ্চায়ত আইন, দুৰ্ভিক্ষ পীড়িতক সাহায্য দিয়া আইন, ১৯৪৭ চনত কলাজ্বৰ চিকিৎসাৰ আইন, চহৰ





অঞ্চলত ঘৰ ভাড়া নিয়ন্ত্ৰণ আইন, সমবায় সংঘ আইন আদি। বিশিষ্ট বুদ্ধিজীৱি হোমেন বৰগোহাঞি ডাঙৰীয়াই কৈছে "প্ৰশাসক হিচাবে বিষ্ণুৰাম মেধিৰ দক্ষতা আছিল সৰ্বজনস্বীকৃত। আমোলাতন্ত্ৰই তেওঁক ৰাবাৰ ষ্টাম্প হিচাবে ব্যৱহাৰ কৰিব পৰা নাছিল। বৰং প্ৰশাসনৰ সৰ্বস্তৰতে তেওঁৰ শক্তিশালী ব্যক্তিত্বৰ প্ৰভাৱ অনুভূত হৈছিল।"

**(ছ) ৰাজ্যপাল মেধি ঃ**

ৰাজ্যপাল পদৰ সৃষ্টি কৰোঁতে গণপৰিষেদত হোৱা আলোচনাত কোৱা হৈছিল - "A Governor does a great deal of good if he is a good Governor and he can do a great deal of mischief if he is a bad Governor inspite of the very little power given to him under the constitution, we are framing"। স্বাধীনতা আন্দোলনৰ শীৰ্ষস্থানীয় নেত্ৰী সৰোজিনী নাইডুক উত্তৰ প্ৰদেশৰ ৰাজ্যপাল পদ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰি প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল, "ৰাজ্যপালসকল কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব পালন কৰা এগৰাকী বিষয়া নহয়। তেওঁলোক হ'ল সংবিধান প্ৰদত্ত এক বিশেষ ক্ষমতাৰ অধিকাৰী।" ভাৰতবৰ্ষৰ এখন উন্নত প্ৰদেশ, দক্ষিণৰ সংস্কৃতিৰ কেন্দ্ৰ মাদ্ৰাজৰ (বৰ্তমান তামিলনাডু) ৰাজ্যপাল হিচাবে নিয়োগ কৰি দক্ষিণৰ গান্ধী নামেৰে খ্যাত সেই সময়ৰ মাদ্ৰাজৰ মুখ্যমন্ত্ৰী কামৰাজলৈ প্ৰধানমন্ত্ৰী নেহৰুৱে লিখিছিল, "কামৰাজ ডাঙৰীয়া, ভাৰতবৰ্ষৰ জনজীৱনৰ এজন লেখত ল'বলগীয়া ব্যক্তিক আমি আপোনাৰ প্ৰদেশলৈ আমন্ত্ৰণ কৰি আনিছোঁ। ভাৰতবৰ্ষ আৰু অসমৰ ৰাজনৈতিক জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন কঢ়িয়াই অনা অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি হ'ব অসমৰ নতুন ৰাজ্যপাল। মই ভাবো মেধি ডাঙৰীয়াৰ সহযোগত আপুনি এখন নতুন মাদ্ৰাজ গঢ়ি তোলাত সফল হ'ব।" ৰাজ্যপাল হোৱাৰ অলপ দিনৰ ভিতৰতে মেধি ডাঙৰীয়াই ৰাজ্যৰ সৰ্বসাধাৰণৰ প্ৰিয়পাত্ৰ হৈ পৰে, ফলত বিভিন্ন অনুষ্ঠানৰ পৰা তেওঁলৈ নিমন্ত্ৰণৰ সোঁত বব ধৰে। আনকি চুবুৰীয়া ৰাজ্য কেৰেলাৰ বিভিন্ন সংগঠনে তেওঁক নিমন্ত্ৰণ কৰিছিল। ১৯৫৯ চনত কেৰেলাৰ "নৈয়াৰ বান্ধ" মুকলি কৰে প্ৰধানমন্ত্ৰী পণ্ডিত নেহৰুৱে। সেই অনুষ্ঠানলৈ মাদ্ৰাজৰ ৰাজ্যপাল মেধিক বিশেষভাৱে নিমন্ত্ৰণ কৰা হৈছিল। ইয়াৰ পিছত ১৯৬১ চনৰ ১৮ ডিচেম্বৰ তাৰিখে ৰ'টাৰী ক্লাৱে অনুষ্ঠিত কৰা অল ইণ্ডিয়া কৃষি উদ্যোগ আৰু কলা প্ৰদৰ্শনী উদ্বোধনী কৰাৰ কাৰণে তেওঁক নিমন্ত্ৰণ জনাইছিল। মেধি ৰাজ্যপাল হৈ থকা সময়ত দাৰ্শনিক ৰাষ্ট্ৰপতি ড০ ৰাধাকৃষ্ণণে সঘনে মাদ্ৰাজ ভ্ৰমণ কৰি ৰাজভৱনত আহিছিল। দক্ষিণৰ বিভিন্ন ক্ষেত্ৰৰ শীৰ্ষস্থানীয় ব্যক্তিসকল যেনে চি. ভি. ৰমণ, ভি. ভি. গিৰি প্ৰমুখ্যে ৰাজভৱনত তেখেতক সাক্ষাৎ কৰি বিভিন্ন বিষয় আলোচনা কৰিছিল। মাদ্ৰাজত ৬ বছৰ ৩ মাহ ৰাজ্যপাল হৈ থকাৰ পিছত তেখেতক আন ৰাজ্যত ৰাজ্যপালৰ পদ যঁচা হৈছিল যদিও মেধিয়ে তাক গ্ৰহণ কৰা নাছিল।

**সামৰণি ঃ**

লৌহমানৱ বিষ্ণুৰাম মেধি সমাজকৰ্মী, কংগ্ৰেছ কৰ্মী, ওকালতি, মুখ্যমন্ত্ৰী, ৰাজ্যপাল আৰু প্ৰশাসক হিচাবে যি চমক দেখুৱাই গৈছে তাক সঁচাকৈ সকলোৱে মনত ৰখা উচিত। কৰ্মই যাৰ পৰিচয়, মেধি ডাঙৰীয়া সকলোৰে চিৰদিন আত্মা আৰু মনত স্মৰণীয় হৈ থাকিব। তেওঁ আমাৰ প্ৰত্যেকৰে প্ৰেৰণা আৰু আদৰ্শ। তেওঁ আমাৰ মাজৰ পৰা আঁতৰি গ'লেও তেওঁৰ স্মৃতিবোৰ সদায় আমাৰ মাজত সজীৱ কৰি ৰাখিব লাগিব। তেতিয়াহে তেওঁ কৰা কষ্টৰ ফল ধৰিব। মেধি ডাঙৰীয়া কেৱল হাজো আৰু অসমৰ নেতা নাছিল তেওঁ সমগ্ৰ ভাৰতবৰ্ষৰো নেতা আছিল। মেধিৰ দৰে সন্মানীয় মহান ব্যক্তি যেন অসমৰ দ্বিতীয়জন বৰ্তমানেও নাই। তেওঁক সদায় আমি মনত ৰাখিবলৈ মনে প্ৰাণে চেষ্টা কৰিম। "আমি অসমীয়া, নহওঁ দুখীয়া, বুলি সান্ত্বনা লভিলে নহ'ব" আজিৰ অসমীয়াই বিষ্ণুৰাম মেধিক নিচিনিলে অসম ৰসাতলে যাব। বিষ্ণুৰাম মেধিক আমাৰ মাজত চিৰদিন জীয়াই ৰাখিবৰ বাবে অসম চৰকাৰ তথা সচেতন ৰাইজে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। দীঘলীপুখুৰী পাৰত তেওঁৰ এটা মূৰ্ত্তি স্থাপন কৰা হৈছে। হাজো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো তেওঁৰ নামত নামাকৰণ কৰা হৈছে। হাজো উচ্চ মাধ্যমিক খেলপথাৰত তেওঁৰ নামত এটা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হৈছে। এনেদৰে বিষ্ণুৰাম মেধি ডাঙৰীয়াক আমাৰ মাজত চিৰদিন স্মৰণীয় কৰি ৰাখিম।

❖❖❖❖❖

# পাঁচালি কবি মনকৰৰ সাহিত্যকৃতি

*শ্ৰীদিপীকা বেজবৰুৱা*
*স্নাতক দ্বিতীয় বৰ্ষ*

**পাতনি ঃ** অসমৰ নৱবৈষ্ণৱ আন্দোলনৰ সময়তে আত্মপ্ৰকাশ কৰা অথচ তেওঁলোকৰ ৰচনাৱলীত বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱকে নপৰা যিসকল কবি তেওঁলোকক বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবি বুলি আখ্যা দিয়া হয়। এওঁলোক পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা ষোড়শ শতিকাৰ আদি ভাগৰ কবি। তেওঁলোকৰ ৰচনাৰ বিষয়বস্তু আৰু ৰচনা ভংগীতো বৈষ্ণৱ ভাৱাদৰ্শ পোৱা নাযায়। এওঁলোকৰ ৰচিত সাহিত্যক পাঁচালি বা ওজাপালি সাহিত্য বুলি জনা যায়।

পাঁচালি (সাহিত্য) কাব্য সৃষ্টিৰ ক্ষেত্ৰত কবি পীতাম্বৰ, দুৰ্গাবৰ কায়স্থ, মনকৰ, সুকবি নাৰায়ণদেৱ আদি কবিসকলৰ অৱদান অন্যতম। এইসকল পাঁচালি কবিৰ মাজৰ পৰা আমাৰ আলোচনাৰ বাবে কবি মনকৰৰ বিষয়ে আলোচনা কৰা হওঁক।

**কবি মনকৰৰ পৰিচয় ঃ** অসমীয়া মনসা কবিসকলৰ ভিতৰত মনকৰ আৰু দুৰ্গাবৰ কায়স্থ প্ৰথম যুগৰ। দুয়োজনাৰ ভিতৰত মনকৰ অলপ দিন আগৰ আৰু অলপ ভাটীফালৰ কবি যেন লাগে। কালিৰাম মেধি আৰু ভাৰতচন্দ্ৰ দাসে মনকৰক ত্ৰয়োদশ শতিকাৰ কবি বুলি মত দাঙি ধৰিছে যদিও দৰাচলতে মনকৰ ষোড়শ শতীকাৰ আদি ভাগৰ কবি বুলি জনা যায়।

"কমতাইৰ ৰাজা বন্দো ৰাজা জল্পেশ্বৰ।
একশত মহিযী বান্দো ওঠৰ কোঁৱৰ।"

এইবুলি কবিয়ে জল্পেশ্বৰ আৰু কমতাইৰ ৰজাক প্ৰণাম কৰিছে। মনকৰে উল্লেখ কৰা 'জল্পেশ্বৰ আৰু কমতাৰ ৰজা' আমাৰ বিশ্বাস সম্ভৱত কোঁচ ৰজা বিশ্বসিংহ। বিশ্বসিংহক কমতাৰ ৰজা বুলি কবি দুৰ্গাবৰেও উল্লেখ কৰিছে। জল্পেশ্বৰ শিৱ আৰু কমতেশ্বৰীৰ মন্দিৰ বিশ্বসিংহৰ ৰাজ্যৰ ভিতৰতে আছিল। বিশ্বসিংহই প্ৰথমতে শ্ৰীকোনাত (চিকনা) ৰাজধানী পাতিছিল আৰু পাছত কোচবিহাৰত নতুনকৈ ৰাজধানী পাতে। ৰজা বিশ্বসিংহই ১৫১০খ্ৰীষ্টাব্দৰ পৰা ১৫৪০ খ্ৰীষ্টাব্দৰ ভিতৰত ৰাজত্ব কৰিছিল। গতিকে মনকৰৰ উদ্ভৱৰ সময়ো ইয়াৰ ভিতৰতে বুলি মন কৰিব পৰা যায়। মনকৰ কমতা অৰ্থাৎ কোচবিহাৰৰ অঞ্চলৰ কবি বুলি বিশ্বাস কৰিব পাৰি।

মনকৰ কবিক পোন প্ৰথমে অসমীয়া পাঠকৰ দৃষ্টিগোচৰ কৰে প্ৰধান সাহিত্যিক শ্ৰীযুত কালিৰাম মেধিয়ে। কবি মনকৰৰ সম্বন্ধে বিশদভাৱে একো পোৱা নাযায়। তেওঁৰ মাকৰ নাম কালিন্দী বুলি জনা যায়, কিন্তু পিতৃৰ নাম জনা নাযায়। শ্ৰীযুত মেধি ডাঙৰীয়াৰ "কামৰূপৰ কামাখ্যা বন্দো ঢেকেৰিআৰ নাতি" এই চৰণটোৰ পৰা অনুমান কৰিব পাৰি যে মনকৰ ঢেকেৰিয়া ৰজাৰ নাতি আছিল।

মনকৰে গুৰুৰ ওচৰত সঙ্গীত বিদ্যা শিকি ওজা পালি কীৰ্তন কৰি ফুৰিছিল বুলি তেওঁৰ আত্ম-পৰিচয়সূচক ৰচনাৰ পৰা অনুমান কৰিব পাৰি। শাস্ত্ৰীয় আৰু লৌকিক আচাৰ পদ্ধতি সম্পৰ্কে তেওঁৰ যে যথেষ্ট অভিজ্ঞতা আছিল সেই কথা কাব্যত বৰ্ণিত হৰ-পাৰ্বতীৰ বিবাহখণ্ডৰ পৰাই বুজিব পাৰি। তেওঁ এজন শাক্ত পন্থৰ লোক। কাব্যখন পদ্মাপুৰাণ হ'লেও, দুৰ্গাদেৱীৰ বন্দনা আৰু গুণ-কীৰ্তনৰ আধিক্য লক্ষ্য কৰিবলগীয়া। কালিকা পুৰাণৰ প্ৰভাৱ হৰ-পাৰ্বতীৰ বিবাহখণ্ডত যে কিছু পৰিছে সেই বিষয়ে সন্দেহ নাই।

"হাতে দি নাজানো তালয়ে মন্দিৰা
মুখে নাজানোহো গীত,
পোএগুৰ পাঞ্চালী মই যে নাজানো
আপুনি দিয়োক চিত।"

মনকৰে আৰম্ভণিতে "পোএগুঁৰ পাঞ্চালী মই যে নাজানো আপুনি দিয়োক চিত" বুলি ক্ষমা বিচাৰিছে। মনকৰে গোটেইকেইখন কাব্য গীতৰ আকাৰত ৰচনা কৰিছে। মনকৰৰ এই কাব্যত ৰাগ-ৰাগিণীৰ স্পষ্ট উল্লেখ নাথাকিলেও গীতসমূহ যে ৰাগ, তাল, মান, লয়যুক্ত সেই বিষয়ে সন্দেহ নাই। গীতবিলাক পয়াৰ, ত্ৰিপদী ছন্দত ৰচিত। এই ৰাগ তাল মান লয়যুক্ত পদ আৰু ত্ৰিপদী ছন্দত ৰচিত গীতসমূহ পাঞ্চালী নামে পৰিচিত। কবি মনকৰে তেওঁৰ এই গীতক 'শ্ৰাৱেণৰ গীত' বা পোএগুঁৰ পাঁঞ্চালি অৰ্থাৎ পদ্মাৰ পাঁঞ্চালি বুলি কৈছে। মনকৰ সম্ভৱত নিজে সঙ্গীতজ্ঞ বা গীতাল আছিল। শাস্ত্ৰীয় আৰু লৌকিক আচাৰ পদ্ধতি সম্পৰ্কে তেওঁৰ যথেষ্ট জ্ঞান আৰু অভিজ্ঞতা থকাৰ প্ৰমাণ তেওঁৰ ৰচনাই দিয়ে।

মনকৰৰ ৰচনাৰ ভিতৰত কেৱল মাত্ৰ পদ্মা পুৰাণৰ অংশ বিশেষহে পোৱা গৈছে। বেউলা আখ্যান মনকৰৰ ৰচনাৰ ভিতৰত নাই। মনকৰে বেউলা আখ্যান লিখা নাছিল যদিও সেই আখ্যানৰ লগত তেওঁৰ পৰিচয় আছিল। বেউলা আখ্যান তেওঁ লিখিছিল যদিও এতিয়ালৈকে হয়তো কাৰোবাৰ আতাল শুৱাই আছে নাইবা লুপ্ত হৈছে।

মনকৰে মঙ্গলা চৰণৰ পিছতে মনসা পূজাৰ মণ্ডপৰ সাজ-সজ্জা, গীতাল, বৰতীসকলক উদ্বোধন কৰি সৃষ্টিৰ যি বৰ্ণনা দিছে সি ৰাখাই পণ্ডিতৰ শূন্য পুৰাণ, শংকৰদেৱৰ অনাদি পাতন, বিপ্ৰদাসৰ মনসা বিজয় আদিৰ বৰ্ণনাৰে সামঞ্জস্য থকা বিধৰ। তাৰ ভিতৰত আদিম পক্ষী-পক্ষিণীৰ পৰা জগত সৃষ্টি, অনাদিদেৱৰ পৰা ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰৰ জন্ম, অনাদিদেৱ মহেশ্বৰৰ মুখেদি তেওঁৰ গৰ্ভত বাস লোৱাত "অৰ্ধ অংগ মহাদেৱ অৰ্ধ অংগ ধৰ্ম হোৱা", আৰু অনাদিদেৱৰ ভাৰ্যা গংগা-দুৰ্গাক নিজপুত্ৰ শিৱৰ ভাৰ্যা কৰি সমৰ্পন কৰাৰ কথা বিশেষ চকুত লগা। মনকৰে নাৰদমুনিক যেনেকৈ বহুৱা কৰি তুলিছে, আৰু হেমন্ত (হিমালয়) ঋষিৰ পত্নী মেনকাই পেটত কাপোৰ বান্ধি গৰ্ভৱতীৰ ভাও জুৰি সৃকলাৰ (চিনকা) হাটলৈ যোৱাৰ যি বৰ্ণনা দিছে, সি গ্ৰাম্য ৰুচিৰ পৰিচায়ক। হৰই হেমন্ত ঋষিৰ ঘৰত থকা পাৰ্বতীক পোনতে কেলেংকাৰী কৰি কৰা বিয়াৰ আয়োজন, বিয়াৰ জোৰোণ আৰু বিয়াৰ দিনা শিৱ আৰু নাৰদৰ হাঁহি উঠা কাণ্ড-কাৰখানাৰ বৰ্ণনা মনকৰে মনোগ্ৰাহীভাৱে দিছে। ফুলবাৰী পাতি ছলকৈ তালৈ পাৰ্বতীক আনি কাম সম্ভোগ কৰাৰ বৰ্ণনাৰে 'শ্ৰীকৃষ্ণ কীৰ্তন'ৰ বৃন্দাবনখণ্ডৰ সামঞ্জস্য মন কৰিবলগীয়া। তেওঁৰ মনসা জন্মৰ বৰ্ণাও সুন্দৰ। তেওঁৰ কাব্য সমসাময়িক অসমীয়া সমাজৰ বিশেষকৈ স্ত্ৰী-আচাৰ আদিৰ এটি সুন্দৰ আভাষ পাব পৰা যায়। অসমীয়া বিবাহৰ শাস্ত্ৰীয় আৰু স্ত্ৰী আচাৰ, অসমীয়া নাৰীৰ সাজ-সজ্জা আৰু অলংকাৰ, আহাৰ-বিহাৰ আদি সামাজিক বিৱৰণ মনকৰৰ কাব্যত পোৱা যায়। চৰিত্ৰবোৰ নামত দেৱতা, কিন্তু ভাৱ আৰু ব্যৱহাৰত সাধাৰণ মানুহ। কবিৰ অভিৰুচি আৰু বৰ্ণনা শক্তি গোট খাই গীতখিনিত মুঠতে এটি মনোৰম ঘৰুৱা পৰিৱেশ সৃষ্টি কৰিছে।

মনকৰৰ কাব্যত লৌকিক আৰু সামাজিক বৰ্ণনাৰ প্ৰাধান্য দেখা যায়। বিশ্বকৰ্মাৰ কমাৰ শাল, হেমন্ত ঋষিৰ পত্নীৰ শৃকোনাত হাট বহোৱা, নাৰদৰ চতুৰালি, হৰ-পাৰ্বতীৰ কাম কেলি, কুচুনী বেশত দুৰ্গা, মহাদেৱৰ লগত গংগাৰ তৰ্ক-বিতৰ্ক, দুৰ্গাৰ সতীত্ব পৰীক্ষা ইত্যাদি বৰ্ণনাত অসমীয়া সামাজিক জীৱনৰ জীৱন্ত চিত্ৰ প্ৰকাশ পাইছে। কাব্যখন পুৰাণৰ আৰ্হিত ৰচনা কৰা, গতিকে পুনৰুক্তি আৰু প্ৰয়োজনীয় বৰ্ণনাই বহু ঠাই আগুৰিছে। লৌকিকতাৰ প্ৰাধান্য হেতুকেই বৰ্ণনাৰ গাম্ভীৰ্য্য কাব্যখনত নাই। মহাদেৱ, দুৰ্গা, গংগা আৰু পদ্মা প্ৰত্যেকেই দেৱ চৰিত্ৰ বৰ্জিত হৈ সাধাৰণ মানুহৰূপেই প্ৰকাশ পাইছে। দেৱতাৰ অটল গম্ভীৰ্য্য আৰু মহত্ত্ব এই চৰিত্ৰসমূহত নাই। মনকৰৰ মহাদেৱ পৌৰাণিক শাস্ত্ৰ সমাহিত কামদেৱক ভস্ম কৰা শিৱ নহয়। লৌকিক কৃষক দেৱতা ৰূপেহে মহাদেৱ প্ৰকাশ পাইছে। বেদৰ ৰুদ্ৰ দেৱতা পৌৰাণিক শিৱৰ মাজেদি মধ্যযুগৰ প্ৰাদেশিক কবিসকলৰ হাতত খেতিয়ক শিৱলৈ ৰূপান্তৰিত হোৱাৰ ইতিহাসটো মন কৰিব লগীয়া। কাব্যখনৰ নাৰদৰ চৰিত্ৰও বৰ আমোদজনক। ইয়াত ভক্ত তত্ত্বজ্ঞ দেৱৰ্ষি নাৰদৰ পৰিৱৰ্তে মহাদেৱৰ ভাগিন ধূৰ্ত টেটোন নাৰদকহে পাওঁ। সামাজিক বৰ্ণনাই কাব্যখনৰ বিশেষত্ব। হৰ-পাৰ্বতীৰ বিবাহখণ্ডৰ প্ৰত্যেকটো বৰ্ণনাই অসমীয়া সমাজৰ হুবহু চিত্ৰ। ইয়াৰ ফলত কাব্যখনৰ বৰ্ণনাৰ স্বাভাৱিকতা আৰু আকৰ্ষণীয় গুণ বাঢ়িছে যদিও দুই এঠাইত অশ্লীলতাৰ চূড়ান্ত অৱস্থা

পাইছেগৈ। পুৰণি লৌকিক কাব্যবিলাকত অশ্লীল আৰু গ্ৰাম্যভাৱৰ যোগেদি হাস্যৰস অৱতাৰণা কৰাৰ প্ৰচেষ্টা বিশেষভাৱে লক্ষ্য কৰা যায়।

মনকৰৰ ভাষা বৈষ্ণৱ কবিসকলৰ দৰে গাম্ভীৰ্য্য যুক্ত নহ'লেও কৃত্ৰিয়ো নহয়— কথিত ভাষাৰ ওচৰ চপা উপমাদি অলংকাৰ প্ৰয়োগৰ দ্বাৰা ভাৰাক্ৰান্ত নহয়। যি দুই এঠাইত উপমাদি অলংকাৰৰ প্ৰয়োগ আছে, তাতো গতানুগতিকতা বা কৃত্ৰিমতা নাই।

১। "কমল মুখৰ মুচুকিয়া হাসি।
শৰীৰ শোভে কেতেকীৰ পাসি।।"

২। "অমূল্য কুসুম বস্ত্ৰ পিন্ধিলা গোসানী।
শৰীৰ জৌতি জ্বলে ত্ৰিভুবন জিনি।।
বত্ৰিশ অলংকাৰ পিন্ধি বাপেৰ ভৈল আগ।
হেমন্তৰ মনে বৰ সুমাইলা বাঘ।।"

ওপৰোক্ত নিদৰ্শন মনকৰৰ স্বাভাৱিক বৰ্ণনা অলংকাৰৰ চানেকি স্বৰূপে দাঙি ধৰা হৈছে। এই কাৰণেই মনকৰৰ কাব্য কৃত্ৰিম দিব্য উপবন নহয়, প্ৰকৃতিয়ে নিজে গঢ়া কানন। ঠায়ে ঠায়ে উলুৱনি বাকৰণিও নথকা নহয়।

মনকৰৰ কাব্যত তিনিটা চৰিত্ৰ লৌকিকতাৰ ধূলি-মাকতি সানি সাধাৰণ শ্ৰোতা আৰু পাঠকৰ ওচৰ চাপিছে। এই তিনিটা চৰিত্ৰ হ'ল মহাদেৱ, নাৰদ আৰু দুৰ্গা। তিনিওটা চৰিত্ৰত দেৱত্বতকৈ মানৱীয় কাৰ্যকলাপ আৰু কামনা বাসনা অধিকভাৱে পৰিস্ফুট হৈছে। দেৱত্বৰ গাম্ভীৰ্য লৌকিকতাৰ হেঁচাত তল পৰি ৰয়। কাব্যখনৰ চৰিত্ৰবোৰ আৰু কাৰ্যকলাপ দেখিলে এনেহে ভাব হয় এওঁলোক যেন আমাৰ গাঁৱলীয়া সমাজৰ এজন।

মনকৰৰ ভাষাত মন কৰিবলগীয়া দুই এটা বৈয়াকৰণিক বিশেষত্বও আছে। 'ৰূপৱা''ৰ ঠাইত 'ৰূপমান' ক্ৰিয়াপদত 'ও' বা 'ৱ'ৰ ঠাইত 'য়'ৰ ব্যৱহাৰ 'য়'ৰ ঠাইত 'অ'ৰ ব্যৱহাৰ লক্ষণীয়। স্থানবাচক 'কৈত' বা 'কোথা' শব্দৰ ঠাইত 'কৰি' বা 'কথি' কৰ্তা-কাৰকত 'ৰে' বিভক্তিৰ প্ৰয়োগ, ষষ্ঠী বিভক্তিত 'কেৰ' প্ৰয়োগ মন কৰিবলগীয়া বিশেষত্ব।

কবিৰ বৰ্ণনাত কবিৰ চিত্ৰত, চৰিত্ৰত সভ্যতা নিদৰ্শক সঁজুলি বহুত আছে। সেই সময়ৰ আচাৰ ব্যৱহাৰ ৰীতি-নীতিৰ সাক্ষ্য জ্বলন্তভাৱে নিহিত আছে। আমি ইয়াত সেইবোৰ উল্লেখ কৰি যাম মাত্ৰ। কাৰণ উদ্ধৃত বচনৰ পিচত সবিশেষ ক'বলৈ গ'লে দ্বিৰুক্তি দোষ ঘটিব পাৰে। কবিয়ে নিজেই এই দোষৰ পৰা সম্যকভাৱে আঁতৰি থাকিব পৰা নাছিল। প্ৰথমে হিংগুল হৰিতাল ৰং ৰূপে ব্যৱহাৰ হৈছিল। তাল, মন্দিৰা, বেনা ধৰি গীত গোৱা আৰু সভাত ওজা গোৱা দস্তুৰ আছিল। হাট, বজাৰ, নগৰ ধায়েনী (ধাত্ৰী), কুন্দাৰ, সূতাৰ, ধোবা, নাপিত, কমাৰ আছিল। সোণ, ৰূপ, মুকুতা অলংকাৰ স্বৰূপে ব্যৱহৃত হৈছিল। তুলি, মহৰী, পালঙ্গী শয্যাৰ উপকৰণ চলিত আছিল। কড়ি মুদ্ৰা ৰূপে ব্যৱহাৰ হৈছিল। পিঠা, পৰমান্ন, লাৰু আদি সুমিষ্ট খাদ্য বস্তুৰ ব্যৱহাৰ থকাৰ প্ৰমাণ আছে।

দোলা, ঘোঁৰাৰো ব্যৱহাৰ আছিল। আজিকালিৰ দৰে তেতিয়া মানুহেও মুখশুদ্ধি আৰু অভ্যৰ্থনা স্বৰূপে তামোল-পাণ খোৱা আৰু দিয়া দস্তুৰ আছিল। যাত্ৰাৰ সময়ত যাত্ৰাৰ শুভাশুভ নিৰ্ণয় কৰিবলৈ জেঠী, হাঁচি, শালিকা, ফেঁচা আদি লক্ষ্য কৰিছিল। ব্ৰাহ্মণ সজ্জন যথেষ্ট থকাৰ প্ৰমাণৰো অভাৱ নাই।

মনকৰৰ ভাষাত পাণ্ডিত্যৰ প্ৰভাৱ নাই, ঘৰুৱা পৰিৱেশ আৰু অভিজ্ঞতাৰ চিত্ৰৰ পৰিপূৰ্ণ। মনকৰৰ ৰচনাত মুঠতে দুবিধ ৰসৰ প্ৰতিপত্তি দেখা যায় হাস্য আৰু শৃংগাৰ। এই দুবিধ ৰস পৰিৱেশন কৰোঁতে কবিয়ে স্থান বিশেষে ৰুচি বিগৰ্হিত চিত্ৰও উৎসাহেৰে অংকন কৰিছে।

**মন্তব্য ঃ** পাঁচালি কবি দুৰ্গাবৰৰ ভাষাতকৈ মনকৰৰ ভাষাত লোকগীতিৰ দৰে সৰলতা আৰু লৌকিক ঠাঁচ অধিক প্ৰকটভাৱে দেখা পোৱা যায়। মনকৰক এজন গাঁৱলীয়া কবি যেন লাগে তেওঁৰ লিখনি পাঁচালি সাহিত্য সৃষ্টিৰ পৰা। তেওঁ কোনো গুৰুৰ পৰা 'হাতে তাল যন্ত্ৰ ধৰি' গীত শিকিছিল বুলি জনা যায়। কবি মনকৰৰ ভাষা সৰল আৰু পোনপটীয়া তাত কল্পনা আৰু সুৰৰ গতিও সহজ।



# আনুষ্ঠানিক শিক্ষাৰ বিভিন্ন স্তৰত পৰীক্ষা ঃ নকলৰ দৰে কিছুমান অনৈতিক কাম-কাজৰ উপদ্ৰৱ

*আজিজুৰ ৰহমান*
*সহকাৰী অধ্যাপক, অৰ্থনৈতিক বিভাগ*

শিক্ষা হৈছে এটা জাতিৰ মেৰুদণ্ড। জাতিটোৰ মানসিক, শাৰীৰিক, অৰ্থনৈতিক, বৌদ্ধিক, নৈতিক, সামাজিক, ৰাজনৈতিক ভৱিষ্যৎ নিৰ্ভৰ কৰে জাতিটোৰ উত্তৰ পুৰুষৰ শিক্ষাৰ ওপৰত। মানৱ সভ্যতাৰ বিকাশৰ বিভিন্ন স্তৰত শিক্ষাৰ ভূমিকা গুৰুত্বপূৰ্ণ অপৰিহাৰ্য্য আৰু লক্ষণীয়। আন কথাত কবলৈ গ'লে মানৱ সভ্যতাৰ প্ৰতিটো স্তৰত ত্বৰান্বিত বিকাশৰ মাপকাঠি হৈছে এই প্ৰতিটো স্তৰত আহৰণ কৰা বিভিন্ন নিত্যনৈমিত্তিক কাৰিকৰী, প্ৰযুক্তি বিদ্যা, জ্ঞান-বিজ্ঞান ইত্যাদি। গতিকে জাতিটোক আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। এই প্ৰসঙ্গত ক'ব পাৰো যে আমেৰিকা, অষ্ট্ৰেলিয়া, বৃটেইন আদি পশ্চিমীয়া দেশবোৰে তৃতীয় বিশ্বৰ আফ্ৰিকা, এছিয়া দেশবোৰতকৈ নিজকে উন্নতিৰ শিখৰত প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। এই সফলতাৰ আঁৰত হৈছে শিক্ষা। এই গুণগত প্ৰয়োগিক আৰু মূল্যবোধৰ শিক্ষাই সঁচাকৈয়ে জাতিটোক উন্নতিৰ শিখৰত যে প্ৰতিষ্ঠিত কৰিব পাৰে তাৰ কোনো সন্দেহ নাই। এতিয়া প্ৰশ্ন হয় আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাই সঁচাকৈয়ে গুণগত, প্ৰায়োগিক আৰু মূল্যবোধৰ শিক্ষা দিব পাৰেনে? যদি নোৱাৰে, তেতিয়া হ'লে জাতিটোৰ ভৱিষ্যত কি? এইবিলাক প্ৰশ্নৰ আঁত বিচাৰি প্ৰচলিত শিক্ষা ব্যৱস্থাৰ লগত জড়িত বিভিন্ন স্তৰত পৰীক্ষাৰ বিভিন্ন দিশ সম্পৰ্কে এক আভাস পাওঁ।

আমাৰ প্ৰচলিত আনুষ্ঠানিক শিক্ষাৰ পদোন্নতিৰ বাবে পৰীক্ষা হৈছে এক ব্যৱস্থা। এটা শ্ৰেণীৰ পৰা ওপৰৰ অন্য এক শ্ৰেণীলৈ পদোন্নতিৰ বাবে নিৰ্দিষ্ট সময়ৰ অন্তৰালত প্ৰতিষ্ঠিত পৰীক্ষাৰ সন্মূখীন হৈ উত্তীৰ্ণ হোৱাটো বাঞ্ছনীয়। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল যে এটা পৰীক্ষা ব্যৱস্থাৰ মাজেৰে অতিক্ৰম কৰি প্ৰতিযোগিতামূলক পৰিৱেশৰ লগত মোকাবিলা কৰিবলৈ হলে প্ৰচলিত পৰীক্ষা ব্যৱস্থা নিকা হব লাগিব।

প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বিভিন্ন স্তৰৰ পৰীক্ষা ব্যৱস্থাৰ লগত জড়িত কিছুমান সমস্যাই এজন ছাত্ৰৰ জ্ঞানৰ মূল্যাংকনৰ ক্ষেত্ৰত হেঙাৰ হিচাপে দেখা দিছে। অসমৰ শিক্ষা ব্যৱস্থাৰ এজন ছাত্ৰ বা ছাত্ৰীৰ বাবে ছেবাৰ দ্বাৰা আয়োজিত হাইস্কুল শিক্ষান্ত পৰীক্ষা বা সকলোৰে পৰিচিত মেট্ৰিক পৰীক্ষাটো হৈছে জীৱনৰ আটাইতকৈ ডাঙৰ পৰীক্ষা। ইয়াৰ পিছত AHSEC ৰ দ্বাৰা আয়োজিত উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষা ইয়াৰ পিছত কলেজ স্তৰৰ বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত বিভিন্ন পৰীক্ষা। যোৱা দুটা দশকৰ পৰা যদি অনুধাৱন কৰ যায়, তেনেহ'লে বিভিন্ন উৎসৰ পৰা আহৰিত তথ্যই এইটো প্ৰতিপন্ন কৰে যে আমাৰ এই পৰীক্ষা শ্ৰেণী কোঠাত নকলৰ দৰে অনৈতিক কাৰ্য্যকলাপৰ উপদ্ৰৱ অতি উচ্চ হাৰত বৃদ্ধি হৈছে। যিটো বৌদ্ধিক মহলৰ বাবে চিন্তাৰ সময় আহি পৰিছে কিয়নো ই ছাত্ৰ-ছাত্ৰীৰ উচিত মূল্যাংকনত বাধাৰ সৃষ্টি কৰিছে। বৰ্ত্তমান নকলৰ দৰে অনৈতিক ক্যৰ্য্যকলাপৰ বৃদ্ধিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু মানসিক বিকাশত এক বিৰূপ প্ৰভাৱ পেলাইছে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মূল্যৱান কিতাপখন বা Model খনকে পৰীক্ষাত ব্যৱহাৰ কৰে। আকৌ কিছুমানে ঘৰতে নিজৰ মূল্যৱান সময় নষ্ট কৰি কাগজৰ টুকুৰাত লিখি আনি পৰীক্ষাত অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাটো পৰম্পৰাগতভাৱে চলি অহা নকলৰ এক

আওপুৰণি পদ্ধতি। ইয়াৰ উপৰিও বৰ্ত্তমান সকলোৰে বাবে উপলব্ধ মোবাইল ফোন আৰু মোবাইল ইণ্টাৰনেট আদিয়ো পৰীক্ষাৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ হৈছে। এনেদৰে নকলৰ বাহক আৰু উপায় বৃদ্ধি হোৱাৰ লগে লগে পৰীক্ষাৰ শ্ৰেণী কোঠাত এনে অনৈতিক কাৰ্য্যকলাপৰ বিস্তাৰ হোৱাটো স্বাভাৱিক। কিন্তু এই প্ৰক্ৰিয়াটো চলাই নিয়াত অকল ছাত্ৰ-ছাত্ৰীসকল দায়ী বুলি কলে ভুল হ'ব। এই অনৈতিক প্ৰক্ৰিয়াটোক সমান্তৰালভাৱে চলাই নিয়াত সেই পৰীক্ষাত শ্ৰেণীকোঠাৰ কৰ্ত্তব্যত থকা কিছুমান অসাধু শিক্ষক আৰু বহুতো অসাধু অভিভাৱকো সমানে দায়ী। এই নকলৰ দৰে অনৈতিক কাৰ্য্যকলাপবোৰ যদিও পৰম্পৰাগতভাৱে চলি আহিছে তথাপি ই আমাৰ দৃষ্টিগোচৰ হোৱা নাছিল বা হলেও কম গুৰুত্বপূৰ্ণ আছিল কিয়নো উপযুক্ত মিডিয়াৰ অভাৱ আৰু ইয়াৰ বাহক বা উপায় কম আছিল। কিন্তু মিডিয়াৰ সক্ৰিয় ভূমিকাৰ বাবে বৰ্ত্তমান এই ঘটনাবোৰ সকলোৰে দৃষ্টিগোচৰ হৈছে। এই প্ৰসঙ্গত বিগত মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ নকল সম্পৰ্কীয় বহুটো বাতৰি মিডিয়াত প্ৰকাশ পাইছিল। ইয়াৰ উপৰিও স্বয়ং অসমৰ মাননীয় শিক্ষামন্ত্ৰীৰ সাংবাদিকৰ লগত হোৱা এক সাক্ষাৎকাৰত এই বিস্ফোৰক তথ্য পোহৰলৈ আহিছে যে বহুতো বিদ্যালয়ত পৰীক্ষাৰ নিৰীক্ষকৰ দায়িত্বত থকা শিক্ষকজনে নিজেই নকল যোগনীয়াৰ। আন কিছুমান উৎসৰ পৰা দেখা গৈছে যে অভিভাৱকজনে নিজেই বাহিৰত নকল যোগনীয়াৰ হিচাপে কাম কৰি আছে।

যদি আমাৰ প্ৰচলিত পৰীক্ষাৰ প্ৰশাসন ব্যৱস্থাটো সঁচাকৈয়ে এনে হয় তেতিয়াহ'লে আনুষ্ঠানিক শিক্ষাৰ বিভিন্ন স্তৰত পৰীক্ষাৰ মূল্যাংকন ক্ষমতা আৰু ইয়াৰ গুৰুত্ব কিমান? এনে পৰীক্ষা ব্যৱস্থা নিকা পৰীক্ষা ব্যৱস্থা বুলি ক'ব পৰা যাবনে? এনে পৰীক্ষা ব্যৱস্থাৰ পৰা সঁচাকৈয়ে বছৰটো কষ্ট কৰি পঢ়ি নৈতিকতাৰে পৰীক্ষা দিয়া ভাল ছাত্ৰ ছাত্ৰীসকলে উচিত ন্যায় পাবনে? এনে পৰীক্ষা ব্যৱস্থাৰ মাজেৰে অতিক্ৰম কৰা ছাত্ৰ-ছাত্ৰীয়ে নিজকে সৎ, সাহসী, নিষ্ঠাবান আৰু পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পৰাকৈ গঢ়ি তুলিব পাৰিবনে? এনে পৰীক্ষা ব্যৱস্থাই গুণগত আৰু প্ৰায়োগিক শিক্ষা দিব পাৰিবনে?

এনে ত্ৰুটিপূৰ্ণ পৰীক্ষা ব্যৱস্থাৰে অতিক্ৰম কৰি নিজকে বিভিন্ন চৰকাৰী পদবীত আত্মনিয়োগ কৰাৰ পিছত সেই ব্যক্তিসকলে কিমান সততাৰে নিজৰ কৰ্ত্তব্য আৰু দায়িত্ব পালন কৰিব তাৰ যথেষ্ট সন্দেহৰ অৱকাশ আছে। সাম্প্ৰতিক কালত দুৰ্নীতিয়ে সকলো ক্ষেত্ৰত ছানি ধৰিছে সেয়েহে আমি ক'ব পাৰো যে, এটা গুণগত, প্ৰায়োগিক আৰু মূল্যবোধৰ শিক্ষা সকলো স্তৰতে বাৰুকৈয়ে প্ৰয়োজন হৈ পৰিছে। যিহেতু আমাৰ মূল শিক্ষা আৰু এই শিক্ষাৰ অবিচ্ছেদ্য অংগ পৰীক্ষা ব্যৱস্থাটো অতি ত্ৰুটিপূৰ্ণ, গতিকে ইয়াৰ ফলত সমাজত আত্মপ্ৰকাশ হৈছে দুৰ্নীতিৰ। আজিৰ ছাত্ৰই কাইলৈ দেশৰ নাগৰিক কিন্তু যেতিয়া ছাত্ৰই নিজৰ ছাত্ৰ জীৱনত নকলৰ দৰে এক দুৰ্নীতিৰ আশ্ৰয় লবলৈ কুণ্ঠাবোধ নকৰে সেই ছাত্ৰই ভৱিষ্যতে নিজকে বিভিন্ন দিশত আত্মনিয়োগ কৰি ছাত্ৰ জীৱনৰ স্বভাৱৰ পুনৰাবৃত্তি ঘটাই দুৰ্নীতিক আৰু গভীৰলৈ ঠেলি দিয়ে। এটা শিক্ষা ব্যৱস্থাই গুণগত, প্ৰায়োগিক আৰু ছাত্ৰ-ছাত্ৰীক প্ৰতিযোগিতাৰ সন্মূখীন হোৱাকৈ গঢ় দি তুলিব নোৱাৰিলে, সমাজৰ পৰা দুৰ্নীতি নিৰাময়ৰ কথা ভাবিব নোৱাৰি।

এনে পৰীক্ষা নিয়ন্ত্ৰণ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক সহজে ডিগ্ৰী দিবলৈ সক্ষম হ'লেও ই বাস্তৱ জগতত প্ৰতিযোগিতাৰ লগত মোকাবিলা কৰিব পৰাকৈ গঢ় দি তোলাত ব্যৰ্থ হ'ব। ফলস্বৰূপে নিৱনুৱাই আৰু ভয়াৱহ ৰূপ ধাৰণ কৰিব আৰু ইয়াৰ লগে লগে দুৰ্নীতিয়ে সকলো স্তৰতে শিপাবলৈ সক্ষম হ'ব।

❖❖❖❖❖



# ভূপেন হাজৰিকাৰ গীতত অসমীয়া সমাজ জীৱনৰ চিত্ৰ

*বিষ্ণু শৰ্মা*
*সহযোগী অধ্যাপক, অসমীয়া বিভাগ*



অসমীয়াৰ হিয়াৰ আমঠু ড° হাজৰিকা হাড়ে হিমজুৱে অসমীয়া। মুম্বাইৰ কোকিলাবেন হস্পিতালত অৰ্ধচেতন অৱস্থাত চিকিৎসাধীন হৈ থাকোঁতে কোনোবাই "মই গুৱাহাটীৰ পৰা আহিছো" বুলি ক'লে চকু মেলি নাচাইছিল। কিন্তু, কোনোবাই "মই অসমৰ পৰা আহিছোঁ" বুলি কলে জোৰকৰি হ'লেও চকু মেলি চাইছিল। উক্ত কথাষাৰে প্ৰমাণ কৰিছিল যে যাযাবৰীজনে অসমক কিমান ভাল পাইছিল। অসমক ইমান ভালপোৱা মানুহজনৰ গীতে যে অসমক যে প্ৰতিনিধিত্ব নকৰিব তাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। অসমৰ বিভিন্ন দিশ আলোকপাতৰ ভিতৰত অসমৰ সমাজ জীৱনৰ দিশো প্ৰতিভাত হৈছে। বেছিভাগ গীততেই এই সমাজ-জীৱনৰ চিত্ৰ দেখিবলৈ পোৱা যায়। সেই গীতসমূহ বিচাৰ বিশ্লেষণেৰে অসমীয়া সমাজৰ কোনবোৰ দিশ প্ৰস্ফুটিত কৰিছে তাক আলোকপাত কৰিবলৈ যত্ন কৰা হ'ল।

ড° হাজৰিকাৰ 'কাপ-মৈলাম'ৰ প্ৰথম গীতটি হ'ল 'কুসুম্বৰ'। অসমত প্ৰচলিত নৱ-বৈষ্ণৱ' ধৰ্মৰ গুৰিধৰোতা হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। ড° হাজৰিকাৰ এই গীতটিৰে শংকৰ স্তুতিৰ জৰিয়তে বৈষ্ণৱ ধৰ্মৰ গুণানুকীৰ্ত্তন কৰিছে। স্কুলীয়া জীৱনৰ এই গীতটিৰে-

*" নামঘৰ সাজিলা, ৰাইজক থাপিলা একতাৰ আসনত*
*আনি ভাওনা সোণতে বৰগীত সুৱাগা প্ৰচাৰিলা দেৱবাণী*
*মোৰ গুৰু ঐ, প্ৰচাৰিলা দেৱবাণী।"*

এই গীতটিৰে মহাপুৰুষজনাই নামঘৰ, ভাওনা বৰগীত আদিৰ জৰিয়তে বিভিন্ন জাতি এক জাতি সৃষ্টি কৰি আমাৰ মাজত একতাৰ এনাজৰীৰে বন্ধাৰ কথা ড° হাজৰিকাই উল্লেখ কৰিছে।

ভাৰতৰ স্বাধীনতা আন্দোলনত হিন্দু-মুছলমানৰ সম্প্ৰীতিত যি ঘূণে ধৰিছিল- তাক আঁতৰ কৰিবলৈ কবি-সাহিত্যিসকল পিছ পৰি ৰোৱা নাছিল। ড° হাজৰিকাও জানো বহি থাকিব পাৰে। মহাত্মাৰ আদৰ্শক লৈ হিন্দু মুছলমানৰ ঐক্য বজাই ৰাখিবলৈ ৰচাঁ গীতটিত-

*মহাত্মাই হাঁসি বোলে,*
*কৃষ্ণ কৰিম বান্ধ শিৱ ইব্ৰাহিম*
*দুয়ো একেজন হৰি কা কনো, দযিম?*
*হায় হায় ৰাম অ' ৰহিম।*
*মহাত্মাই হাঁসি বোলে,*
*গীতাকে শুনিম বান্ধ বেদকে শুনিম*
*শুনি পিছে কোৰাণৰ আয়াতক বুজিম*
*হায় হায় ৰাম অ' ৰহিম।*

ৰাম- ৰহিম, কৃষ্ণ- কৰিম, শিৱ- ইব্ৰাহিম বান্ধব হ'ব। গীতা, বেদ শুনি কোৰাণৰ আয়াত বুজিবলৈ যত্ন কৰিব। মন্দিৰৰ পূজা- অৰ্চনা কৰি মছজিদৰ ভেটি নাভাঙিম- আদি কথাৰে সম্প্ৰীতিৰ এনাজৰি গছিডাল কঁটকটীয়া কৰিবলৈ যত্ন কৰিছে। 'জুই লই নেখেলেবি' গীতত উপাধ্যায়, ত্ৰিপাঠী, আফাজ, কৰ্মকাৰ আদিয়ে মনৰ কথা পতিছে- নৰ অসমীয়া ভাষাৰে। 'মহাবাহু ব্ৰহ্মপুত্ৰ' গীতত-

*"সুদূৰ কান্যকুব্জৰে পৰা বাৰভূঞা' আহিছিলে*
*সেই বংশতে শঙ্কৰদেউ ইয়াতে জনমিলে।*
*মৰুৰ দেশৰ আজান ফকিৰে*
*মধুৰ জিকিৰ ৰচিলে*
*দিল্লীৰ দিলৰাৰে আহি*
*হস্তীপুথি আঁকিলে*
*পঞ্চনদীৰ টেগ বাহাদুৰে*
*ধৰমৰ সেতু গঢ়িলে।"*

সমন্বয়ৰ দেখুৱালে ক'ত প্ৰকাশ স্বতঃস্ফূৰ্ত" -বুলি অতীত অসমখন যে সমন্বয়ৰ তীৰ্থ আছিল তাকো হাজৰিকাই দোঁহাৰিছে।

ড° হাজৰিকাৰ গীতসমূহ বিচাৰ কৰি চালে কেইবাটাও গীতত দাৰিদ্ৰৰে আৱৰা অসমীয়া সমাজ জীৱনৰ চিত্ৰ প্ৰতিভাত হোৱা দেখিবলৈ পোৱা যায়। সেই গীতসমূহৰ ভিতৰত আটাইতকৈ কৰুণ চিত্ৰ অংকিত হৈছে 'ৰংমন মাছলৈ গ'ল' আৰু 'এন্ধাৰ ৰাতিৰ নিশাতে' গীত দুটিত। মৎস্যজীৱী অসমীয়া সমাজৰ প্ৰতিভূ হ'ল 'ৰংমন'। প্ৰতিকুল বতৰৰ বাবে ঘৈণীয়েক ৰহদৈয়ে গিৰীয়েকক মাছকে মাৰিবলৈ নালাগে যা-যাবলৈ ধুমুহা আহিবৰ হ'ল বুলি বাৰণ কৰিছে। কিন্তু, সংসাৰ দায়িত্ব পালন কৰা ৰংমনে জানে- মাছ মাৰিবলৈ নগ'লে যে, ৰাতিলৈ টেকেলী কাতি। সেয়েহে ঘৈণীয়েকৰ বাধা নামানি ৰংমন গ'ল মাছলৈ। পৰিণতিত টুলুঙা নাৱৰ পৰা ৰংমনক আঁতৰাই 'ৰংমনৰ দেহাটি টৌবোৰে সাৰতি পাৰতে শুৱাই থৈ গ'ল।' সেইদৰে 'এন্ধাৰ ৰাতিৰ নিশাতে' গীতটিত নিজৰ নৰিয়া ল'ৰাটিক ভাত এমুঠি দিব নোৱাৰি 'আমাৰে মইনা শুৱ এ', সোণালী- ধাননি দাৱএ, ন-চাউলেৰে চিৰা ভাজি দিম বাতি ভৰি ভৰি খাব, অয় বাচা টোপনী যা"- বুলি শান্তনা দি শুৱাবলৈ যত্ন কৰিছে। কিন্তু, শেষ ৰাতি মাক পানেয়ে "বাচা নেমাত কেলেই? কি হ'ল বাচা? দেহী চেঁচা কেলেই? চকু মেল বাচা। তই জথৰ কেলেই? বুকুৰে সোণ। আই বুলি নেমাত? কলিজাৰ সোণ"- বুলি গগণ ফলা চিঞৰা শব্দই সহৃদয়ৰ হৃদয় যে বিগলিত কৰিব- সি ধ্ৰুৱপ। 'দোলা দে দোলা' গীতটিত " বৰ বৰ মানুহে দোলাত টোপনি যায়, আমাৰহে ঘামবোৰ সৰে অ' সৰে"- গীতটিত ধনী আৰু দুখীয়া শ্ৰেণীৰ প্ৰতিচ্ছবি অংকণ কৰিছে। সেইদৰে 'ভাঙ, শিল ভাঙ' মেঘে গিৰ্ গিৰ্ কৰে' 'অটোৰিক্সা চলাও আমি দুয়ো ভাই' 'নেকান্দিবা নেকান্দিবা মোৰে নতুন কইনা' ' ওচৰা- ওচৰি দুটি ঘৰ' ' শীতৰে সেমেকা ৰাতি' 'লুইতৰ পাৰ দুটি' ৰিম্ জিম্ ৰিম্ জিম্ বৰষুণে, 'অসম দেশৰ বাগিছাৰে ছোৱালী'- গীতসমূহত শ্ৰমজীৱী দুখীয়া শ্ৰেণীৰ সমাজকে প্ৰতিনিধিত্ব কৰিছে।

বৰ্তমান অসমীয়া সমাজত জাতি- ভেদ প্ৰথা এচাম ন- পুৰুষে মষিমূৰ কৰিবলৈ প্ৰয়াস কৰিছে যদিও সি এপাছি শাকত এটি জালুকৰ দৰে। ড° হাজৰিকাৰ যৌৱন ভাটি দিয়ালৈকে অসমীয়া সমাজত জাত- পাত বিচাৰৰ নিয়ম কঠোৰ আছিল। স্বয়ং ড° হাজৰিকাও নিজে এই বৰ্ণ-বৈষম্যৰ বলি হৈছিল। যৌৱনে দেহত টগ্‌বগাই থকা সময়ত ড° হাজৰিকা আছিল উচ্চ শিক্ষাৰে শিক্ষিত। গীতৰ জৰিয়তে অসমীয়া সংগীত জগতৰ একচ্ছত্ৰী সম্ৰাট। বহুটো গাভৰুৰ নয়নৰ মণি আছিল ড° হাজৰিকা। এগৰাকী গাভৰুৰ বাবে ইমানবোৰ গুণেৰে বিভূষিত হ'লেও তেওঁৰ এটি গুণ নাছিল- সেয়া হ'ল উচ্চবৰ্ণ। মনে বিচৰা ছোৱালীৰ





সৈতে বিবাহ-পাশত আবদ্ধ হ'বলৈ বিচৰা স্বত্বেও এই প্ৰতিবন্ধকতাৰ বাবে নোৱাৰিলে। সেই ক্ষোভে ক্ষোভিত কৰে হাজৰিকাৰ অন্তৰ। তাৰেই পৰিণতিত তেওঁৰ গীতত সংকীৰ্ণমনতাৰ বিৰুদ্ধে বিদ্ৰোহ। যুৱতী অনামিকা গোস্বামী আৰু যুৱক প্ৰশান্ত দাসে সামাজিক প্ৰতিবন্ধকতাৰ বাবে কাকো নজনাই কামাখ্যাধামত বিয়া হৈ আশীৰ্বাদ বিচাৰি অহাত ড° হাজৰিকাই ক'লে-

*"মহা শূণ্যত উপগ্ৰহ সাজি*
*এইয়া গণ- সংযোগ কৰোৱাৰ যুগ*
*আৰু আনৱিক শক্তিক*
*দানৱৰ পৰা আনি*
*মানৱৰ সেৱাত লগোৱাৰ যুগ।*
*এইয়া প্ৰশান্ত আৰু অনামিকাৰ*
*জাতিকুল নেওঁচা সাহৰ যুগ*
*এইয়া জনাৰ যুগ*
*এইয়া বুজাৰ যুগ*
*এইয়া সীমাৰ পৰিধি ভঙাৰ যুগ"*

- বুলি কৈ ড° হাজৰিকাই তেওঁলোকৰ সাহসৰ প্ৰচেষ্টাক শলাগ লৈছে আৰু দুয়োকে অন্তৰৰ নিভৃততম কোণৰ পৰা আশীৰ্বাদ দিছে-

*"হে অনামিকা আৰু প্ৰশান্ত দাস*
*দুয়ো পাবা নৱ জ্যোতিৰ আভাস*
*আশিষ ভৰা হওঁক দুয়োৰে আকাশ।"*

"ডুগ্ ডুগ্ ডুগ্ ডুগ্ ডম্বৰু বাজে"- গীতটিত বিজুলীৰ পোহৰত (জ্ঞানৰ পোহৰত) সৰুদৈ আৰু সৰুকণে সংকীৰ্ণতাৰে ডুৱ যোৱা সমাজক এৰি প্ৰকৃতিক সাক্ষী কৰি বৈবাহিক সম্বন্ধ স্থাপন কৰিছে। ড° হাজৰিকাৰ ভাষাত-

*" সৰু সৰু সমাজৰ*
*সৰু সৰু বিচাৰতে*
*ভেকুলীয়েও বৰ লাজ পায়"*

- বুলি জাত পাতৰ বিৰুদ্ধে মুক্ত কণ্ঠে প্ৰতিবাদ কৰিছে।

সংস্কৃতিক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি- বাচিক আৰু ভৌতিক। ড০ হাজৰিকাৰ গীতত আমি দুয়োবিধৰে অনুৰণন শুনিবলৈ পাঁও। অসমীয়া জাতীয় জীৱনত বিহু এটি এৰাব নোৱাৰা অংগ। বিহু নহ'লে অসমীয়া জাতিৰ অস্তিত্বই নাথাকিব। হাড়ে- হিমজুৱে অসমীয়া ড° হাজৰিকাই জানো বিহুক নেওঁচা দিব পাৰে। গতিকে তেখেতৰ কিছু গীতত প্ৰস্ফুৰিত হৈছে বিহুৰেই কথা-

*"অ বিহুৰেনো বিৰিণা- অ' আইতা*
*অ' নাচনীৰে কলাফুল লৰে*
*বিহুৰেনো বিৰিণা- অ' আইতা*
*কেৰুমণি থুৰিয়া*
*পাতে সমনীয়া- অ' আইতা*
*তুমি আমাৰ যুৰীয়া*
*বহাগতে পাতি যাওঁ বিয়া- অ' আইতা*
*কেৰুমণি গেজেৰা নামাৰিবা কেতেৰা*
*চায়নো চাই থাকিবৰ মন।"*

হেমেন হাজৰিকাৰ ৰচনাৰ গীতত সুৰ তথা কণ্ঠদান কৰা গীতটিত -

*"চকলা টেঙাটি অকলে নাখাবি*
*আমাকো এচকল দে"*

- অসমীয়া সমাজ যে টেঙা প্ৰিয়- তাৰো আভাস দিছে। "চৰাই চিকুণ অ' লীলা ৰহিলা" গীতটিত বিহুত তৈয়াৰ কৰা পিঠা- পনাৰ সৈতে চেনেহীৰ দেহাৰ সৈতে ৰিজাইছে-

*"কেঁচা মৰম চেঁচা নৈ*
*মুখৰ মিঠা এঠা দৈ*
*মিঠা মিঠা তিলৰ পিঠা দেহাটি মোৰ চেনাই ঐ।"*

লোকগীত অসমীয়া ৰাইজৰ অতি আদৰৰ। ড° হাজৰিকাই লোকগীতত কণ্ঠদান কৰিছে যদিও নিজেও

সৃষ্টি কৰিবলৈ যত্নৰ ত্ৰুটি নকৰাকৈ থকা নাই। তাৰেই ফলশ্ৰুতিত "শ্যাম কানু" গীতটি প্ৰচলিত লোকগীতৰ আলমত ৰঁচা-

*"শ্যাম কানু, সত্যৰ মৰণ নাই।*
*সাধিলে হেৰোৱা বস্তু, হাততে যে পায়॥*
*(ঐ ৰাম) স্ত্ৰীৰ বাবে স্বামীৰ চৰণ পূত পূণ্য ঠাই।*
*মাতৃৰ বুকু তৰে যেবে পুত্ৰই বোলে আই॥*
*(ঐ ৰাম) বন্য জন্তু শান্ত নহয়, সংযম হেৰায়।*
*মানুহ ৰূপে বন্য হ'লে শোভা যে নাপায়॥"*

ড° হাজৰিকাই আজান ফকিৰৰ গীত, গোৱালপৰীয়া লোকগীত, ঐনিতম, নাওখেলৰ গীত আদিত কণ্ঠদান কৰিছে।

ভৌতিক সংস্কৃতিৰ উপাদান ড° হাজৰিকাৰ প্ৰায়বোৰ গীতত পোৱা যায়। অসমৰ জনগাঁথনিলৈ লক্ষ্য কৰিলে দেখা যায় যে তিব্বত-বৰ্মী, শ্যাম-চীনীয়, অষ্ট্ৰিক আদি গোষ্ঠীৰ লোকৰ বাসভূমি। এই সকলৰ আপোন সুৰা। সন্মানীয় অতিথিক যাচে সুৰা বা আপং। সেই সুৰা যচাঁ বাতিটো মাইহাং বা বান- বাতি। ড° হাজৰিকাৰ গীতত ইয়াৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়-

*"মাইহাং বাতিত সোৰাদ পানী যাঁচে ক'ত?*
*অ' মোৰ অসম দেশত, অসম দেশত॥"*

টাই বা আহোম ভাষাত "হেং দান" অৰ্থ তৰোৱাল। মহাত্মা গান্ধীৰ মহাপ্ৰয়াণত ড০ হাজৰিকাৰ কাপৰ পৰা ওলাইছে 'তেৰশ চৌৱন্নৰ মাঘৰ মাহ'ৰ গীতত-

*"মৰমৰ হাঁহিৰে হেং দান ভাঙিলা*
*অসত্যক কেনিবা খেদি"*

আকৌ 'অ মোৰ ভৈয়াই' গীতত "লাচিতৰ হেংদান পিছলি পৰিলে, ধৰোঁতে নৰলে কোনো মোৰ ভৈয়াইঐ- বুলি বৰ্তমান অসমীয়া সমাজক লৈ আক্ষেপ কৰিছে। সেইদৰে অন্যান্য গীতসমূহত ভৌতিক সংস্কৃতিৰ উপাদানসমূহ হ'ল- 'তাঁতৰ শাল, হাঁচতি, গামোচা, কটাৰী, নাও, বঠা, গামখাৰু, চাকি, টোকাৰী, চিফুং, বীণা, বিচনী, জাপি, লাঠী, কেৰুমণি, থুৰীয়া, মেখেলা, কোৰ, টঙাল, ৰিহা, থুৰীয়া তামোল, শৰাই, ববপেৰা, পজাঁ, জোনবিৰি, বাঁহী, গগনা, দোলা, ইত্যাদি। মিচিং সমাজত প্ৰচলিত ভৌতিক সংস্কৃতিৰ উল্লেখ থকা সামগ্ৰীসমূহ হ'ল- মিবিগালুক (উৎসৱত পিন্ধা চোলা), পেৰেৰু- মবং (চাদৰ) এগে (মেখেলা) গোংগাং (গগণা) ৰিবিগাচেং (মেঠনি)

অসমীয়া সমাজ- জীৱনৰ চিত্ৰ তেওঁৰ প্ৰায়বোৰ গীতত প্ৰতিফলিত হৈছে। ড০ মামণি ৰয়চম গোস্বামীয়ে 'ড° হাজৰিকাৰ কণ্ঠ বাদ দি অসমৰ মানচিত্ৰ আঁকিব নোৱাৰাৰ দৰে তেওঁৰ প্ৰায়বোৰ গীত অসমৰ সামাজিক চিত্ৰ বাদ দি গীতৰ মূল্যায়ন কৰিব নোৱাৰি। আহোম ৰজাই সাত ৰাজ মাৰি একৰাজ কৰাৰ দৰে মহাপুৰুষ শংকৰদেৱে 'কিৰাত, কছাৰী, খাচী, গাৰো, মিৰি, যবন, গোৱাল, অসম, মুলুক, ৰজক, তুৰুক, কুবাচ, ম্লেচ আৰু চণ্ডাল'- এই বিভিন্ন জাতি এক কৰি বৃহত্তৰ অসমীয়া সমাজ গঢ় দিয়াৰ থকা মনোবৃত্তি গ্ৰহণ কৰিছিল- সেই অসমীয়া সমাজত থকা কেৰোণসমূহ গুচাবলৈ ড° হাজৰিকাই গীতৰ মাধ্যমেৰে যৎপৰোনাস্তি চেষ্টা চলাইছিল।


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

- *ড০ দিলীপ কুমাৰ দত্ত ঃ ভূপেন হাজৰিকাৰ গীত আৰু জীৱনৰথ।*
- *ড০ ভূপেন হাজৰিকা ঃ বহ্নিমান লুইতৰ পাৰে পাৰে।*






# গল্প গুচ্ছ

# মোক সাৰটি ধৰা তুমি .........

*মিছ ৰিজুমনি পাৰবিন*
*স্নাতক দ্বিতীয় বর্ষ*

চুমিক এইটো ৰূপত এনেদৰে কাষত পাব বুলি নয়নে কেতিয়াও ভবা নাছিল। জীৱনত কেতিয়াবা এনেকুৱা অভাৱনীয় ঘটনা ঘটে, যাৰ পূৰ্বে অনুমান কৰাটো কোনোপধ্যে সম্ভৱ নহয়। চুমিৰ কপালত নয়নে আজি জোন আকি দিলে। হয়, ৰাতিপুৱা এটা মন্দিৰত চুমি আৰু নয়নৰ বিবাহ সম্পন্ন হৈ গ'ল।

নয়নে কি বিছাৰিছিল? এয়া চুমিয়ে জানে। চুমিয়ে কি বিছাৰিছিল ? এয়া নয়নে জানে দুয়োৰে সপোন কেতিয়াও একে নাছিল । ওহো নাই, নয়নে পাহৰিব পৰা নাই। পাহৰিব পৰা নাই চুমিয়েও । বডি লেংগুৱেজেৰে চুমি যে সুখী হৈছে, এয়া নয়নক বুজাবলৈ চেষ্টা কৰিছে চুমিয়ে। ওঁঠত হাঁহি বিৰিঙাই নয়নেও অভিনয় কৰিছে। ৰাতিৰ বন্ধ আন্ধাৰ কোঠালৈ ভেন্টিলেটৰৰে সোমাই অহা জোনাকৰ দৰে অলপ মৰম সোমাই আহিবলৈ চেষ্টা কৰিছে দুয়োৰে জীৱনলৈ, অভিনয় কৰাত ক্ষতি কি? নয়নৰ সৰু ভাড়াঘৰটোত আজিৰ পৰা চুমি আৰু নয়ন একেলগে থাকিব । ইটোৱে সিটোক সুখী কৰিবলৈ চেষ্টা চলালে অবিৰাম ।

চুমিয়ে কথা ক'লে । ভাললগা কথা । নয়নে হাঁহিলে । নয়নে কথা ক'লে, ভাল লগা কথা, চুমিয়ে হাঁহিলে । হঠাৎ অলপ ৰোমান্টিক হ'বলৈ চেষ্টা কৰি নয়নে সুহুৰিয়াই দিলে ।

সু - সু- উ-উ ।

আৰু লগে লগে নয়নৰ প্ৰস্তুতিলৈ মনত পৰি গ'ল। এদিন নয়নে প্ৰস্তুতিক সুহুৰিয়াই কৈছিল, সু-সু-উ-উ । মাথো চাৰিটা শব্দ । কি কৈছোঁ। কোৱা?



প্ৰস্তুতিয়ে ক'লে

- তোমাৰ ওচৰত থাকিম সদায় ।
- নহয়। নয়নে কলে শব্দ চাৰিটা হ'ল "মোক সাৰটি ধৰা তুমি" ।
- সুহুৰিৰ এনেকুৱা শব্দত যি কোৱা তাকেই মিলি যায়। প্ৰস্তুতিয়ে অভিযোগ কৰিলে এনেকুৱা অবুজ শব্দত কথা ক'লে কেনেদৰে চলিম ?
- ভালদৰে চলিম, তুমি নুবুজিলে নাই, বুজাই দিম। এনেদৰে চলিম আজীৱন ।

সুহুৰি মাৰি উঠি আজি নয়নে চুমিক নুসুধিলে কি কৈছা কোৱা বুলি। সুহুৰিটোৰ শব্দটো শুনি চুমি ভাবত বুৰ গ'ল ।

এদিন বিভৱে চুমিক সপোন দেখুৱাই কৈছিল বিয়াৰ পিছত ক'ত যাবা কোৱা । ঠাণ্ডা দিনত মুচৌৰীলৈ যাম। বৰফবোৰ কপাহৰ দৰে উৰি থাকে। কেতিয়াও অনুভব নোহোৱা কিছুমান অনুভূতি জাগে। কি যে ভাল লাগিব।

সেইদিনা বিভৱৰ উছাহক বাধা দি চুমিয়ে





কৈছিল দেখিলেহে লেখিম। বৰফ উঠা ঠাইলৈ নিয়া নে ধূলি উৰা ঠাইলৈ লৈ যোৱা কোনে জানে হু

খন্তেক সময়ৰ কাৰণে বিভৱৰ পৃথিৱীত হেৰাই গ'ল চুমি।

সুহুৰি মাৰি উঠি নয়নে চিন্তা কৰিছে মনে মনে থকা চুমিয়ে কি ভাবিছে ? বিভৱৰ পৃথিৱীৰ পৰা ঘূৰি আহি চুমিয়েও চিন্তা কৰিছে মনে মনে থকা নয়নে কি ভাবিছে?

- কি ভাবিছা - চুমি আৰু নয়নে একে লগে সুধিলে এগৰাকীয়ে আনগৰাকীক।

কি ভাবিছা? আকৌ নয়ন আৰু চুমিৰ দুটা কণ্ঠৰ একে সময়তে মিশ্ৰন ঘটিল।

নয়নে আৰু চুমিয়ে হাঁহিবলৈ ধৰিলে। একে সময়তে একে প্ৰশ্ন কৰিছে দুয়োয়ে।

- কিয় এনেকৈ মিলি গ'ল প্ৰশ্নটো ? চুমিয়ে সোধে ।
- মনৰ মিল । ৰহস্যময় হাঁহি এটা মাৰি নয়নে ক'লে মনৰ মিল থাকিলে কথাবোৰ এনেদৰে মিলি যায়।

নয়ন আৰু চুমিয়ে এনেদৰে মিলি যাব বুলি কেতিয়াও ভবা নাছিল। কিন্তু বাধ্য হৈছিল প্ৰয়োজন বুজি মিলি যাবলৈ। নয়ন, বিভৱ, চুমি আৰু প্ৰস্তুতি চাৰিওগৰাকী ভাল বন্ধু আছিল । নয়নে ভাল পাইছিল প্ৰস্তুতিক । বিভৱে ভাল পাইছিল চুমিক। নয়ন আৰু প্ৰস্তুতিয়ে কেতিয়াবা কাজিয়া লাগিলে বুজাই ছিল বিভৱ আৰু চুমিয়ে ।

বিভৱ আৰু চুমিয়ে অভিমান কৰিলে অভিমান ভাগিছিল নয়ন আৰু প্ৰস্তুতিয়ে । ফুৰিবলৈ গ'লে দুয়োহালে প্ৰায়ে একেলগে গৈছিল। সুখ -দুখ, হাঁহি কান্দোন আদিৰ প্ৰতিটোৱে প্ৰতিটোৰ সমভাগী হৈছিল। চাৰিও গৰাকীয়ে ইটোৱে আনটোৰ কথা ৰাখিছিল । কিন্তু পিছত কথা ৰখা নাছিল প্ৰস্তুতি আৰু বিভৱে। নয়নক বিধস্ত কৰি এই পৃথিৱীৰ পৰা হেৰাই গৈছিল প্ৰস্তুতি । তেনেদৰে চুমিক বিধস্ত কৰি এই ধৰাৰ পৰা হেৰাই গৈছিল বিভৱ। ফুৰ্তি কৰিয়ে বিপৰীত হৈ বাইকত বহিছিল। নয়নৰ বাইকত উঠিছিল চুমি আৰু বিভৱৰ বাইকত উঠিছিল প্ৰস্তুতি। যেন এয়ে কাল হ'ল। ৰাস্তাত এক্সিডেন্ট হৈ মৃত্যু হৈছিল বিভৱ আৰু প্ৰস্তুতিৰ।

নিঃশেষ হৈছিল বিভৱ আৰু প্ৰস্তুতি। জীয়াই থাকিও স্তব্ধ হ'ল নয়ন আৰু চুমি । একো ভাল নলগা হৈছিল নয়নৰ। চৰাইৰ কলকলনি, বৰষুণৰ টুপ -টুপ প্ৰস্তুতি অবিহনে এইবোৰৰ অৰ্থ নোহোৱা হৈছিল নয়নৰ বাবে। এসময়ত ভাল লগা অৰ্থ পূৰ্ণ শব্দবোৰ যেন অৰ্থশূন্য হৈ পৰিছিল। ৰাস্তাৰে গ'লে পাৰ হৈ যোৱা ছোৱালীবোৰৰ পিনে চাই নয়নে সন্ধান কৰিছিল প্ৰস্তুতিক, কিজানি ইয়াৰ মাজতে আছে প্ৰস্তুতি। ভাল নলগা সংগ লৈয়ে নয়নে তিনি আলিৰ আড্ডাত যোগ দিছিল প্ৰস্তুতিক পাহৰিবলৈ। নাই একোতে মন বহুৱাব পৰা নাছিল নয়নে। অফিচত নিজৰ কামৰ উপৰিও সহকৰ্মীৰ কামৰ বোজা লৈয়ো ব্যস্ত হৈ থাকিব চেষ্টা কৰিছিল নয়নে, কিন্তু সফল হোৱা নাছিল, জীৱন জটিল আৰু অৰ্থশূন্য হৈ পৰিছিল নয়নৰ বাবে ।

ইফালে চুমিৰ অৱস্থা গুৰুতৰ হৈ পৰিছিল। চুমিৰ অনুভৱ হৈছিল তাই মৰি যাব নেকি? বুকুখন বৰ উদাস আৰু অসহায় হৈ থাকিবলৈ লৈছে। জীৱনৰ অৰ্থশূন্যতাই এক অক্টোপাছৰ দৰে মেৰিয়াই ধৰিছে চুমিক। তাইৰ ভাব হৈছিল ইতিমধ্যেই তাই শুকান জীৱহীন মামিত পৰিণত হৈছে চুমিৰ তাড়না জাগিছে আত্মহত্যা কৰিবলৈ।

নয়নে চুমিক বুজাইছিল, ব্যস্ত হোৱা নিজক পাহৰিবলৈ। আত্মহনন ভদ্ৰলোকৰ কাম নহয়। জীৱন অসহনীয়, কিন্তু ইয়াক সহ্য কৰিব লাগিব। নিজৰ ইচ্ছাৰে মৃত্যুক গ্ৰহণ কৰাটো নচলিব। আত্মহত্যা কৰি

নিজৰ জীৱনটোক আনৰ নিন্দাৰ পাত্ৰ হ'বলৈ নিদিবা। - কিছুমান কথা পাহৰিবলৈ নিবিড়ভাৱে ব্যস্ত হৈ থাকিব লাগিব। হ'ব পাৰে এয়া আত্মপ্ৰতাৰণা। জীৱনৰ নিষ্ঠুৰতাৰ পৰা ৰক্ষা পাবলৈ এনে আত্মপ্ৰতাৰণাৰ আশ্ৰয় ল'ব লগা হয়।

নয়নে যেনেদৰে চুমিক সাহস দিছিল, তেনেদৰে চুমিয়েও গভীৰ প্ৰত্যয়েৰে নয়নৰ বিষণ্ণ সময়খিনিত কাষত থিয় হৈছিল। অনুপ্ৰেৰণা যোগাইছিল। লাহে লাহে ওচৰ চাপি আহিছিল দুয়ো দুয়ো বুজিছিল দুয়ো সলনি হোৱাটো প্ৰয়োজন। দুয়ো উপলব্ধি কৰিছিল দুয়ো নতুন জীৱন এটাৰ আৰম্ভণি কৰাটো প্ৰয়োজন।

এদিন চুমিয়ে নয়নক কৈছিল - তোমাক বৰ দৰকাৰ। জীয়াই থাকিবৰ বাবে। দুয়ো বিয়া হোৱাৰ সিদ্ধান্ত লৈছিল, এটা মন্দিৰত নয়ন আৰু চুমিৰ আজি বিয়া হৈ সোমাইছে চুমি, বহু ভাবনাই অহা যোৱা কৰি আছে ভাড়াঘৰটোত।

চুমি সুখীনে ? নয়নে ভাবিছে।

নয়ন সুখীনে ? - চুমিয়ে ভাবিছে। বিয়াৰ কথা, দুয়ো আজি সুখী হোৱাটো উচিত আছিল, অথচ বৰ কৰুণাভাৱে নয়নৰ প্ৰস্তুতিলৈ মনত পড়িছে। বৰ কৰুণভাৱে চুমিৰ মনত পৰি গ'ল বিভৱলৈ।

নয়নে আকৌ সুহুৰি মাৰিলে। সু-সু—উ—উহু যাৰ অৰ্থ চুমিয়ে বুজি নাপালে। নয়নে ভাবিলে, এই সুহুৰিৰ অৰ্থ চুমিয়ে কি বুজি পাব? সুহুৰি মাৰি উঠি প্ৰস্তুতিক সোধাৰ দৰে চুমিক কোনেদিন সোধা নাই নয়নে – 'কি কৈছোঁ কোৱা' বুলি।

চুমিয়ে নয়নৰ চকুত চকু ৰাখিছে। নয়নে পুনৰ সুহৰিৰ অৰ্থ স্পষ্ট কৰি সু—সু–উ–উ, লগে লগে সুহুৰিৰ অৰ্থ স্পষ্ট কৰি নয়নে ক'লে মোক সাবটি ধৰা তুমি।

চুমিয়ে উচুপিবলৈ ধৰিলে। নয়নে দুবাহু মেলি দিলে। কান্দোন বন্ধ কৰি সৰু ছোৱালীৰ দৰে নয়নৰ বুকুৰ ভিতৰত সোমাই পৰিল চুমি।

◆◆◆◆◆

## কৌতুক

খুৰছিদে নতুনকৈ কিনি অনা গাড়ীখনত উঠি বজাৰলৈ বুলি গৈছে। স্পিডব্ৰেকাৰ এটা পাই ব্ৰেক মাৰিলে। স্পিডব্ৰেকাৰত গাড়ীখন বৈ গ'ল।

খুৰছিদ : কি হ'ল ড্ৰাইভাৰ গাড়ী বৈ গ'ল যে?

ড্ৰাইভাৰ : নাই ছাৰ ব্ৰেক মাৰিছো।

পুনৰ ড্ৰাইভাৰৰ ছিটৰ ওচৰত এটা শব্দ হোৱাত—

খুৰছিদ : কিহৰ শব্দ অ'?

ড্ৰাইভাৰ : গিয়েৰ সলাইছো ছাৰ।

খুৰছিদ : গাড়ীখনক অনা দুদিনেই হোৱা নাই। তই ব্ৰেক মাৰিলি আকৌ গিয়াৰো সলালি। তই কালিৰ পৰা আহিব নালাগে।

*সদৰ আলী*
*একাদশ শ্ৰেণী*



# ৰণ্টু

*মিছ গীতামণি ডেকা*
*অতিথি প্ৰৱক্তা, শিক্ষা বিভাগ*

আজি তিনিদিন হ'ল, ৰণ্টুৰ একো খবৰ পোৱা নাই। আগতে সি কেতিয়াও এনে নকৰে। atleast গৈ পোৱাৰ খবৰটো দিয়ে। কি হ'ল জানো ম'বাইলটোও অফ্ বুলি কয়। মই কি কৈ আছো শুনিছেনে? কি হ'ল অ মানুহজনৰ? ৰণ্টুৰ মাকে দেউতাকৰ ফালে ঘূৰি চাই দেখিলে তেওঁ বহি থকা চকীখনতে শুই পৰিছে। তাকে দেখি ৰণ্টুৰ মাকে পুনৰ ক'লে। মানুহজনৰ স্বভাৱটো যে সলনি কৰিবই নোৱাৰিলো, অকল টোপনি, কেৱল টোপনি ......................

ৰণ্টু হঁতৰ ঘৰ নগাঁৱত। মাক-দেউতাকৰ সি একমাত্ৰ ল'ৰা। আগতো নাই। পিছতো নাই। দেখিবলৈ বৰ মৰম লগা। এটা নোদোকা পোৱালী। সেয়ে ওচৰ-চুবুৰীয়াৰো সি আকৰ্ষণৰ কেন্দ্ৰবিন্দু। দেখিলে একোলা নোলোৱাকৈ কোনেও থাকিব নোৱাৰে। তাৰে ঠুনুক-ঠানাক মাতত জীপাল হৈ পৰে ঘৰখন। তাৰ হাঁহিত সৰগ বিচাৰি পায় ৰণ্টুৰ মাকে। সঁচাকৈ বৰ মৰম লগা ল'ৰাতো। লাহে লাহে ফুলকুমলীয়া ৰণ্টু ডাঙৰ হৈ আহিল। সি স্কুলত যাব পৰা হ'ল। সমনীয়াৰ লগত খেলিব পৰা হ'ল। তাৰ ধেমালিসুৰীয়া স্বভাৱটোৰ বাবে লগ-সমনীয়াৰ মাজতো বৰ আপোন সি। সময়ৰ লগে লগে ৰণ্টুই জীৱনৰ ২০ টা বসন্ত পাৰ কৰিলে। কিন্তু মাক-দেউতাকৰ মনত তেনেই সৰু সি। সেই ঠুনুকা-ঠানাক মাতেৰে কথা কোৱা ৰণ্টু। মান-অভিমান ভৰা ৰণ্টু। ধেমালিসুৰীয়া ৰণ্টু। এতিয়া আকউ সি ইঞ্জিনীয়াৰিং পঢ়ি থকা ৰণ্টু। "হেৰি উঠকহে। ল'ৰাটোৱে বা কিয় ফোনটো অফ্ কৰি থৈছে খবৰ এটা কৰকচোন।" 'কিনো ঘেচ-ঘেচাই থাকাহে, কৰিম ৰ'বা, ম'বাইলত Charge নাই ছাগে, তাত বাহিৰেনো কি হ'ব? ল'ৰাটোৰ প্ৰতি তোমাৰহে কিবা চিন্তা আছে নেকি, মোৰ কি একো নাই, সি মোৰো ল'ৰা, অকণমানটো Practical হোৱা, Be Positive বুজিছা Be Positive। নহ'লে সেই কেঁকোৰা গাতৰ পানী হৈ যাবা। 'আপোনাৰো যে কথা' ৰণ্টুৰ মাকে লাহেকৈ ক'লে। তাৰ পিচতো তাইৰ মনটো উচপিচাই আছে। কেনেকৈ তাই গিৰিয়েকৰ আগত Practical হৈ দেখুৱাব। ৰণ্টুৰ নেদেখাকৈ ৰণ্টুৰ মাত নুশুনাকৈ তাই ৫ মিনিটো থাকিব নোৱাৰে। তথাপি ৰণ্টুক বাহিৰলৈ পঢ়িব পঠাইছে। একমাত্ৰ তাৰ ভৱিষ্যতৰ কথা ভাবি। কিন্তু ৰণ্টুৰ মাতটো নুশুনাকৈ এই তিনিদিন তাই কোনোমতে পাৰ কৰিছে। বহুবাৰ বুজাইছে নিজৰ মনটোক। আৰু নোৱাৰে তাই। চৰাই হোৱা হ'লে তাই উৰি গৈ ৰণ্টুৰ ওচৰ পালেহেতেঁন। কিন্তু চৰাইৰ দৰে তাইৰ দুখন ডেউকা নাই। গিৰিয়েকৰ দৰে তাই ধৈৰ্য্য ধৰি থাকিবও নোৱাৰে। তাই মাক, মমতাৰ আৱেগে তাইৰ হৃদয়াকাশত খুন্দিয়াই আছে। কানখনে ৰণ্টুৰ মানতো শুনিবলৈ অধীৰ আগ্ৰহেৰে বাট চায় আছে। কেতিয়া সি ক'ব, "মা, মই আহি পালো। হোষ্টেলতে আছো। তুমি দিয়া খোৱা বস্তুবোৰ খাইছো দিয়া। তোমালোকে ভালকৈ থাকিবা। বেচি চিন্তা নকৰিবা। মইইয়াত ভালকৈ থাকিম। Ok ....... Bye......... Maa।" কিন্তু আজি তিনিদিন হ'ল তাৰ ফোন অহা নাই। কি কৰো, কি নকৰো কি তাই বাৰে বাৰে ফোন Try কৰি থাকিল। কোনো সহাঁৰি নাই। মাথোন কয় The subscriber you are calling is currently switched off ............ Please call after sometime. ধেৎ এইটো আৰু কথা হ'লনে .................. তোৰ মাত শুনিবলৈ ফোন কৰা নাই অ' আই, বাৰে বাৰে আমনি নকৰিবি, চুপ থাক।

❖❖❖❖❖

# পৰী

*শ্ৰীনিৰ্মালী হাটখোৱা*
*স্নাতক দ্বিতীয় বৰ্ষ*



ৰাতিপুৱাতে উঠি ধীৰেণে আজিও গা পা ধুই খাই বৈ কামলৈ ওলাল। ধীৰেণ এজন চৰকাৰী কৰ্মচাৰী। তেওঁক মাক-দেউতাকে একমাত্ৰ পুত্ৰ হোৱা হেতুকে বহুত আলাসত ডাঙৰ দীঘল কৰিছিল। তেওঁলোকৰ টকা-পইচাৰ অভাৱ নাছিল। ধীৰেণে সদায় চিটি বাছতেই অফিচলৈ যায়। আজিও তেওঁ চিটি বাছত উঠিল। তেওঁৰ লগতে উঠিল কেইগৰাকীমান স্কুলীয়া ছাত্ৰী। সিহঁতৰ বয়স সোতৰ-ওঠৰ মান হ'ব। কেইজনমান অভদ্ৰ ল'ৰাই ছোৱালীকেইজনীক বেয়া ইংগিত দি জোকাবলৈ আৰম্ভ কৰিলে। ছোৱালীকেইজনীয়ে বাছত কিবা গণ্ডগোল হোৱাৰ ভয়তে ল'ৰাকেইজনক একো নকৈ সেইবোৰ সহ্য কৰি থাকিল। বাছখনত থকা সকলোৱে এই কথা লক্ষ্য কৰিছিল কিন্তু ছোৱালীকেইজনীৰ হৈ ল'ৰাকেইটাক কোনেও একো নক'লে। ধীৰেণো সেই যাত্ৰীবোৰৰ মাজতেই আছিল। তেওঁ এই কথাবোৰ লক্ষ্য কৰি আছিল আৰু তেওঁ মনতে ভাবিছিল— "ভালেই হৈছে ছোৱালীকেইজনীয়ে নামাতাই। এনেই অবাবতে হুলস্থূল হ'লহেঁ। ছোৱালীবোৰেনো ইমানকৈ কিয় পঢ়িব লাগে? তাতে আকৌ বাছত অহা-যোৱা কৰি। ছোৱালীবোৰে ইমান পঢ়ি লাভ নাই। সিহঁতে বিয়া হৈ পাকঘৰ সোমাবই লাগিব।" কিয় জানো ইমান শিক্ষিত হৈও ধীৰেণৰ মনত ছোৱালীবোৰৰ প্ৰতি ইমান বেয়া ভাব। এইবোৰ কথা ভাবি ভাবি ধীৰেণে বাছৰ পৰা নামি অফিচলৈ গ'ল।

ধীৰেণৰ ঘৰত এতিয়া তেওঁৰ পত্নী গৰিমা আৰু তিনিটা সন্তান ৰাকেশ, হিতেশ আৰু সকলোতকৈ সৰু পৰী। ৰাকেশ সৰুৰে পৰাই বৰ নম্ৰ আৰু লাজকুৰীয়া। কিন্তু পঢ়াত সি চোকা আছিল। এতিয়া সি ওচৰৰে কলেজ এখনত ইংৰাজী বিভাগৰ অধ্যাপক। কিন্তু ধীৰেণৰ দ্বিতীয় পুত্ৰ হিতেশ ৰাকেশৰ সম্পূৰ্ণ বিপৰীত। এলেহুৱা, অভদ্ৰ। ৰাতিপুৱা ঘৰৰ পৰা কেতিয়া ওলাই যায় আৰু ৰাতি কেতিয়া ঘৰ সোমায় একো হিচাপ নাই। কেতিয়াবা বা ৰাতি নাহেই ঘৰলৈ। তথাপিও মাক-দেউতাকৰ অতি মৰমৰ সি। তাৰ কোনো কামতেই বাধা নিদিয়ে তেওঁলোকে। আৰু আটাইতকৈ সৰু অতি মৰমলগা পৰী। পৰীৰ পঢ়া শুনাত বৰ আগ্ৰহ আছিল। কিন্তু মাক-দেউতাকে তাইতকৈ ল'ৰাকেইটাৰ পঢ়া শুনাতহে বেছি গুৰুত্ব দিছিল। পৰীয়ে পঢ়াৰ ক্ষেত্ৰত বহুত কষ্ট কৰিছিল। কাৰণ তাই ডাঙৰ হৈ এগৰাকী ভাল চিকিৎসক হোৱাৰ আশা মনত পুহি ৰাখিছে। কিন্তু ধীৰেণ আৰু মাক গৰিমাৰ মতে, ল'ৰাকেইজনেই পঢ়ক, নাম কৰক আৰু তেওঁলোকৰ বংশ আগুৱাই নিয়ক। পৰীৰ এতিয়া ১৭বছৰ। ধীৰেণৰ বন্ধু পবিত্ৰই তেওঁৰ পুত্ৰ কমললৈ ধীৰেণক পৰীৰ হাত খুজিলে। কমল পবিত্ৰৰ একমাত্ৰ ল'ৰা। ধীৰেণে পৰীৰ ভৱিষ্যতৰ কথা একো চিন্তা নকৰি পৰী আৰু কমলৰ বিয়া ঠিক কৰিলে। পৰীৰ সকলো সপোন যেন তাতেই চুৰমাৰ হৈ গ'ল। পৰী আৰু কমলৰ বিয়া হ'ল। পৰীয়ে তাইৰ সকলো আশা-আকাংক্ষা মনতেই পুহি ৰাখিলে এটা সুন্দৰ সপোনৰ নিচিনা। মাক-দেউতাকৰ আওকাণৰ কাৰণে পৰীৰ প্ৰতিভা কেতিয়াও বাহিৰলৈ ওলাই নাহিল। কমল দেখাশুনাই যদিও ভাল আছিল সি কিন্তু ১৬ বছৰমান বয়সৰ পৰাই বেয়া সংগত পৰি ড্ৰাগছ সেৱন কৰিছিল। এই কথা তাৰ মাক-দেউতাকে নাজানিছিল। বিয়াৰ এমাহৰ পিছত এদিন কমলৰ গা বৰকৈ বেয়া হ'ল। ডাক্তৰৰ পৰা ড্ৰাগছ সেৱন কৰা কথা শুনি মাক-দেউতাক আচৰিত হ'ল। এটা সময়ৰ বাবে তেওঁলোকে যেন বিশ্বাসেই কৰিব পৰা নাছিল। ডাক্তৰে ক'লে— কমলৰ এতিয়া লাষ্ট ষ্টেজ। সি আৰু কেইদিনমানৰহে আলহী। পৰীৰ যেন জীৱন তাতেই শেষ হৈ গ'ল। ইমান সৰুতে বিয়া দি মাক-বাপেকেই পৰীৰ জীৱন ধ্বংস কৰিলে। কেইদিনমানৰ পিছত কমলৰ মৃত্যু হ'ল আৰু শেষত অকণমানি পৰীয়ে বিধৱাৰ জীৱন কটাব লগীয়া হ'ল।

কমল মৰাৰ তিনিমাহ পিছত এটি শনিবাৰৰ ৰাতিপুৱা। ধীৰেণে পবিত্ৰৰ পৰা খবৰ পালে তেওঁৰ ছোৱালী আৰু এই সংসাৰত নাই। দুই পুত্ৰ আৰু পত্নীৰ সৈতে ধীৰেণে পবিত্ৰৰ ঘৰ পাই দেখে যে এখন দীঘল কাপোৰেৰে পৰীয়ে তাইৰ ডিঙিটো ফেনৰ লগত ওলোমাই ৰাখিছে। সকলোৱে মৰমৰ কণমানি পৰী আৰু নাই।

ধীৰেণে এফালে ডাঙৰ পুত্ৰক ভালকৈ পঢ়াই অধ্যাপক বনালে কিন্তু পৰীক? পৰীক এটা অন্ধকাৰ জীৱনৰ ফালে ঠেলি দিলে। যদি ধীৰেণ আৰু গৰিমাই পৰীৰ পঢ়াশুনাকলৈ গুৰুত্ব দিলেহেঁতেন তাই হয়তো আজি এগৰাকী ভাল চিকিৎসক হ'লহেতেন।

◆◆◆◆◆

## সাত ভনী সম্পৰ্কে কিছু তথ্য

- অৰুণাচল প্ৰদেশক "কাহিলি পুৱাৰ উজ্জ্বলিত পৰ্বতমালাৰ ভুমি" বুলিও জনা যায়।
- অসম "ৰঙানদী আৰু নীলা পাহাৰৰ" ভুমি হিচাপেও পৰিচিত ।
- মনিপুৰক "ভাৰতৰ ৰত্ন" বুলিও জনা যায়।
- মেঘালয় "পূবৰ স্কটলেণ্ড " হিচাপেও জনাজাত ।
- মিজোৰামক "শান্তি আৰু উন্নতিৰ' ভুমি বুলিও জনা যায়।
- নাগালেণ্ড "পূবৰ ছুইজাৰলেণ্ড" হিচাপেও প্ৰখ্যাত ।
- ত্ৰিপুৰা "সেউজ ভুমিৰ স্থল" নামেৰেও পৰিচিত ।

# দোষ কাৰ

শ্ৰীনিহাৰীকা মালাকাৰ
স্নাতক তৃতীয় বৰ্ষ

কাতিৰ কুঁৱলীসনা এটি কোমল পুৱা। আনদিনৰ দৰে আজিও মই দেউতাৰ লগত প্ৰাতঃভ্ৰমণৰ বাবে ওলাই গৈছিলো। পথৰুৱা বাটটোৰে আমি কিছু সময় আগুৱাই গৈ দেখিলো, সেইদিনা যেন বাটটোত মানুহ অলপ বেছি। দেউতা আৰু মই অলপ উৎকণ্ঠিত হ'লো। কিছুদূৰ আগুৱাই গৈ দেখিলো এজাক মানুহে কিবা এটা আগুৰি আছে। মোক থিয় কৰাই থৈ দেউতা মানুহৰ ভিৰ ঠেলি জুমটোৰ মাজত সোমাই গ'ল। দেখিলো দেউতা জুম ফালি ওলাই আহিছে আৰু দুহাতেৰে মুখ ঢাকি ধৰিছে। মই বুজিলো দেউতাই কান্দিছে। গাটো মোৰ শিঁয়ৰি উঠিল। বাটত একো নুসুধিলো। ঘৰত গৈ মাক কোৱা শুনিলো, এজন বোলে ছফল ডেকা ল'ৰাক কোনোবাই নৃশংসভাৱে হত্যা কৰি পেলাই থৈ গৈছে। মোৰ মনটোও বেদনাৰে উপচি পৰিল। কলেজলৈ গ'লো, তাতো কথাটোৱে বেছ ঠাই অধিকাৰ কৰিছে। কাৰোবাৰ সহানুভূতি, কাৰোবাৰ সমালোচনা এইবিলাক একোৱেই মোৰ কাণত নোসোমাল। বাৰে বাৰে চকুৰ আগত ভাঁহি থাকিল পিতৃত্বৰ অপাৰ চেনেহেৰে জীপাল হৈ থকা মোৰ দেউতাৰ চকুপানীৰে সিক্ত চকুহালি। সেই ডেকাটোৰ বা ঘৰ ক'ত? তাৰ বাৰু মাক-বাপেক আছেনে? ভনীয়েক...? তাৰ বাৰু দোষ ক'ত? সন্ত্ৰাসবাদী হোৱাত নে দেশক ভাল পোৱাত?

◆◆◆◆◆



# মোৰ হৃদয়ৰ পৰী

শ্ৰীকমল দাস
স্নাতক প্ৰথম বৰ্ষ

"জালিম হিয়া চাকিৰ প্ৰেমৰ শলিতা গচি
বিৰহ অগনি দাহ লৈ
বঢ়াম ৰূপ শৰাই যতনে হিয়াত থাপনা পাতি
দেহা ধূনা ধূপবীতি লৈ।

জোনাক জিলমিল, তৰা তিৰবিৰ এটি নিঃশব্দ, নিতাল, ধুনীয়া সুৰ সংগমত শৰতৰ সেমেকা জোনাকী গধূলি। শৰতৰ শেৱালি, গুটিমালিকাৰ সুবাসে পৰিৱেশটি ৰসাল কৰি তুলিছে। নিঃশব্দে মোৰ পঢ়া কোঠাৰ খিৰিকীৰ জপনাখন মেলি দিলো। জোনাক জালিয়ে মোৰ পঢ়া টেবুলখন পোহৰাই তুলিলে। জোনাকীৰ জিলমিল আৰু তৰাটিৰ তিৰবিৰণিয়ে মোলৈ আনিলে এটি অনুভৱৰ টোপোলা। টোপোলাটি খুলি দেখিলো এজাক প্ৰেমৰ মলয়া। সেই মলয়াজাক মোৰ গাত লাগি দেহত প্ৰেমৰ শিহৰণ জগালে। মই যেন ভাগৰুৱা হৈ পৰিলো।

লগ পাবৰ আজি তিনি-চাৰি মাহ মান হ'ল, হঠাৎ এই শৰতৰ গধূলিটিত আজি মোৰ তাইলৈনো বাৰু কিয় ইমান মনত পৰিলেহু তাইৰ প্ৰতিচ্ছবি মোৰ চকুত আজি কিয় ভাঁহি উঠিলহু কিজানি মই তাইৰ প্ৰেমত পৰিছোহু সেই দীঘল চুলিতাৰি ব'দত চিকমিকাই থকা, তীক্ষ্ণ হৰিণী নয়নযুৰি, উদ্দীপ্ত মুখমণ্ডল, ধেনুভেৰীয়া ওঠ দুটিত মন পৰষা মিঠা হাঁহি যেন সৰগৰ অপ্সৰাহেহু হয় সঁচাকৈয়ে চাগে মই তাইৰ প্ৰেমত পৰিছোহু গধূলিৰ সেই জোনাক জালিয়ে মোক ভালপোৱাৰ উন্মেষ জগালে। বৰ আমনি কৰিলে সিদিনাৰ জোনাকে। জীৱনত প্ৰথমবাৰৰ বাবে মই কাৰোবাৰ প্ৰেমত পৰিলো। নেজানো তাইৰ চকুহালত কি যাদু আছে যে মোক তাইৰ প্ৰেমত পৰিবলৈ বিয়াকুল কৰি দিলে। দেখাত তাই যিমানেই ধুনীয়া থিক তেনেই তাইৰ সুকোমল হৃদয়খন। হয়তো সেইকাৰণে মই তাইৰ প্ৰেম সাগৰত জঁপিয়াই পৰিলো।

লাহে লাহে গধূলিয়ে বিদায় মাগিলে, আগমন এটি ৰসাল শৰতৰ নিয়ৰ সনা ভিজা ৰাতি। সিদিনা ৰাতিটো মোৰ উজাগৰে গ'ল। মই ৰাতিটো ইয়াকে ভাবি কটালো যে কেনেকৈ মই মোৰ হৃদয়ে বিচৰা সপোন কুঁৱৰীক মোৰ ভালপোৱা প্ৰকাশ কৰিম? চকু মুদিব খুজিলে মোৰ চকুত ভাঁহি উঠে তাইৰ প্ৰতিচ্ছবি। কি কৰো মই এতিয়া, কেতিয়ানো পুৱাই ৰাতিটো, চৰাইজাকে কেতিয়ানো গীত গাব?

পুৱতি সাৰ পালে, চৰাই-চিৰিকতিয়ে গান গালে, ৰঙা সুৰুজৰ হেঙুলি ৰহন মোৰ চকুত পৰিলে, মই কক্‌বকৈ বিচনাৰ পৰা উঠি আহি গছৰ ওপৰৰ চৰাইজাকক চালো, সিহঁতে আনন্দত নাচি বাগি সুমধুৰ গীত গাইছে। হয়তো চৰাইকেইহালেও মাক ভালপোৱাৰ আদৰণি জনাইছে। সেই পুৱাটো আছিল মোৰ বাবে মোৰ জীৱনত এটি ৰসাল তৃপ্তিময়, চিৰস্মৰণীয় ৰাতিপুৱা। হয়তো এই পুৱাটি মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰো। মই ইমান আনন্দৰ ৰাতিপুৱা কেতিয়াও অনুভৱ কৰা নাছিলো। মই মোৰ হৃদয়ে বিচৰা পৰীজনীক পাবলৈ মই উদ্বাউল হ'লো। বিদ্যালয়লৈ যোৱাৰ সময় হ'ল। গা-পা ধুই, চাকি-বন্তি জ্বলাই মই বিদ্যালয়লৈ গ'লো। মনত আজি বহুত আশা। সফল হ'বনে নহবই বা?

*"আশাবোৰ আজুৰি আনি পুৱাব পৰা হ'লে,*

*জীৱনটো প্ৰেৰণাৰ মাজত কটাব পৰা হ'লে,*
*এই মায়াৰ ধৰাত দুদিনৰ বাবে আহিছো আলহী হৈ*
*জীয়াই থাকিব বিচাৰিছো কাৰোবাৰ হিয়াৰ মাজত মই*
*তুমি কিজানি জানা তোমাক মই পাগলৰ দৰে ভালপাব খোজো*
*সদায় ভালপাই থাকিম তোমাক,*
*আৰু তোমাক ৰাখিম সযতনে মোৰ হিয়াত।।"—*

তাই আছিল কৰিয়া উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ছাত্ৰী আৰু তেতিয়া মই আছিলো সেই বিদ্যালয়ৰে দ্বিতীয় বৰ্ষৰ ছাত্ৰ। চিনাকী হ'বৰ মাথো তিনিমাহ হ'ল। সেই তিনি মাহৰ চিনাকীয়ে যেন আমাক ভালপোৱাৰ উন্মেষ জগালে। আমাৰ বিদ্যালয়ৰ জিৰণি সময় আহিল। তেতিয়া মই তাইক মাতি আনিলো মোৰ শ্ৰেণীকোঠালৈ। মাতি আনিলো মোৰ বন্ধু এজনৰ দ্বাৰা। তাই আহি মোৰ আগত থিয় দিলে, হঠাতে মোৰ কি যে হ'ল গমে নেপালোহু মোৰ হাঁহি, মুখৰ মাত এই সকলোবোৰ হেৰাই গ'ল। মই তাইৰ জোন যেন মুখখনিলৈ একেথৰে চাই ৰ'লো। কিজানি তাইও মোৰ প্ৰেমসনা চাওনিত মোৰ ভালপোৱাৰ উমান পালে। তাই হঠাৎ মাত লগালে হেৰ' কমল দা কি হ'ল, মাতিছিলা বোলে মোকহু কিয়—? মই থত্‌মত খাই উঠিলো আৰু ক'লো অ' ৰবা।

অলপ পৰ মই থিয় হৈ ৰ'লো। আৰু ভাবিলো কেনেকৈ কওঁ তাইক, কেনেকৈ বুজাও। মই তাইক মোৰ মনৰ ভিতৰৰ গভীৰ অনুভৱপ্ৰকাশ কৰি দিলো। মই ক'লো মই তোমাক ভাল পাব খোজো, মই তোমাক মোৰ হৃদয়ত সোমাই ল'ব খোজো। মই তোমাক সাগৰৰ দৰে গভীৰ মৰম ভালপোৱা দিব খোজো। তোমাক পালে মই জীৱনৰ আটাইখিনি সুখ পালোহেঁতেন। পাৰিবানে মোক তুমি আকোঁৱালি ল'ব? দিবানে অকণমান ঠাই তোমাৰ হৃদয়ত? দিবানে তোমাৰ হৃদয়ৰ অলপ মৰম, ভালপোৱা? তোমাৰ হৃদয়ৰ ছাঁত জুৰ ল'বলৈ দিবানে অকণমান? মই ঘামি-জামি ভাগৰি পৰিলো।

বোধহয় পৰীয়েও মোৰ মনৰ ভাৱ আগতে গম পাইছিল। তাই আনন্দত যেন উদ্বাউল হৈছিল আৰু তাইৰ চকুৰ পৰা এটোপাল চকুলো নিগৰিল। সেই যেন প্ৰেমৰ চকুলো। তাইও যেন মোক ভালপাব খুজিছিল আগৰ পৰাই, মোৰ ভাৱ হ'ল। তাই মোক সাৱটি ধৰিলে আৰু ক'লে মইও তোমাক ভালপাব খোজো কমল দা আৰু বহুত বহুত ভাল পাব খোজো।

আজি আমাৰ ভালপোৱাৰ দহ মাহ হ'ল। আজি যেন আমি সকলোতকৈ সুখী। মোক এতিয়া মোৰ পৰীয়ে বহুত ভাল পায় আৰু বহুত মৰম দিয়ে। আৰু মইও মোৰ পৰীক মনে প্ৰাণে ভালপাও আৰু বহুত মৰম দিও। আৰু আমাৰ বিশ্বাস আমি দুয়োযেন দুয়োকো সদায় ইমান ভাল পাই থাকিম।

"বাউলী হিয়া মাথো ইয়াতে পৰি ৰ'ল
শূন্য হিয়া পাত্ৰ মোৰ প্ৰেম ৰসেৰে ভৰিল
জীৱন বীণাৰ তাঁৰ জোঁকাৰি উঠিল
প্ৰাণে গালে শত শত বসন্তৰ গান
নয়নৰ দুটি পাহি
কৰিলেহি সৰগৰ
সুখামৃত পান।

◆◆◆◆◆



# বি হেপ্পী

মঃ ৰাহুল আমিন
দ্বাদশ শ্ৰেণী



বাছষ্টেণ্ডত বহু সময় অপেক্ষা কৰাৰ পিচত দেৰিকৈ বাছ এখন ধূলি উৰুৱাই অহা দেখি ফাৰদিনৰ মনটো অলপ ভাল লাগিল। বাছখনত উঠি শেষৰ ফালে খিৰিকীৰ কাষত খালি হৈ থকা চিটটোত বহি ভাবিবলৈ ধৰিলে। আজি প্ৰথম ক্লাছটো বোধহয় 'মিছ' হ'ব। ক্লাছটো বঞ্জু বাইদেউৰ আছিল। বাইদেউৰ ক্লাছটো 'মিছ' কৰিবলৈ মন নাযায়। এনেদৰে ভাৱত বুৰ গৈ থাকোঁতে বাছখনৰ মাজৰ পৰা কেইজনমান ছাত্ৰৰ কিৰিলি ভাঁহি আহিল। ল'ৰাকেইজনে অনৰ্গল কথা বকি আছে। কাষৰ বাছযাত্ৰীবোৰেও সিহঁতৰ কথাত বিৰক্ত হৈছে কিন্তু কোনেও একো কোৱা নাই। ফাৰদিনে মাজৰফালে চাই দেখিলে যে ল'ৰা কেইজন তাৰেই ক্লাছৰ আছিল তেওঁলোক হ'ল— জাকি, চাকিব আৰু ববিদুল। আটাইকেইজনৰ হাতত দামী ঘড়ী, জিন্‌চৰ পেণ্ট আৰু টি-চাৰ্ট পৰিহিত আৰু অতি আটকধুনীয়া আধুনিক ডিজাইনৰ ম'বাইল একোটা সকলোৰে দেখাকৈ হাতত লৈছে। তেওঁলোক আঢ্যৱন্ত ঘৰৰ ল'ৰা। তাকে দেখি ফাৰদিনৰ মনটো মৰি গ'ল কাৰণ তেওঁ অতি নিম্ন মানৰ পোছাক পিন্ধিছে সিহঁতৰ তুলনাত। দেউতাকে অতি কষ্টেৰে উপাৰ্জন কৰা পইচাৰে স্নাতক মহলাৰ প্ৰথম বাৰ্ষিকত তাৰ নামটো ভৰ্তি কৰিছে তাতে আকৌ ভৰ্তিৰ নামত দিব লগা পইচাখিনি ধাৰলৈ আনিছে। ফাৰদিনৰ মনৰ ভাৱত আউল লাগিল। যেতিয়া এজন ল'ৰাই চিঞৰি উঠিল— "Hi, Don't worry" ফাৰদিনে লগে লগে খিৰিকীৰে চালে, বাছখন দুজনীমান ছোৱালীৰ কাষেৰে পাৰহৈ গৈছে। তাৰে এজনী ছোৱালীয়ে পিন্ধা টি-চাৰ্টৰ পিছফালে লিখা আছিল, 'বি-হেপ্পী'। ফাৰদিনৰ মনত অন্তৰ্দহন হ'ল। কোন পথে আজিৰ যুৱ সমাজ কোন পথে আজিৰ শৈক্ষিক জগত। এক প্ৰকৃত অৰ্থত সু-শিক্ষাৰে শিক্ষিত কিছুমান যুৱক ওলাবনে যিয়ে উশৃংখল যুৱ মানসিকতাৰ বিতাড়ন কৰি এখন সুস্থ সমাজ গঢ়িব পাৰিব। এনেদৰে বাছখন কলেজৰ ওচৰৰ নিৰ্দিষ্ট ঠাইত ৰোৱাত সি নামি কলেজৰ ফালে আগবাঢ়ি গৈ হতাশাৰে ক্লাছ শেষ হওঁ হওঁ অৱস্থাত ৰুমত প্ৰৱেশ কৰিলে।

◆◆◆◆◆

# সপোন

*চিম্পী বৈশ্য*
*স্নাতক প্ৰথম বৰ্ষ*

গুৱাহাটী মহানগৰীৰ বাসিন্দা, অৰুণাভ কাশ্যপৰ পৰিয়ালটি আছিল বৰ সুখী। কাশ্যপে তেওঁৰ পত্নী, এটি পুত্ৰ আৰু এজনী কন্যাৰ সৈতে অতি আনন্দেৰে জীৱন অতিবাহিত কৰিছিল। তেওঁৰ পুত্ৰ প্ৰীয়ম কাশ্যপ এতিয়া অষ্টম শ্ৰেণীৰ ছাত্ৰ। আৰু কন্যা গাৰ্গী কাশ্যপ আছিল, প্ৰথম মানৰ ছাত্ৰী। মাক-দেউতাকৰ আদৰ-চেনেহৰ মাজতেই সিহঁতে ডাঙৰ-দীঘল হৈছিল।

প্ৰীয়মৰ স্মৃতিত সেই কথাবোৰ এতিয়াও সোণৰ দৰে চিক্‌মিকাই আছে। সি তেতিয়া তৃতীয় শ্ৰেণীৰ ছাত্ৰ আছিল। সি পঢ়াশুনাত বৰ চোকা আছিল। সেয়ে মাক-দেউতাকে আশা কৰিছিল, সি এজন ভাল চিকিৎসক হোৱাৰ। প্ৰীয়মৰ দেউতাক এজন চৰকাৰী কৰ্মচাৰী আৰু মাক এগৰাকী শিক্ষয়িত্ৰী। এইদৰে তেওঁলোকৰ দৰমহাৰে পৰিয়ালটি কোনো ধৰণৰ অভাৱ নোহোৱাকৈ সুখ-শান্তিৰে জীৱন নিৰ্বাহ কৰিছিল। এদিন তেওঁলোকে শ্ৰীকৃষ্ণৰ ৰাসলীলা মহোৎসৱৰ সন্ধিয়া চাৰিও নলবাৰীলৈ ৰাস চাবলৈ গৈছিল। ঠিক সেই সময়তে এটা বহুত ডাঙৰ শব্দ তেওঁলোকে শুনিবলৈ পালে। তাৰ পিছত সি আৰু একো গম নাপালে। আৰু সি যেতিয়া জ্ঞান ঘূৰাই পালে তেতিয়া দেখিলে সি দেখোন এখন চিকিৎসালয়ৰ বিচনাত। সি তাৰ আপোন মানুহ কাকো ওচৰত নেদেখাত তাৰ বহুত ভয় লাগিল। আৰু ওচৰতে থকা নাৰ্চ এগৰাকীক মাতি তাৰ মাক-দেউতাকহঁতৰ কথা সোধাত, তেতিয়া তাই ক'লে যে, তাৰ মাক-দেউতাক, ভনীয়েক আৰু এই পৃথিৱীত নাই। তেওঁলোকৰ মৃতদেহ সৎকাৰ কৰা হৈছে বুলি জনা গৈছে। আৰু সি লাহে লাহে গম পালে যে, সিদিনা সন্ধিয়া কোনোবা উগ্ৰপন্থীয়ে তাত হেনো বোমা বিস্ফোৰণ কৰিছিল। ফলত বহুতো মানুহ আহত আৰু বহুতো নিহত হৈছিল। সেই কথা শুনি তাৰ দুচকুৰে দুধাৰি চকুলো ববলৈ ধৰিলে। কেইদিনমান যোৱাৰ পিছত সি আৰোগ্য হ'ল। আৰু চিকিৎসালয়ৰ পৰা ওলাই আহিল। এতিয়া সি ক'লৈ যাব, ক'ত থাকিব আৰু কাৰ লগত থাকিব এইবোৰ কথা ভাৱি ৰাস্তাৰে গৈ থাকোতে থাকোতে এন্ধাৰ হ'ল। আৰু সেই ঠাইতে এঘৰ মানুহৰ ঘৰত সোমাল আৰু ৰাতিটো তাতেই কটাম বুলি ভাবি বাৰাণ্ডাখনত থিয় হ'ল। তেনেতে ঘৰৰ কোনোবাই দেখি মিছাতে চোৰ-চোৰ বুলি চিঞৰিবলৈ ধৰিলে। তেতিয়া ঘৰখনৰ ভিতৰত থকা আৰু কাষৰ সকলোবোৰ মানুহ দৌৰি আহিল। আৰু প্ৰীয়মক ইটোৱে চৰ, সিটোৱে ভুকু, লাঠি মাৰিবলৈ ধৰিলে। সি মাৰত মৰো মৰো অৱস্থাত কোনোবাই নি আকৌ সেই চিকিৎসালয়খনত ভৰ্তি কৰালে। আৰু তাত থকা নাৰ্চগৰাকীয়ে পুনৰ ল'ৰাজনক চিকিৎসালয়ত ইমান ভয়ানক অৱস্থাত দেখা পোৱাত দৌৰি আহিল আৰু এইবোৰ কেনেকৈ হ'ল বুলি সোধাত সি সকলোবোৰ কথা কৈ কান্দিলে। আজি যদি তাৰ মৰমৰ মাক-দেউতাক থাকিলে হে তাৰ এনে অৱস্থা হ'লহেঁতেননে? এই বুলি ভাবি সি দুখত ভাগি পৰিল। আৰু সি ক'বলৈ ধৰিলে, হে ভগৱান মোকো মা-দেউতাৰ লগতে কিয় মাৰি নিনিলা? মইনো এনে কি পাপ কৰিছিলো? যিয়ে মোক ইমান শাস্তি দিব লগা হ'ল। নাৰ্চগৰাকীৰ তাৰ কথাবোৰ শুনি বহুত দুখ লাগিল। তাই যদিও বিবাহিতা আছিল কিন্তু তাইৰ ল'ৰা-ছোৱালী কোনো নাছিল। গতিকে তাই প্ৰীয়মক লগত লৈ





গ'ল আৰু নিজৰ সন্তানৰ দৰে মৰম কৰিলে, আৰু তাক এখন স্কুলত নাম লগাই দিলে। সি এক নতুন জীৱন গঢ়াৰ উদ্দেশ্যে নিজৰ মৃত মাক-দেউতাকৰ সপোন দিঠকত পৰিণত কৰাৰ বাবে ভালদৰে পঢ়া-শুনা কৰিলে। আৰু সি এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা দি প্ৰথম দহজনৰ ভিতৰত সিয়ে প্ৰথম স্থান লাভ কৰিলে। উচ্চতৰ মাধ্যমিক পৰীক্ষাটো বিজ্ঞান শাখা লৈ গুৱাহাটী কটন কলেজৰ পৰা প্ৰীয়মে সুখ্যাতিৰে উত্তীৰ্ণ হ'ল। আজি প্ৰীয়মৰ মন উগুল-থুগুল। কাৰণ আজি মেডিকেল বিভাগৰ ফলাফল ঘোষণা কৰা হ'ব। আৰু ৰিজাল্টৰ তালিকাত সি তাৰ নাম প্ৰথমতে দেখি দুচকুৰে চকুলো বৈ আহিল। আৰু আনন্দতে চিঞৰি চিঞৰি ক'লে— "আজি মই সঁচাকৈয়ে বহুত সুখী, কাৰণ মই মোৰ মৃত মা-দেউতাৰ সপোন দিঠকত পৰিণত কৰিলো।"

আৰু মোৰ মৰমৰ মা-দেউতা আৰু মোৰ মৰমৰ ভণ্টি, তোমালোকে য'তেই আছা সুখত থাকা। ভগবানে তোমালোকৰ আত্মাক চিৰশান্তি দিয়ে যেন, তাৰেই কামনাৰে— তোমালোকৰ দুৰ্ভগীয়া প্ৰীয়ম।

◆◆◆◆◆

## বিশ্ব বিচিত্ৰা

- ❑ পৃথিৱীৰ সকলোতকৈ বহল (শকত) গছ আছে বাংলাদেশৰ ৰাজসাহী জিলাত। তাৰ বহল ক্ৰমে এক কঠা মাটিৰ সমান।
- ❑ সাত বছৰ বয়সত ৬৫ কেজি ওজন। শুনিলে আচৰিত লাগিলেও সত্য ঘটনা। তাৰ খোৱাৰ বাবে সদায় ১ কেজি চাউলৰ ভাত, লগতে ১ কেজি আটাৰ ৰুটি আৰু ১কেজি ৫০০ গ্ৰামকৈ গাখীৰ লাগে। তাৰোপৰি অন্যান্য স্বাভাৱিক খাদ্য তাৰ প্ৰয়োজন হয়।
- ❑ বিশ্ব ৰেকৰ্ড। শুনিলেই জানো কেনে লাগে। তেনেকুৱা বিশ্ব ৰেকৰ্ড কৰিছে ভাৰতৰ হায়দাৰাবাদৰ এজন সন্ন্যাসী। তেওঁ একেৰাহে ৭৮বছৰ কোনো ধৰণৰ আহাৰ গ্ৰহণ নকৰাকৈ গছৰ তলত ধ্যান কৰি আছে। ইয়াকে লৈ নানা গৱেষণা চলি আছে যে, কিহৰ সহায়ত ইমান দিন অনাহাৰে থাকিব পাৰে।
- ❑ তিনি কিলো ওজনৰ নিগনি। আচৰিত নহ'বা, যোৱা বছৰ আমেৰিকা যুক্তৰাষ্ট্ৰত এটা নিগনিৰ সন্ধান পোৱা যায়, তাৰ ওজন প্ৰায় তিনি কিলো ওজন।
- ❑ চীন দেশত দেৱাল পোৱা যায়। যাৰ আচৰিত কথাটো হ'ল, সেই দেৱালৰ দৈৰ্ঘ প্ৰায় ডেৰ কিলোমিটাৰ আৰু গোটেইখিনিতে কবিতা লিখা আছে। বিশ্বৰ প্ৰথম ইমান দীঘল দেৱালত কবিতা লিখাৰ ৰেকৰ্ড।

*যুগুতাইছে ঃ সদৰ আলী*
*একাদশ শ্ৰেণী*

# বিবাহ

*সদৰ আলী*
*একাদশ শ্ৰেণী*

মোৰ বান্ধৱী ৰাগিনী। দেখাই-শুনাই, কামে-কাজে, আচাৰ-ব্যৱহাৰ সকলোতে তাই ইমান ভাল, তাইৰ দৰে বান্ধৱী পোৱাটো ভাগ্যৰ কথা বুলিয়েই ভাবো। আজি তিনি বছৰ পূৰ্বে তাইৰ বিবাহ ঠিক কৰা হৈছিল। বেচৰকাৰী প্ৰতিষ্ঠানৰ কৰ্মচাৰী এজনৰ সৈতে। নিজৰ মনৰ মিলনত দুয়ো ঠিক কৰিছিল। কোনোবাই শুনিবলৈ বেয়া পালেও এইটো কথা সঁচা, কিছুমান ক্ষেত্ৰত ছোৱালীবোৰ ল'ৰাতকৈ অধিক স্পষ্টবাদী, বিশেষকৈ বিয়াৰ ক্ষেত্ৰত। ৰাগিনীয়ে তাইৰ আৰু বেদান্তৰ কথা খুলাখুলিকৈ ঘৰৰ মানুহক জনাই দিছিল। বেদান্ত? বেদান্তই আজিলৈ মাকক ক'ব নোৱাৰিলে সি ভালপোৱা ছোৱালীজনীৰ কথা। মাকৰ বাহিৰে তাৰ কোনো নাই। এবছৰ, দুবছৰ অৰশেষত তিনিবছৰ। তিনিবছৰে বিয়া পতাটো দূৰৰ কথা, সি বিয়া পাতিব খোজা কথাটোও মাকক জনাব নোৱাৰিলে। ৰাগিনীয়ে ওৰেটো জীৱন তালৈ অপেক্ষা কৰিলেহেঁতেন। যদিহে সি এটা সিদ্ধান্ত ল'ব পাৰিলেহেঁতেন। কিন্তু না সি বিয়াৰ সিদ্ধান্ত সময়ত ল'লে, না ঘৰত কিব া জনালে। অপেক্ষা কৰিছিল তাই, কিন্তু এনেদৰে কিমান দিন? বিয়াৰ উপযুক্ত ছোৱালী এজনীক এটা প্ৰশ্নই সদায় খেদি ফুৰে— বিয়া কেতিয়া? আৰু নহ'ব বুলিতাই তপোব্ৰত নামৰ তাইৰ সহকৰ্মী এজনৰ প্ৰস্তাৱত সঁহাৰি জনালে। বিয়াত বহিল। অত্যন্ত সুখী এতিয়া সিহঁত। তাই তপোব্ৰতৰ ওচৰত পালে আস্থা। তাৰ বিশ্বাস আৰু মৰম। ছোৱালীবোৰে সততা ভাল পায়। প্ৰিয়জন স্পষ্টবাদী হোৱাটো বেছিভাগ ছোৱালীৰে প্ৰথম চৰ্ত। অলপমান সাহসৰ অভাৱত যেনেদৰে

> ভাবি গুণি কাম কৰাটো ভাল কথা। কিন্তু, বেছি ভাবি থকাজনে উচিত সময়ত উচিত সিদ্ধান্ত ল'ব নোৱাৰে। আটাইতকৈ ডাঙৰ কথাটো হ'ল প্ৰয়োজনতকৈ বেছি যদি কোনোবাই ভাবে, তেন্তে কামবোৰ লেহেমীয়া গতিত আগবাঢ়ে। ফলত, সঠিক সময়ত সঠিক সিদ্ধান্ত লোৱাত পলম হয়। আজিৰ যুগত সকলো পোৱা গ'লেই পোৱা টান সৎ মানুহ। সেয়া পুৰুষ-মহিলা যিয়েই নহওক লাগে। অনেকেই কয় বিয়া-বাৰু জাতীয় সিদ্ধান্তবোৰ লাহে ধীৰে ভাৰি-গুণি থাকোতে ভাল মানুহ এজন যাতে হেৰুৱাব লগীয়া নহয়। তাৰ প্ৰতি সচেতন হ'ব লাগে।





প্ৰতিভা নষ্ট হয়, একেদৰেই সৎ সাহসৰ অভাৱত অনেক বিবাহ উপযোগী প্ৰাৰ্থীয়ে প্ৰিয়জনৰ সৈতে বিবাহ পাশত আবদ্ধ হ'ব নোৱাৰে।

আৱেগে মানুহক প্ৰায়েই কোঙা কৰে। অনেকে আৱেগৰ বশৱৰ্তী হৈ সিদ্ধান্ত লয় আৰু ফলত সময় বাগৰিলে তাৰ ফল ভোগ কৰে। কিন্তু আৱেগে কেতিয়াবা আশ্চৰ্যকৰ কাম নকৰাও নহয়। মোৰে আন এগৰাকী বন্ধু মাধুৰ্য। গান গায় সি। অলপতে তাৰ ষ্টুডিঅ'লৈ গৈছিলো। সি কৈছিল। সি বিয়া পাতিলে। প্ৰথমে তাক পিঠিত দুটা ঔকিল দিছিলো, বিয়া পাতিলি অথচ নামাতিলি। সি দীঘলীয়া উত্তৰ নিদি তাৰ বিয়াখনৰ ঘটনাটি সংক্ষেপতে জনালে যে সি হেনো আৰু কেইবছৰমান পিছত বিয়া পাতিম বুলিয়েই আছিল। তাৰ প্ৰেমিকাজনীৰ সম্পৰ্কীয় মানুহজনে হোনো তাক বিয়া পাত যদি সোনকালে পাত, নহ'লে ছোৱালী বেলেগলৈ দিম বুলি ক'লে। ছোৱালী বেলেগলৈ দিম বুলি কোৱা কথাষাৰ তাৰ বুকুখনক টিপিংকৈ মাৰিলে। কিন্তু তাৰ খঙো উঠিল, কাৰণ সিহঁতৰ প্ৰেমে ইতিমধ্যে সুদীৰ্ঘ আঠটা বছৰ অতিক্ৰম কৰিছিল। দস্তুৰ মত ছোৱালী এজনীক ঘৰৰ মানুহে ইমান দিন ৰখাই নথয়, থ'ব নোৱাৰে। তথাপি সি আঁকোৰগোজ। তাক আৰু অলপ সময় লাগে। দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণ হোৱাৰ দৰে হেঁচা আৰু প্ৰিয়জনৰ মুক্তিৰ মাজত তাই কি জানো হ'ল, খঙে মূৰৰ চুলিৰ আগ পালেগৈ। তায়ো খঙতে তাক ক'লে তাৰ লগত বিয়াত নবহে বুলি। এইবাৰতে তাৰ অৱস্থা তথৈবচ। মানুহ অভ্যাসৰ দাস। দিনত কামৰ মাজতে দুয়োটাই ফোনত কথা পাতে, সপ্তাহটোত দু বাৰমান লগ ধৰে। সেইবোৰো বন্ধ। মাধুৰ্যই কেইদিনমান অভিমান কৰি ফোন নকৰাকৈ থাকিল। হ'লে কি হ'ব, প্ৰেমিক হৃদয়, আৱেগৰ তাগিদাত সি ফোন কৰিলে। ইয়াকো সি সেই কম দিনতে উপলব্ধি কৰিলে যে প্ৰেম নোহোৱাকৈ সি থাকিব নোৱাৰে। অকণো পলম নকৰি সি সিদ্ধান্ত ল'লে বিয়া পতাৰ। আৱেগৰ বাবেই যেনিবা ভাল সিদ্ধান্ত এটা সি ল'লে।

ভাবি গুণি কাম কৰাটো ভাল কথা। কিন্তু, বেছি ভাবি থকাজনে উচিত সময়ত উচিত সিদ্ধান্ত ল'ব নোৱাৰে। আটাইতকৈ ডাঙৰ কথাটো হ'ল প্ৰয়োজনতকৈ বেছি যদি কোনোবাই ভাবে, তেন্তে কামবোৰ লেহেমীয়া গতিত আগবাঢ়ে। ফলত, সঠিক সময়ত সঠিক সিদ্ধান্ত লোৱাত পলম হয়। আজিৰ যুগত সকলো পোৱা গ'লেই পোৱা টান সৎ মানুহ। সেয়া পুৰুষ-মহিলা যিয়েই নহওক লাগে। অনেকেই কয় বিয়া-বাৰু জাতীয় সিদ্ধান্তবোৰ লাহে ধীৰে ভাৰি-গুণি থাকোতে ভাল মানুহ এজন যাতে হেৰুৱাব লগীয়া নহয়। তাৰ প্ৰতি সচেতন হ'ব লাগে। সুযোগ বাৰে বাৰে নাহে। সেয়ে মহৎলোকে কৈ থৈ গৈছে— 'এইটো ধৰি নল'বা যে সুযোগে দ্বিতীয়বাৰৰ বাবে তোমাৰ দুৱাৰত টুকুৰিয়াব।' সেয়েহে ভাল মানুহৰ সান্নিধ্যত সঠিক সিদ্ধান্তত উপনীত হৈ সঠিক সময়ত বিয়াপতাৰ সিদ্ধান্ত লোৱাটোহে সঠিক পদক্ষেপ।

◆◆◆◆◆

# মৰমৰ চিলা

শ্ৰীশান্তনা মেধী
স্নাতক তৃতীয় বৰ্ষ



অম্লানে চিলাখন সাজিবৰ বাবে যাৱতীয় বস্তুবোৰ গোটাই ল'লে। কালি টেটোৰাৰ পৰা চিলা কেনেকৈ সাজিব লাগে শিকি আহিছিল। স্কুলৰ পৰা আহিয়েই সি মনপুতি চিলা সজাত ব্যস্ত হৈ পৰিছিল। ফাগুন মাহ, উত্তাল পচোৱাই গছ-বিৰিখ লৰাই আছে। এতিয়া এনে বতৰত চিলা উৰুৱাবলৈ বৰ ভাল লাগে। ৰমেনৰ দোকানৰ পৰা সি ৰঙা-নীলা কাগজ দুখন কিনি আনিছে লগতে আঠাৰ বাবে আটাৰ গুড়ি দুটকাৰ কিনি আনিছে। সৰু কটাৰীখনেৰে সি বাঁহৰ জেওৰাৰ বাবে থোৱা ডোল মাৰি আনি জোখত কাটি দুটা মাজি চিলাখনৰ দৰকাৰী ঠাইবোৰত আঠাৰে সৈতে লগাই আহে। ৰচীৰ কাৰণে সি মাকৰ পৰা কালিয়ে পুৰণি ঊণবোৰ গোটাই থৈছে।

কিছুসময়ৰ পিছত চিলা হৈ গ'ল। ৰচীডাল চিলাখনত বান্ধি ওচৰৰে পথাৰখনলৈ গৈ সি এবাৰ ওপৰলৈ চালে আৰু বেলেগ এখন চিলা ওপৰত উৰি আছে। বহু ওপৰত এইবাৰ অম্লানে চিলাখন উঠালে। তাৰ চিলাখনো নাচি নাচি বতাহৰ উত্তাল নৃত্যত তালে তালে ওপৰলৈ উঠি গৈ থাকিল। সেইয়া... সেইয়া... তাৰ চিলাখন বহু ওপৰলৈ গৈছে।

চিলাখন আকাশৰ বুকুত উৰি উৰি এটা সৰু বিন্দুৰ দৰে হৈ পৰিল। ইতিমধ্যে অম্লানৰ চিলা শেষ হৈ গ'ল। এইবাৰ অম্লানক চিলাৰ ৰচীডালে যেনি তেনি নিবলৈ ধৰিলে। নিজৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাইঅম্লানে সুতাডাল এৰি দিলে। ইফালে বতাহো সেই সময়তে শাম কাটিলে উৰন্ত চিলাখন লাহে লাহে তললৈ নামি আহিল। অম্লানে অধঃপতিত চিলাখনৰ ফালে অলপ সময় চাই থাকিল।

◆◆◆◆◆



# মহাদেৱ আৰু পাৰ্ব্বতীৰ কথা

শ্ৰীসংগীতা দাস
স্নাতক প্ৰথম বৰ্ষ



এদিনাখন মহাদেৱ আৰু পাৰ্ব্বতীয়ে খেলা-খেলি আছিল। খেলাৰ ছলতে তেওঁলোক দুয়ো এটা বেলপাতৰ পৰা এজন বামুনক জন্ম দিলে। বামুণে মহাদেৱ-পাৰ্ব্বতীৰ খেল চাবলৈ ধৰিলে। এইদৰে কিছু সময়, মহাদেৱ-পাৰ্ব্বতীৰ খেলা চাই থাকি বামুণে কলে ঃ "আই জিতে, পিতা ঘাটেয়" বামুণে কথাষাৰ কেইবাবাৰো কলে। কিন্তু আচল কথাটো তেওঁ খুলি নকয়। বামুণৰ ওপৰত পাৰ্বতীৰ খং উঠিল। খঙৰ ভমকত পাৰ্বতীয়ে মোচৰ এটা মাৰি মাটিত বগৰাই দিলে বামুণক। পাৰ্বতীৰ কাণ্ড-কাৰখানা দেখি মহাদেৱে দৌৰি গৈ বামুনক ধৰিলে। মহাদেৱে বামুণৰ নাকত হাত দি চাই দেখে যে বামুণ আৰু জীয়াই থকা নাই।

পাৰ্বতীৰ ওপৰত খং উঠিল মহাদেৱৰ। তেওঁ পাৰ্বতীক ক'লে ঃ "তুমি কি কৰিলা ? বামুণক দেখোন মাৰি পেলালা"। মহাদেৱে কমণ্ডলুৰ পৰা এক আচোল পানী আনি বামুণৰ মৰাশটোৰ ওপৰত ছটিয়াই দিলে। টোপনিৰ পৰা উঠা মানুহৰ নিচিনাকৈ বামুণ উঠি বহিল। বামুণ জী উঠাত মহাদেৱৰ বৰ ভাল লাগিল।

মহাদেৱে বামুণক ক'লে ঃ "আমি দুয়ো এতিয়া খেলিম । খেলত কোনে হাৰে কোনে জিকে তই ঠিককৈ কবি।" বামুণে ক'লে ঃ "আপোনাৰ কথা মতে কাম কৰিম।"

মহাদেৱ আৰু পাৰ্বতী দুয়ো খেলিবলৈ ধৰিলে। বামুণে খেল চাই থাকিল আৰু যিয়ে জিকে তেওঁক জিকা বুলি কয় আৰু যিয়ে হাৰে তেওঁক হাৰা বুলি কয়। এবাৰ মহাদেৱ জিকিল। বামুণে ক'লে ঃ পিতা জিকিছে।" এবাৰ পাৰ্বতী জিকিল। বামুণে কলে ঃ "এইবাৰ আই জিকিছে।"

◆◆◆◆◆






## বাইৰ খবৰ

*ড° ৰঞ্জু ঠাকুৰীয়া*
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*
*("উৎসৰ্গ" নীলমনি ফুকন ছাৰৰ হাতত)*

"বাই তোৰ কোন গাঁৱত ঘৰ ?"
নুসুধিবি অ' কবি
মোক মোৰ ঠিকনা ।
নুসুধিবি ঘৰত মোৰ
আছে নে কোনোবা
হিয়াৰ আমঠু ।
বজাৰত বেছি আছিলো
মোৰ সেউজীয়া বাৰীখন ।
'মানুহটু' মোৰ ঘূৰি নাহিল
অ' কবি ।
যোৱাটো বানে ধুই নিলে
মোৰ সেউজীয়া বাৰী, ঘৰ,
মোৰ হিয়াৰ আমঠু..........
মই কাকো খৰি দিব
নাপালো অ' কবি।
মই নিজেই হ'লো খৰি
বজাৰত বেচি আছো

তথাপিও, বাৰী লুৰি অনা
কচু, ঢেকীয়া,
কোনোৱে কয়
মই বোলে পাটাচাৰা জনী হ'লো ।
কোন অ' তাই ?
পাৰ নে চিনি তই ?
নে তাই মোৰেই
কোনোবা জনমৰ আপোন ।
এখন ছবি ভাহি আহে অহৰহ......... ।
জুই, ধুমুহা, বৰষুণ আৰু
এখন কোৱাল নদী ।
সামাজিকত নে দিঠকত ?
মইচোন উজাই গৈ আছো ।
দিখৌ এৰি লুইতৰে
এয়া মই আহি আছো
আইৰ ঘৰলৈ ।
ধুমুহা ৰাতি, কোৱালনদী ।
উটি গ'ল মোৰ সকলো
বট বৃক্ষৰ তলত এয়া মই জিৰাইছো
এয়াচোন ময়েই পাটাচাৰা ।
দহোবন কাটি কৰিও
কাৰোবাৰ লঘোনীয়া আখলত
জুইকুৰা ধৰা





সেইজনী ময়েই
তেজীমলা .........।
ফুলহৈ ফুলো, জবাহৈ লাগো ।
সেইজনী ময়েই
পাটাচাৰা ........।
সেইজনী ময়েই ...........।
নুসুধিবি অ' কবি
মোৰ ঘৰ ক'ত ?
"বুদ্ধংশৰণম্ গচ্ছামি
সংঘম্ শৰণম গচ্ছামি,"
উজাই গৈ থাকিলো................।
ৰিনিকি ৰিণিকি দেখিছো নে
গাইছো।
হাতো নেমেলিবি ফুলো নিচিঙি বি...........
ময়েই চোন ফুলহৈ ফুলিছো, জবা হৈ লাগিছো।
এয়াচোন ময়েই তেজিমলা.......।
মোক পালিনে চিনি ?
মোক দেখিবি
এতিয়া
বানে ধোৱা এখন গাঁৱত
বোমা ফুটি মৰা এজাক মানুহৰ মাজত

# স্মৃতি

(সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ স্মৃতিত)

চেমিম আহমেদ চিদ্দীকি
স্নাতক প্ৰথম বৰ্ষ

ইতিহাস প্ৰসিদ্ধ শদিয়াত আবিৰ্ভাৱ
তুমি সুৰকাৰ সংগীত সূৰ্য্য,
নানা দেশ বিদেশৰ সংস্কৃতি কঢ়িয়াই
অসমবাসীক কৰিলা ধন্য।
বিষ্ণু ৰাভাৰ আভা আৰু জ্যোতিৰ গতিৰে
সংগীত সমুদ্ৰত মাণিক বুটুলি,
তুমি বিশ্বশিল্পী তুমি সুধাকণ্ঠ
তোমাৰ স্বীকৃতিৰে পুষ্ট আমি।
বিশ্বৰ প্ৰান্তে প্ৰান্তে দেখো তোমাৰেই ঘৰ
কিয় বা হবা তুমি শিল্পী যাযাবৰ?
হৃদয় পামৰ হোৱা আট্টালিকাতকৈয়ো
জংঘলেই উৎকৃষ্ট পবিত্ৰ ঘৰ।
সজাৰ সংগমত সাঁতুৰি সাঁতুৰি
অসমত ছটিয়াই দিলা নতুন দিগন্তৰ জ্যোতি
অভিজাত কুসুমৰ কত মৌ ৰস চুহি
নিজেই জ্যোতিত বিলীন হলা।
নিবিচাৰিলা তুমি সোঁৱৰণী সভাখনি
আশা তোমাৰ এটুপি চকুপানী,
মৃত্যুই প্ৰমাণ দিলে তোমাৰ অন্তিম যাত্ৰাত
লক্ষ্য লক্ষ্য জনগণৰ পুষ্পাঞ্জলি।
তোমাৰ কালজয়ী গীতেৰে শত শত বন্তি জ্বলাই
জিলিকালে লুইতৰে পাৰ
মহাবিদ্যালয়ৰ পৰিয়ালৰ মাজত যতনে ৰাখিলো
চিৰস্মৰণীয় কৰি স্মৃতি তোমাৰ।







# বেকাৰ

মকতাৰ হুছেইন
সহকাৰী অধ্যাপক, আৰবী বিভাগ

কংক্ৰিটৰ পৃথিৱী
শৈল হৃদয়
কোনে কাক বুজে, কোনে কাক জানে?
জীৱন জিজ্ঞাসাৰ পৰিধি
আউল লাগে,
কল্পতৰুৰ আশাত বোধিদ্ৰুম বিছাৰি
নিয়ৰ লাইটৰ তলত
কুৰিটা বসন্ত
পৰ্যবসিত! তোমাৰ;
শিক্ষাৰ হিমালয় শৃঙ্গত
উৰুৱাই বিজয় নিচান,
পাহাৰত কাছৰ কণী
ঘৰিয়াঁলৰ চকুত পানী
এটি চাকৰি
ভালুকৰ শাঙী, তুমি
শিক্ষিত বেকাৰ, কিহৰ অধিকাৰ তোমাৰ
তুমি কোনো মন্ত্ৰী, এম. এল. এ.
নে জমিদাৰ?
কোনে কৰিব তোমাৰ চুপাৰিছ?
কিমান দিবা টকা?
বিশ্ববিদ্যালয়ৰ প্ৰমান-পত্ৰ
তুলি থোৱা ধোঁৱা চাঙত
তুমি নোহোৱা চিৰবেকাৰ,
পাহৰি দুখ-বেদনা নোপোৱাৰ
যোৱা আগবাঢ়ি।

# অপ্ৰয়োজনীয় এই জীৱন

*চালমা ছাজিয়া বেগম (জন্তি)*
*উঃ মাঃ২য় বৰ্ষ*

এতিয়া কাৰ বাবে মোৰ প্ৰয়োজন
সকলোতে মাথো মোৰ হেৰোৱা স্মৃতিৰ
বিদায় সভাৰ মাথো আয়োজন
এতিয়া মোৰ নাই প্ৰয়োজন।।

এটি আন্ধাৰ কুঠৰীত পৰি আছো মই
অনাহাৰ অনিদ্ৰাত কটাই আছো জীৱন
যৌৱন কালত মোৰ ভয়ত সকলো কম্পমান
এতিয়া মোৰ নাই প্ৰয়োজন।।

সকলোৰে চকুৰ কুটা দাঁতৰ হল মই
ঘনে, ঘনে মনে মনে সকলোজন
কামনাৰে কৰে মোৰ বিদায় বেলাৰ আয়োজন
এতিয়া মোৰ নাই প্ৰয়োজন।।

নালাগে মোক নানা ধৰণৰ খাদ্যৰ পুষ্টি
লাগে মাথো মোক আটায়েৰে সমদৃষ্টি
স্বীকৃত এটি কৰ্মময় জীৱন
মোৰতো আছিল এদিন প্ৰয়োজন
এতিয়া মোৰ নাই প্ৰয়োজন।।

# আশা

*মিৰজিয়াদুৰ ৰহমান*
*স্নাতক প্ৰথম বৰ*

মোৰ মনৰ মনিকোঠাত থকা গোপন কথাবোৰ
সঞ্চিত হৈয়েই থাকিল,
সময় হবনে তোমাক জনাবলৈ
পুৱাৰ পৰা নিশালৈ।
ভাল লাগে তোমাৰ কথাবোৰ ভাবি
তোমাৰ হাঁহি তোমাৰ শব্দবোৰ
কোমল দুচকুৰ ভাষাবোৰ
জোনাকী নিশাৰ সপোনবোৰ
মোৰ বৰ আদৰৰ
থাকিবানে তুমি মোৰ
চিৰদিন লগৰি হৈ জীৱনৰ।







# সংগীত

*অংশুমান তালুদাৰ*
*স্নাতক প্ৰথম ষান্মাষিক*

তুমি মোৰ
হৃদয়ৰ আঁৰে আঁৰে
বৈ থকা নিজৰা,
তোমাৰ সুৰে
মোৰ হৃদয়ৰ চাপ
মচি পেলাই;
মোক প্ৰস্ফুটিত কৰে
তোমাৰ লয়ে
লগতে তালে তালে
মোক নচুৱাই তোলে,
তুমি কি মধুৰ হু
তোমাৰ গুণ অমৃতসদৃশ
তোমাৰ ভাষাত মই
বিচাৰি পাওঁ
এমুঠি আশীৰ্বাদ
তুমি সদায় বাজি থকা
এতিয়া, তেতিয়া
যিকোনো সময়ত
তুমি আঁতৰি নাযাবা
তুমি আঁতৰিলে
মই এন্ধাৰত ডুবি মৰিম;
তোমাৰ সুৰ, লয়
আৰু মধুৰ হওঁক
এয়াই মোৰ কামনা
এয়াই মোৰ কামনা
এয়াই তোমাৰ গৰিমা,
হে সংগীত, হে সংগীত, হে সংগীত।।

# প্ৰেম

*নমিতা দাস*
*উঃ মাঃ প্ৰথম বৰ্ষ*

প্ৰেম এক শাশ্বত শব্দ
প্ৰতি জনৰ বাবে
জীৱনৰ এক মধুৰ সম্পদ
প্ৰেম কেতিয়াবা
এক প্ৰতীক্ষা, এক যন্ত্ৰণা
প্ৰেমেই হৈছে গীতৰ সুৰ, শীতৰ ৰ'দালি
কবিতাৰ গুণ গুণনি.............।

# ক'বানে এবাৰ 'I Love U' বুলি

গীতাঞ্জলি মালাকাৰ
স্নাতক প্ৰথম বৰ্ষ

বুকুৰ কৃষ্ণচূড়া জোপা ৰঙাকৈ ফুলিছে
তোমাৰ মৰমৰ সঁহাৰিত
এজাক মলয়া বতাহে কৃষ্ণচূড়া জোপাক কোবাইছে
নষ্টালজিক ভোমোৰাই ফুলবোৰক চুমা দিছে।

হৃদয়ৰ এন্ধাৰ পদূলি
তোমাৰ মৰমীয়াল চাৱনিয়ে পোহৰাই তোলে
তোমাৰ সাগৰ নীলা দূচকুত ভাঁহি উঠে
ডালিয়া, গোলাপ, হাচনাহানা আৰু তগৰ।

ইচ্ছা হয় কেতিয়াবা তোমাক চুই চোৱাৰ
তোমাৰ গুলপীয়া ওঠত চুমা আঁকি দিয়াৰ
কেতিয়াবা আকৌ বিচাৰো
তোমাৰ বুকুৰ উমেৰে বিনিদ্ৰ ৰজনী কটাবলৈ।

তুমি মোৰ স্বপ্নৰ নীলা আকাশ হোৱা
তাৰ ছাঁত মই বিচাৰো আশ্ৰয়
দিবানে তুমি সহাৰি মোক
ভৱিষ্যতৰ সোণালী সপোন ৰচিবলৈ ।

যদিও তুমি মোৰ পৰা বহু আঁতৰত
তথাপি খেপিয়াও লগ পোৱাৰ হেঁপাহত
জানো তুমি মোৰ কাহানিও নোহোৱা
তথাপি জীৱনৰ অন্তিম ক্ষণত হ'লেও শুনিব খোজো
PLEASE ক'বানে এবাৰ তুমি
I Love U বুলি





# নিষ্ঠুৰ প্ৰেম

মখলিছুৰ ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ

তুমি আহিছিলা
অকল S.D কলেজলৈকেয়ে নহয়
মোৰ উদাসিন জীৱনৰ ৰিক্ত হৃদয়লৈকেওঁ ।

তোমাৰ আগমনতেই হয়তো
সজীৱ হৈ পৰিছিল মোৰ হৃদয়ৰ
মৰহিবলৈ ধৰা কঁলি বোৰ
তন্ময়তাৰে হাঁহি হাঁহি ।

জীৱনৰ সকলো দিশ হৈ পৰিছিল সেউজীয়া
হয়তো তোমাৰ প্ৰেমৰ সেউজীয়া অৰণ্যত
হেৰুৱাই পেলাইছিলোঁ মোৰ জীৱনৰ সত্তা ।

কিন্তু ——————
হঠাৎ তুমি আঁতৰি গলা
অপাৰ অচিনাকী দিগন্তলৈ
পাহৰি গ'লা মোৰ প্ৰেমৰ স্মৃতি
লৈ গ'লা মোৰ জীৱনৰ সেউজীয়াবোৰ
মৰিশালী কৰি চিৰদিন চিৰন্তনলৈ,
মাথো দি গ'লা এবুকু যন্ত্ৰনা ।

তুমিতো জানিছিলা
মই কাহানিওঁ নাছিলোঁ যন্ত্ৰনাৰ প্ৰেমিক
তেনে কিয় তুমি, পাহৰি গ'লা
মোৰ প্ৰতি থকা তোমাৰ সহৃদয়তা
কিয়——— কিয়————কিয় ?

# সুৰেন দাস মহাবিদ্যালয়, হাজো

লুটফুৰ ৰহমান (পিংকু)
স্নাতক প্ৰথম বৰ্ষ

তুমি কোন ?
তোমাক হেজাৰ ছালাম
জন্ম লভিলা
১৯৭৯ চনত
হাজো বাসীৰ সোঁ মাজত ।
অৰ্পিলা বহু জ্ঞান ছাত্ৰ-ছাত্ৰীৰ মাজত ।
হেছে বহুতো ডাক্তৰ, ইঞ্জিনিয়াৰ
তোমাৰে পৰশত ।
শ্ৰীযুত সুৰেণ দাস ।
অমৰ কৰিলা নাম
তোমাৰ কাৰণেই আজিও আছে উজলি
শ্ৰীযুত সুৰেণ দাসৰ নাম।
বিখ্যাত, সুৰেণ দাস মহাবিদ্যালয়, বুলি,
উজ্বল কৰিলা নাম
তোমাৰেই আশীৰ্বাদত ছাত্ৰ -ছাত্ৰীয়ে
ৰাখিব সুনাম ।
সকলো ছাত্ৰ -ছাত্ৰীৰ মাজত আছে
মিলা প্ৰীতি.............,
সেইখনেই আমাৰ মহাবিদ্যালয়
সুৰেণ দাস ।।

# চিঠিবোৰ কেতিয়াবা পঢ়িবা প্ৰিয়তমা

ছফিকুৰ ৰহমান আনচাৰী
উঃ মাঃ ১ম বৰ্ষ (বিজ্ঞান শাখা)

মনত পৰেনে ?
সেই নিমাত সন্ধিয়াটিলৈ
অস্ত হ'বলৈ ধৰা সূৰ্য্যৰ ৰঙা পোহৰত
তুমি আৰু মই ।
তোমাৰ মোৰ বিচ্ছেদ আৰু সেই দীঘলী পুখুৰী
কোন আছিল সাক্ষী ।
অস্ত হব ধৰা সূৰ্য্য নে
হেলনীয়াকৈ পৰা ষ্ট্ৰীট লাইটৰ পোহৰ ?
সেই হেৰোৱা দিনৰ স্মৃতি বিজৰিত
চিঠিবোৰ কেতিয়াবা পঢ়িবা, প্ৰিয়তমা,
চিঠিবোৰ কেতিয়াবা খুলি চাবা, প্ৰিয়তমা
সেয়া অশ্ৰুসিক্ত চিয়াহীয়ে কৈছে
তোমাৰ মোৰ বিভেদ
হয়তো দিব নোৱাৰিলো
সেই বেলিকা
মূল্যবান কিছু, সময়, কৃত্ৰিম চোকা চুমা ।
বীচ্চত বহি পাৰ কৰিবলৈ
কেইটামান মধুৰ মুহূৰ্ত্ত ।
নিশ্চয় তাতেই সানিছা ৰহন
ভগ্ন প্ৰেমৰ হু
চিঠিবোৰ কেতিয়াবা পঢ়িছানে, প্ৰিয়তমা
তাত অংকিত মৰুভূমিৰ
উপায়হীন, ক্লান্ত চৰাই।



তাক উপলুঙা নকৰিবা প্ৰিয়তমা।
তাক নাহাঁহিবা......
সিও এটা জীৱ হু
চিঠিবোৰ কেতিয়াবা পঢ়িবা........
তাৰ প্ৰতিটো চকুতে মোৰ শোকৰ বিন্যাস
বিষাদৰ সুৰ আজি বাজি উঠে মোৰ
হৃদয়ৰ বীণত ।
মোৰ দুচকুত সাগৰ নীলা সপোন
আজি যেন
ধোৱা কেৱল ধোৱা





# ধৰ্ম

আজাহাৰউদ্দিন আহমেদ
স্নাতক তৃতীয় বৰ্ষ

সোধে, যদি কোনোবাই
ধৰ্ম মোৰ কি?
বুকুখুলি কম মই
মানৰ প্ৰেমিক বুলি।

সোধে যদি কোনোবাই
জাতি মোৰ কি?
বুকুখুলি কম মই
মানৱীয় বুলি।

হিন্দু, মুছলিম, খৃষ্টিয়ান
নহয় কোনো ধৰ্ম,
মানৱ প্ৰেমিকেই হ'ল
প্ৰধান ধৰ্ম।

মোৰ মনৰ পৃথিৱীত, নাই কোনো
হিন্দু, মুছলিম, খৃষ্টিয়ান,
মোৰ মনৰ পৃথিৱীত
নাই কোনো জাতি ভেদ।

মোৰ মনৰ পৃথিৱীত
আছে মাথো একক সত্তা
সিয়ে হৈছে
মানৱ প্ৰেমিকতা।

ততততততত

# মনৰ দুখ

কুলদ্বীপ তালুকদাৰ
উঃ মাঃ ১ম বৰ

মনতে ৰ'ল মনৰ দুখ
নেপালো মনত সুখ
মন্ত্ৰীও নহলো
বিধায়কো নহলো
হলো মাথো হাঁহিয়তৰ পাত্ৰ,
নিৰ্বাচন খেলোতে
সা-সম্পত্তি হেৰুৱালো
ৰ'ল ঘৰৰ ভেটিটো মাত্ৰ ।
ভাবিছিলো মন্ত্ৰী হব পাৰিলে
অঙহী বঙহীক দিম চাকৰি;
ৰজাৰ দৰে জীৱন কটাম
ঘুৰিব জীৱনৰ চকৰি;
আশাত পৰিল চেচাঁ পানী
হব নোৱাৰিলো জয়;
দিনে ৰাতি ভাবোতে ভাবোতে
দেহাটি গৈছে শুকাই ক্ষীণাই ।

ততততততত

# জেৰেঙাৰ সতী

শ্ৰীসংগীতা দাস
স্নাতক প্ৰথম বষ

নাই যদিও জয়মতী জেৰেঙাৰ সতী
বৰ্তমান এই জগতত,
চিৰদিন কিৰিতি তেওঁৰ থাকিব জিলিকি
অসমৰ শিৱসাগৰত ।

জয়সাগৰ জয়দৌলে দিব সকীয়াই
সতীত্বৰ অমৰ কাহিনী,
কিদৰে স্বামীক বচাই নিজে মৰি গ'ল
এই গৰাকী সতী ৰমণী ।

স্বামীসেৱা মহাব্ৰত আছিল জয়াৰ
পণ আছিল অচল অটল,
নিজৰ প্ৰাণদি আদৰ্শ ৰাখিলে ধৰাত
দেখুৱাই সতীত্বৰ গভীৰ বল ।

ওঠৰ দিন ধৰি চাউদঙৰ যাতনা সহি
দিলে প্ৰাণ এই জেৰেঙাত,
মাথো থাকিল ভাগ্যৰ আদৰ্শ
অসমৰ বুৰঞ্জী পাতত ।

# ভালপাঁও তোমাক

অনামিকা মালাকাৰ
স্নাতক তৃতীয় বৰ্ষ

ভালপাওঁ তোমাক
ভালপাঁও তোমাৰ চল চাতুৰীৰ
নিখুত কৌশল

তোমাৰ হাঁহিত মই জী উঠিছো
কলিজাত ফুলি আছে
এপাহ সুন্দৰ ফুল

বাঢ়ি আহিছে বিষাদৰ ঢল
বালিচৰতো সোমাইছে পানী ।

বান্ধ খহিছে
বান্ধ ভাঙি খহি অহা পানীৰ শব্দত কঁপিছে
মোৰ যৌবন ।

তোমাৰ স'তে চিনাকী হোৱাৰ পৰা
প্ৰেৰণাৰ জোন হৈ জ্বলি আছা তুমি
উদাৰ আকাশৰ বুকুত ।

সুগন্ধী ফুলৰ দৰেই তোমাৰ হাঁহি
আৰু সতেজ তোমাৰ স্বপ্ন
হিৰন্ময়ী প্ৰভাতৰ কাঁচিয়লী ৰ'দৰ
তুমি সাতো বৰণীয়া ৰামধেনু।

উন্মনা বৰষাৰ যৌৱনা নদী হৈ
বৈ আছা লয়লাসে
তোমাৰ বাৰু মন যায়নে ?

মোৰ সতে এটি সুমধুৰ সন্ধিয়া
পাৰ কৰিবলৈ হ
কেৱল তুমি আৰু মই ।





# স্বাধীনতা

কৃষ্ণা ৰাণী ডেকা
স্নাতক প্ৰথম বষ

আমি পাহৰি পেলাও
পৰাধীন এন্ধাৰ পৃথিৱীখনৰ
মৰ্ম বেদনাৰ কথা
আনকি চউদিশে দাউ দাউকৈ
জ্বলি উঠে অশান্তিৰ দাবানল
আৰম্ভ হয় নিৰীহ নৰ-নাৰী
আৰু শিশু বধৰ ভাওঁনা
তেনেহলে কাৰ বাবে এই স্বাধীনতা
ই আমাৰ অন্তৰৰ কোনোবা
এক গোপন স্থানত স্বতঃ স্ফূৰ্ত্তভাৱে
অঙ্কুৰিত হয় নে ?
ৰ'দে এসময়ত মেঘ
আৰু বৰষুণৰ কথা পাহৰে
শস্য শ্যামলা পৃথিৱী তেতিয়া
মৰুভূমিত পৰিণত হয়
যিদৰে স্বাধীনতাৰ প্ৰৱক্তাসকলে
এদিন পাহৰি পেলাই
পৰাধীনতাৰ অন্ধকূপত পৰি
কক্ বকাই থকা নিশকতীয়া
শ্ৰেণীটোৰ কথা
কিয়নো নিজক স্বাধীন কৰাৰ বাবেই
সিহঁতে আনক পৰাধীন কৰে
আজুৰি আনে কাৰোবাৰ অধিকাৰ।



ৰ'দেই মেঘৰ জন্মদাতা
স্বাধীনতাই জন্ম দিয়ে
কাৰোবাৰ পৰাধীনতা,
ৰ'দ নহ'লে মেঘৰ জন্ম নহয়
মেঘে আকাশ নাঢাকিলে
ধৰিত্ৰী শস্য শ্যামলা নহয়,
স্বাধীনতা এক আবেগিক অনুভূতি
ই মনৰ ভিতৰত স্বতঃ স্ফূৰ্তভাৱে
জন্ম লয়
যিদৰে পিঞ্জৰাবদ্ধ চৰাইটিয়ে
তাৰ পৰা মুক্ত হ'বলৈ
আপ্ৰাণ চেষ্টা কৰে,
স্বাধীনতা লাভৰ পিছত

# স্মৃতি

*শ্বাহৰুখ আবেদীন খান*
*উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)*

নিঃ স্ব কবি আজি নিসংগ
সপোনৰ পাৰত সজা পঁজা
ধুমুহাৰ সোঁতত বিলীন
নাই তাৰ একো চিন

এতিয়া সপোন মানে মৰীচীকা
সেয়ে সপোন দেখিবলৈ ভয় লাগে
জানোচা ভাঙি যায়
ঠুনুকা কাঁচৰ দৰে

বুকুৰ বিষাদ
হৃদয়ৰ শূন্যতা
এয়ায়ো যে দান
প্ৰেম ভালপোৱাৰে

শিয়ালৰ ক্ৰন্দনত ভাঙি পৰে
নিৰ্জন ৰাতিৰ নিস্তব্ধতা
ক্ৰমশ ঃ তেজৰ কঢ়াল সোঁতে সোঁতে
উজাই আহে স্মৃতিৰ মিঠা বেদনা ।

# কাৰ্য্যালয

*মঃ আটিকুল হক*
*উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)*

সুৰেন দাস মহাবিদ্যালয়ৰ সংসদ কাৰ্য্যালয়,
মনোমোহা বিনন্দীয়া পৰিৱেশেৰে ভৰা ।
বহুতো ছাৰ বাইদেউ আহি কাম কৰি যায়,
দূৰ দূৰণিৰ পৰা ।

ছাত্ৰ ছাত্ৰীসকলে লিখা পঢ়া কৰে,
দেশৰ মানৱ সম্পদ হ'ম বুলি.......... ।
পৰীক্ষণ আহিলে আমাৰ ছাৰ - বাইদেউৰো,
নাই তাত বিশ্ৰামৰ আহৰি ।
পৰীক্ষাৰ কাম ছাত্ৰ - ছাত্ৰীৰ নাম ।
ৰাখিমনো কেনেকৈ ?
মানুহক কৰা উপকাৰ,
ভগৱানে দিয়া আশীৰ্বাদ,
সেই অশীষ মূৰ পাতি লমগৈ ।
নাম মোৰ যেনে ধুনীয়া
বিষয়া কৰ্মচাৰীৰ কামো তেনে ধুনীয়া ।
সুৰেন দাস মহাবিদ্যালয়ত,
উজ্জ্বলি ৰ'ম চিৰযুগমীয়া ।





# নাৰ্জিৰ অপেক্ষা

*ৰহমান আলী*
*স্নাতক প্ৰথম বৰ্ষ*

তুমি আহিছিলা গ্ৰীষ্মৰ এজাক শীতল বতাহ,
বৈছিলা মোৰ হৃদয়ৰ কোমল পাহিত, দিছিলা
বহুত আনন্দ উচ্চাসী সপোন ।
আলফুলে আঁকোৱালী লৈছিলো তোমাক হে নাৰ্জি
ভাবিছিলো তুমিয়েই মোৰ মূৰ্খ যিয়ে মোক
এন্ধাৰত দিছিলা পোহৰ শীতত উত্তাপ য'ত
পাইছিলো মই উজ্জীৱনৰ আদিতম পাঠ ।
আগৰ শীতৰ সেমেকা ৰাতিৰ এন্ধাৰৰ মাজত
কুৰবানে মাতি ধ্বংস কৰিছিলে তোমাক ।
পিছলৈ ছটফটাই আবেগিক হৈছিলা মোলৈ
গ'লা মোৰ হৃদয়ক মোহাৰি নেচালা এবাৰো
উভতি মোলৈ। মোহাৰিলা মোৰ সকলো স্বপ্ন
নুমোৱালা মোৰ অভয় প্ৰদীপ ।
শীতৰ মৰুভূত উত্তাপ বিচাৰি বৈছিলোঁ মই হে নাৰ্জি।
নাই তুমি যেন লুকাইছিলা উটমানৰ আঁৰত
সকলো কুণ্ঠাবোধ নকৰি ঢালিলা শীত
মোৰ শৰীৰত য'ত তুষাৰ মূৰ্ত্তি হৈ ৰ'লোঁ মই
তোমাৰ অপেক্ষাত নাৰ্জি ।।

# শ্বহীদ



*দিপ্তী তালুকদাৰ*
*উঃ মাঃ ২য় বৰ্ষ, কলা শাখা*

শ্বহীদ তোমালৈ শত সহস্ৰ প্ৰণাম
তেজ লগা চোলা পিন্ধি ঘূৰি ফুৰা নিষ্ঠুৰ সেই সময়ৰ খোজ
সোতৰ দিশে দিয়েই ক'ত শ্বহীদ আই অসমীৰ ৰক্ষণা দূত
তোমালোক দেশৰ বাবে আমাৰ বাবে মৰিও অমৰ
শ্বহীদ তোমাৰ সাৰ্থক মানৱ জীৱন।

